
কলেজ
আলোচনী
সম্পাদক :: শ্রীমন্মথ মুখোপাধ্যায়



অহিংসাই আছিল যাৰ মূল নীতি, শান্তি আৰু
ত্যাগেই আছিল যাৰ জীৱনৰ উদ্দেশ্য,
সেইজন মুক্তি যুঁজাৰু মহামানৱ
৺মহাত্মা গান্ধীৰ জন্ম
শত বাৰ্ষিকীৰ
পবিত্ৰ
সোঁৱৰণত
এই সংখ্যাৰ
আলোচনীখন প্ৰাণবীয়
শ্ৰদ্ধাৰে উৎসৰ্গা কৰিলো।

## অশ্ৰু

সমূখত বহুত হেঁপাহ
দেশ মাতৃক ৰক্ষা কৰাৰ ; জীয়াই থকাৰ—
এজন উঠি অহা সোত'ৰ বছৰীয়া যুৱকৰ
আকস্মিক অকাল মৃত্যুত, আমি স্তব্ধ হৈ গলো··· !

## অঞ্জলি যাচিলো

যোৱা ৩১ ডিচেম্বৰ '৬৯ তাৰিখে চাবুৱাত N.C.C.
Armoured squarden'ৰ কেম্প কৰি-
বলৈ গৈ প্ৰথম বাৰ্ষিক বিজ্ঞানৰ
ছাত্ৰ চিদ্দিক আহমেদ হাজৰিকাই
বাৰুদৰ আঘাটত আমাৰ
মাজৰ পৰা চিৰ
বিদায় ললে।
আমি সকলো কানৈয়ান আৰু শিক্ষাগুৰুৱে
বেদনাৰ অশ্ৰুঅঞ্জলি যাচিলো। বৈ বৈ
নিৰ্ব্বাক হৈ নিস্তব্ধ হুমুনিয়াহ আৰু
বেজাৰেৰে পৰমেশ্বৰৰ ওচৰত
প্ৰাৰ্থনা কৰিছো যাতে
চিদ্দিকৰ আত্মাই
সদগতি পাই।

—সম্পাদক।

# অশ্ৰু-অঞ্জলি

বছৰটোত আমাৰ মাজৰ পৰা কেইবাজনো প্ৰথিতযশা স্বনাম-ধন্য ব্যক্তিয়ে জীৱন নাটৰ অভিনয় শেষ কৰি বিদায় মাগিলে। আদৰ্শ ব্যক্তি সকলৰ আদৰ্শ আৰু কৰ্ম্মৰ নিটোল চানেকিয়ে সমাজ-মণ্ডপ জ্যোতিস্মান কৰি তোলে। সেই জ্যোতিয়ে এন্ধাৰ নাশি আমাক আগবাঢ়ি যোৱাত জোব-ৰাতি ধৰি পথ উজ্বলাই দিয়ে।

ভাৰত গণৰাজ্যৰ তৃতীয়জন ৰাষ্ট্ৰপতি ডঃ জাকিৰ হুচেইনে ৩ মেইৰ দিনা চিৰবিদায় মাগিলে। প্ৰখ্যাত পণ্ডিত, স্বভাৱ গম্ভীৰ ডঃ হুচেইন আছিল ভাৰতীয় ঐতিহ্যৰ মহান প্ৰতীক। এইজনা শিক্ষক আৰু শিক্ষাবিদ্ লোক সকলো ভাৰতীয়ৰে জাতিবৰ্ণ নিৰ্ব্বিশেষে গ্ৰহনীয় আছিল।

আন্তঃ ৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন লিখক, অধ্যাপক হুমায়ুন কবীৰ আমাৰ মাজৰপৰা আঁতৰি গ'ল; কোনোবা অজান অকুতোভয় ৰাজ্যলৈ। অধ্যাপক কবীৰ ভাৰতৰ এজন আগশাৰীৰ ৰাজনীতিজ্ঞ আছিল। কেন্দ্ৰীয় চৰকাৰৰ দায়িত্ব-পূৰ্ণ মন্ত্ৰীপদতো অধ্যাপক কবীৰ কিছুদিন আছিল।

প্ৰবীণ সাহিত্যিক, শিক্ষাবিদ, অভিনেতা পদ্মধৰ চলিহাৰ এইবছৰ পৰলোক প্ৰাপ্তি ঘটে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি চলিহা ডাঙৰীয়া এজন কীৰ্ত্তি শিক্ষক আছিল।

আপোচহীন সংগ্ৰামী সুৰ দেউলৰ পূজাৰী, স্থূলদেহী বিষ্ণুৰাভা ডাঙৰীয়াই অসমৰ ৰাজনৈতিক তথা সাংস্কৃতিক দুয়োটা জীৱনৰ গুৰি ধৰোঁতা এৰি মৰণ সমুদ্ৰত ডুব দিলে। ৰাভাৰ আভাৱে অসমীয়া সংস্কৃতিৰ কঠিয়াতলী সাৰুৱা হৈ আছিল। সংস্কৃতিৰ সোণ চেকুৰা বুটলি বুটলি জন-সংস্কৃতিত আলোক সম্পাত কৰা ৰাভা ডাঙৰীয়াৰ জীৱন নাটৰ অভিনয় বৰ বিচিত্ৰ আছিল। জীৱনৰ সঁচা আৰু বাস্তৱ অভিনয়ত ভাগৰি নপৰা ৰাভাৰ বোলছবি আৰু নাট্যাভিনয়ৰ অভিনয়ও প্ৰশংসনীয়।

ইয়াৰোপৰি অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী গিৰিন্দ্ৰনাথ গগৈ, বিধান সভাৰ প্ৰাক্তন সদস্য হৰিনাৰায়ণ বৰুৱা, দলবীৰ সিং লোহাৰ, হেমচন্দ্ৰ হাজৰিকা, নলীন্দ্ৰ চাংমা, বনগীতৰ কবি আনন্দ ৰাম দাস, সাংবাদিক চন্দ্ৰেশ্বৰ ভট্টাচাৰ্য্য আদি সকললৈ আমাৰ বেজাৰৰ অশ্ৰু-অঞ্জলি যাচিলো।

# ঃ এই সংখ্যাৰ বিষয়ে সকলো ঃ


সম্পাদকীয় —

(১) প্ৰৱন্ধৰ শিতানত ঃ—

| | | | | |
|---|---|---|---|---|
| ১। | সংস্কৃত সাহিত্যত গীতি কবিতা | শ্ৰীমতী লক্ষহীৰা গগৈ | — | ১ |
| ২। | অধ্যয়নত চনেট | শ্ৰীলক্ষ্মী গায়ন | — | ৭ |
| ৩। | চৌধাৰীৰ কবিতাত প্ৰকৃতি প্ৰীতি | ,, বেণুধৰ বৰা | — | ১৬ |
| ৪। | নেফাত এভুমুকি | শ্ৰীমতী ৰুক্মিণী বৰুৱা | — | ২১ |
| ৫। | সাহিত্যত ইনটেলেকচুয়েলিজিম্ | শ্ৰীবসন্ত কুমাৰ বৰা | — | ২৫ |
| ৬। | মানুহে মানুহৰ বাবে | অধ্যাপক ভুবন চুতীয়া | — | ৩২ |

(২) এটি সাক্ষাৎ ঃ—

| | | | | |
|---|---|---|---|---|
| ৭। | গান্ধীজীৰ পুত্ৰ ৰামদাসজীৰ লগত গ্ৰহণ কৰিছে | শ্ৰীসোণধৰ বুঢ়াগোহাঁই | — | ৩৮ |

(৩) সুন্দৰৰ বৰচ'ৰা ঃ—

| | | | | |
|---|---|---|---|---|
| ৮। | পৰিচালনাত | ,, তৰুণ কুমাৰ গগৈ | — | ৪৪ |

(৪) এখনি একাঙ্কিকা ঃ—

| | | | | |
|---|---|---|---|---|
| ৯। | নিৰুপায় | ,, ভুবন বৰপাত্ৰ গোহাঁই | — | ৫৬ |


(৫) কবিতাৰ কাননত আছে ঃ—

| | | | | |
|---|---|---|---|---|
| ১। | চেনাই ঐ টোপনি নধৰে শুই | শ্ৰীপদ্ম বৰগোহাঁই | — | ১ |
| ২। | এটি মিশাৰ অন্তৰায়ত | ,, ইন্দ্ৰ গগৈ | — | ৩ |
| ৩। | সৃষ্টি ঃ সপ্তম দিনৰ পাচত | ,, লক্ষেণ শইকীয়া | — | ৫ |
| ৪। | ৰূপান্তৰ | ,, নাৰায়ণ শৰ্ম্মা | — | ৮ |
| ৫। | এটি গীত | শ্ৰীকল্যাণ কুমাৰ দত্ত | — | ৯ |
| ৬। | দুটি গান ( বহাগৰ ) | ,, লক্ষেশ্বৰ চেতিয়া | — | ১০ |
| ৭। | ইতিহাস ঃ আজিৰ যুগৰ | শ্ৰীপ্ৰাতস বৰগোহাঁই | — | ১১ |
| ৮। | অৰুন জ্যোতি ঃ তোমাৰ বাবে | শ্ৰীগুণেশ্বৰ সোনোৱাল | — | ১২ |
| ৯। | দুটা নিশা আৰু উপলব্ধি দুজনী গাভৰুৰ | ,, যতীন্দ্ৰ নাথ গগৈ | — | ১৩ |
| ১০। | এটি অনুৰোধ ঃ সোণপাহীলৈ | ,, যজ্ঞেশ্বৰ গগৈ | — | ১৫ |

(৬) গল্পাঞ্জলীত আছে ঃ—

| | | | | |
|---|---|---|---|---|
| ১। | সূৰ্য্যমুখীৰ অলস হাঁহি | শ্ৰীউপমা দত্ত | — | ১ |
| ২। | আচল কথা | ,, দুৰ্গেশ্বৰ বৰা | — | ৬ |
| ৩। | ওৰণিৰ তলত | ,, জেউতি কুমাৰ নেওগ | — | ১১ |
| ৪। | ব্যৰ্থ লাৱণ্য | ,, দ্বিজদাস মণ্ডল | — | ২০ |
| ৫। | অপূৰণ | ,, খগেশ্বৰ গোহাঁই | — | ২৫ |

# সম্পাদকীয়



"অস্তেয় মানে চুৰ নকৰা। চুৰ কৰা মানুহে সত্য আৰু প্ৰেম ধৰ্ম্ম পালন কৰিব নোৱাৰে। আমি সকলোৰে অলপ অচৰপ জানি বা নাজানি চুৰ কৰা অপৰাধ কৰিছো পৰৰ বস্তু নোসোধাকৈ ললে চুৰ কৰা হয়। এই কথা সকলোৰে জানে; কিন্তু আমি নিজৰ বস্তু নিজেই চুৰ কৰোঁহঁক। বাপেকে যেতিয়া পুতেকৰ পৰা লুকুৱাই খায় তেওঁ তেতিয়া নিজৰ বস্তুকে চুৰ কৰে"—

—মহাত্মা গান্ধী।

গান্ধীজীৰ সপোনৰ ৰামৰাজ্য—সপোনতেই শেষ হৈ গ'ল। বাস্তৱত ৰামৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ গান্ধীজী আৰু ভাৰতৰ প্ৰান্তৰে প্ৰান্তৰে দীঘল লাখুটি ডালেৰে আঠুমুৰীয়া চুৰিয়া থন পিন্ধি ঘুৰি ফুৰিবলৈ কেতিয়াও নাহে। গান্ধীজী গুছি গল; কিন্তু তেখেতৰ আত্মাই যেন ভৱিষ্যত বংশধৰ সকলৰ হাতত গঢ় লৈ উঠা—ৰাম ৰাজ্যৰ আনন্দৰ কল্লোল শুনিবৰ বাবে প্ৰতি ভাৰতীয়ৰ দুৱাৰে দুৱাৰে বিনাই ফুৰিছে। কিন্তু শুনিছে কি?—গান্ধীজীৰ মৃত্যুৰ সুবিধাকে লৈ আমি জানো তেখেতৰ কল্পনা, তেখেতৰ আশা, তেখেতৰ ধ্যান ধাৰণা সকলো খিনি ওলোটা সূঁতিৰে প্ৰবাহিত কৰা নাই? তেখেতৰ মতে অস্তেয় মানে চুৰ নকৰা; কিন্তু আমি জানো ইয়াকো

বিকৃত ৰূপেৰেই পালন কৰা নাই। সচাঁ কথা আমি সকলো চোৰ। ডাঙৰ সৰু শিক্ষিত অশিক্ষিত সকলোৰে·যেন চৌৰ্য্য বৃত্তি অৱলম্বন কৰিয়েই জীয়াই আছোঁ। আমি যদি লক্ষ্য কৰো দেখিম কোনোৱে পেটৰ জ্বালাত ৰব নোৱাৰি কাৰোবাৰ ঘৰৰ পৰা মনে মনে এমুঠি চাউল আনি ৰান্ধি খাই পেটৰ জ্বালা মাৰিছে। তেন্তে গম পালে আমি তেওঁক চোৰ আখ্যা দিম। কিন্তু কোনোবাই যদি সুখেৰে খাবলৈ পাইও ভবিষ্যতৰ লাভৰ আশাত নিজৰ গুদামত লাখ লাখ মোণ খাদ্য সাচি ৰাখে তেনেহলে আমি তেওঁক কি বুলি কম???......গাখীৰত পানী ঢালি বিক্ৰী কৰিলে যি দৰে চোৰ কৰা হয়! নিৰ্দ্দিষ্ট খতিয়ান পোৱাৰ পিছতো মাননী লৈ নিজৰ কামকে কৰি দিয়াটোও চোৰ কৰাই নহয়নে? স্বাৰ্থ পৰতাই আমাৰ মনোবৃত্তিক সীমিত আৰু নিচেই ঠেক গণ্ডীৰ কৰি পেলাইছে। চোৰ প্ৰবৃত্তি আৰু এনেকুৱা মনোভাবে আমাৰ মৌলিকতাক বিনাশ কৰিছে।

ছাত্ৰসকলেই ভবিষ্যতৰ আশা আকাঙ্খাৰ স্থল। কিন্তু আমিবোৰে কৰিছোঁ কি? অলপ বুজিব পৰা হোৱাৰে পৰা নিজৰ মৌলিকতাক দলিয়াই দি ভালকৈ উত্তীৰ্ণ হোৱা মানসেৰে ডাঙৰ লেখকৰ ভাল ভাল গ্ৰন্থৰ টোকা মুখস্থ কৰি বজৰোৱা প্ৰতিভাক অন্যৰ আগত ব্যক্ত কৰিবলৈ বিচাৰিছোঁ। তেনেস্থলত এফালে আমাৰ মৌলিক প্ৰতিভাৰ অঙ্কুৰ কলিতে বিনষ্ট হৈছে আৰু আনফালে আমাৰ শিক্ষাৰ মানদণ্ড বহুত খিনি কমি গৈছে। ফলত আমি হৈ পৰিছো একো একোজন সৰু চোৰ।

আমি গান্ধীজীক শ্ৰদ্ধা কৰিবলৈ বিচাৰো, গান্ধীজীৰ মৃত আত্মাক যদি আমি শান্তি দিব খোজো, তেনেহলে গান্ধীজীৰ বাণী সমূহ প্ৰচাৰ কৰিলেই নহব। সমস্ত দেশৰ সৰু-বৰ শিক্ষিত অশিক্ষিত সকলোৱে কায়মনোবাক্যে নিজৰ ঠেক মনোবৃত্তি, অসৎ উদ্দেশ্য পৰিত্যাগ কৰি সৎ-পথেৰে সজ চিন্তাৰে নিজ কৰ্ত্তব্যত মনোনিবেশ কৰিব লাগিব, তেতিয়াহে দেশৰ উন্নতি হব। লগে লগে মৌলিকতাৰ প্ৰসাৰতা লভিব আৰু গান্ধীজীৰ স্বৰ্গগত আত্মাই শান্তিৰে বিশ্ৰাম লভিব পাৰিব। গান্ধীজীৰ জীৱনৰ মূল সূত্ৰ, গান্ধীজীৰ জীৱন দৰ্শন, তেওঁৰ চিন্তা মানস, আৰু তেওঁ দেশবাসীৰ পৰা আশা কৰা আশাবিলাকৰ বাস্তৱ ৰূপ দিব পাৰিলেহে আমি গান্ধীৰ জন্ম শতবাৰ্ষিকীৰ প্ৰকৃত মূল্যায়ন কৰা হব। আমি কানৈ কলেজৰ সমগ্ৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক, অধ্যাপিকাই গান্ধীজীৰ মহান মন্ত্ৰত দিক্ষীত হোৱাৰ মানসেৰে তেওঁৰ জীৱন আদৰ্শৰ অনুপ্ৰাণেৰে অনুপ্ৰাণিত হোৱাৰ বাসনাৰে আৰু তেওঁৰ অসীম কৰ্ম্মপ্ৰেৰণা, ধৈৰ্য্যশীলতা আৰু আৰু মহা মানৱতাৰ গুণেৰে বিমুগ্ধ হৈ এই মহান লোকজনাৰ পৱিত্ৰ জন্ম শত বাৰ্ষিকীৰ দিৱসত তেওঁৰ পৱিত্ৰ সোঁৱৰণত এইবাৰৰ কানৈ কলেজ আলোচনীখনি উচৰ্গা কৰিছোঁ।

**ছাত্ৰ সমস্যা**— বৰ্ত্তমান সময়ৰ সমস্যা সমূহৰ ভিতৰত বিশ্বজোৰা সমস্যা বিলাকৰ ভিতৰৰে এটা হৈছে ছাত্ৰ সমস্যা। ছাত্ৰ সমস্যা এটা সংক্ৰামক ৰোগৰ দৰে। ই কোনো এডোখৰ ঠাইত উৎপত্তি হৈ লাহে লাহে অন্য ঠাইলৈ বিয়পি পৰে। বৰ্ত্তমানৰ এই ছাত্ৰ সমস্যা কেৱল ছাত্ৰৰ মাজতে আবদ্ধ হৈ থকা নাই। ই সামাজিক সমস্যাৰূপে পৰিগণিত হৈ শাসক সকলৰো চিন্তাৰ কাৰণ হৈ পৰিছে।

জুইৰ ফিৰিঙতি, বিদ্যুৎ সংযোগ, নতুবা প্ৰখৰ উত্তাপ নহলে যিদৰে জুই জ্বলি উঠিব নোৱাৰে, ঠিক তেনেদৰে এই সমস্যাৰ মূলতো কিবা উৎস নাথাকিলে ছাত্ৰৰ মাজত এনেধৰণৰ সমস্যাবোৰৰ বিকাশ হব নোৱাৰে। বিশ্বৰ কোনো এখন ৰাষ্ট্ৰই ছাত্ৰ সমস্যাৰ হাত সাৰিব পৰা নাই। আমি যদি ১৯৫৮ চনৰ মে’ মাহলৈ চাওঁ তেতিয়া দেখিবলৈ পাম অধ্যাপকৰ কেইষাৰমান বক্তৃতাই ছাত্ৰ বিক্ষোভৰ কাৰণ হৈ কেৱল পেৰিচতে আবদ্ধ নাথাকি চুইডেন, বেলজিয়ম লণ্ডন আদি ইণ্ডোনেচিয়াৰ আশে পাশে বিয়পি পৰিছিল। প্ৰেচিডেণ্ট চুৰ্হাটোকে কেন্দ্ৰ কৰি ছাত্ৰ বিক্ষোভে এইবোৰ ঠাইত গা কৰি উঠিছিল। আমেৰিকাতো ছাত্ৰ সকলে ভিয়েটনাম যুদ্ধৰ অৱসান ঘটাই শান্তি প্ৰতিষ্ঠাৰ বাবে আজিও সংগ্ৰামৰত অৱস্থাতেই আছে। ’৬৮ চনৰ মাৰ্চ মাহত সেই উপৰুক্ত কাৰণতেই ৰোমৰ লাখৰো ওপৰ ছাত্ৰই শোভাযাত্ৰা আদিৰ দ্বাৰা ৰোমৰ আকাশ মুখৰিত কৰি তোলে। আমেৰিকান পৰমাণৱিক চাব মেৰিণক লৈ জাপানৰ ছাত্ৰই বিদ্ৰোহ কৰি উঠে। ’৬৮ চনৰ মাৰ্চ্চ মাহৰে প্ৰথম সপ্তাহত এখন নাট অভিনয়ক লৈ পোলেণ্ডৰ সমূহ ছাত্ৰই যি বিক্ষোভৰ সৃষ্টি কৰিলে সেই বিক্ষোভৰ প্ৰতিক্ৰিয়াই সমগ্ৰ বিশ্বত কপঁনি তুলিলে। পুনৰ সাতাইশ বছৰীয়া ছছিয়েলিষ্ট ছাত্ৰ সন্থাৰ নেতা ৰেডৰডী ডুটশ্বেকৰ হত্যাৰ চেষ্টাক কেন্দ্ৰ কৰি পশ্চিম জাৰ্ম্মেনীত যি বিক্ষোভ আৰম্ভ হল সেই বিক্ষোভ কেৱল পশ্চিম জাৰ্ম্মেনীতে আবদ্ধ নাথাকি ৰোম, লণ্ডন, ভিয়েনা আদিকো চুই গৈছিল।

এই সমূহ বিক্ষোভ, উশৃঙ্খলতা ছাত্ৰ সংগ্ৰাম আদিলৈ চাই কব পাৰি যে পৃথিবীৰ প্ৰতিখন ৰাষ্ট্ৰতে ছাত্ৰ বিক্ষোভ হয়, মাথো তাৰ কাৰণ আৰু প্ৰতিক্ৰিয়াহে বেলেগ বেলেগ। আমেৰিকাত যি কাৰণে ছাত্ৰ বিক্ষোভ হয় ভাৰতত সেইবোৰ কাৰণত নহবও পাৰে। কিন্তু এইটো ঠিক যে কাৰণ নোহোৱাকৈ কোনো ঠাইতে কেতিয়াও বিক্ষোভ হব নোৱাৰে। এইখিনিতে জনপ্ৰিয় ছাত্ৰ নেতা ডনিয়েল কন বেণ্ডিতে কোৱা এষাৰ কথা প্ৰাসঙ্গিক যেন লাগে। — “উশৃঙ্খলতাৰ ব্যাখ্যা আভিধানিক অৰ্থত বহুতো হব পাৰে। কিন্তু আমাৰ সকলো আন্দোলন, সংগ্ৰামৰ অৰ্থ উশৃঙ্খলতা নহয়।”

ছাত্ৰসকলো, মানুহ। তেওঁলোকেও সচৰাচৰ মানবীয় গুণাৱলীক লৈয়েই ভৱিষ্যত পথত অগ্ৰসৰ হয়। বিনা কাৰণত উশৃঙ্খলতাৰ সৃষ্টি কৰা কোনো ছাত্ৰৰে উদ্দেশ্য নহয়।

"নহি জ্ঞানেন সদৃশ্যং পবিত্রম এহ বিদ্যতে।"

কোমলমতীয়া ছাত্র সকলে ভৱিষ্যতৰ ৰঙীণ কল্পনাক কেন্দ্ৰ কৰি বৰ্ত্তমানৰ কঠিন কৰ্ত্তব্যকো নিয়াৰিকৈ পালন কৰি আগবাঢ়ি যোৱাৰ পথত যেতিয়াই— পদে পদে ৰৰমূৰীয়াসকলৰ অন্যায় অত্যাচাৰ, মিছা ভণ্ডামি আদি দেখিবলৈ পোৱা যায়, তেতিয়াই তেওঁলোকৰ কোমল মনত এই বোৰৰ প্ৰতিকাৰৰ চিন্তা আহি পৰে আৰু তাৰ ফলতেই বিক্ষোভৰ সূত্ৰপাত হয়। সচাঁকৈ এইটো দুখৰ কথা। মানুহ মাত্ৰেই ভুল হোৱাটো স্বাভাৱিক। কিন্তু ভুলৰ শুধৰণিও আছে। যদি কাৰোবাৰ দুখ কোনোবাই আঙুলিয়াই দিয়ে সেইটো কেতিয়াও দুখৰ বা লাজৰ বিষয় হব নোৱাৰে। নিজৰ দোষটো দেখুৱাই দিয়াৰ বাবে প্ৰত্যেকেই আনন্দিত হোৱাটোৱেই বাঞ্চনীয়। কিন্তু ছাত্ৰই যেতিয়া শাসকসকলৰ দুখবোৰ দেখুৱাই দি সংশোধন কৰিবলৈ অনুৰোধ কৰে তেতিয়াই তেখেত সকলৰ চকুত ছাত্ৰসমাজ হৈ পৰে জগৰীয়া, বিক্ষোভকাৰী আৰু উশৃঙ্খল কাৰী। ফলত আহি পৰে আইন শৃঙ্খলাৰ প্ৰশ্ন, ছাত্ৰ পুলিচৰ মাজত সংঘৰ্ষ পুলিচৰ পাশ-ৱিকতা চৰকাৰৰ বিচাৰ বিবেকহীনতাৰ ফলত পুলিচৰ গুলিৰ আঘাটত ছাত্ৰ নিহত আদি সুন্দৰ আচনি। ১৯৬৮ চনৰ এপ্ৰিল মাহৰ প্ৰথম সপ্তাহত হামবুৰ্গ ফ্ৰাংফুট, পশ্চিম জাৰ্মেনীৰ কেনেডী স্কোৱাৰ আদি ঠাইত ছাত্ৰ পুলিচৰ মাজত হোৱা প্ৰচণ্ড সংঘৰ্ষ ইয়ৰেই সুন্দৰ নিদৰ্শন। বহুতো বয়োবৃদ্ধ আৰু জ্ঞানবৃদ্ধ লোকে ভাবে; আৰু ছাত্ৰ সমস্যাৰ বিষয়ে লিখা আলোচনা বোৰত দেখা যায় যে, ৰাজনীতিয়েই ছাত্ৰসকলক বিপথে যোৱাত সহায় কৰিছে। কিন্তু ৰাজনীতিৰ বতাহ খাই জীয়াই থকা দেশবিলাকত ছাত্ৰসকলে কৰ পৰা নতুন বতাহ আমদানি কৰি সেই বতাহেৰে জীয়াই থাকিব! বিশ্বৰ প্ৰতিখন ৰাষ্ট্ৰত আজি ছাত্ৰ বিক্ষোভ হয়। প্ৰতিখন ৰাতৰি কাকতে বিক্ষোভৰ ফলত নষ্ট অপব্যয় হোৱা লাখ লাখ টকাৰ হিচাৰ দেখা যায়। কিন্তু কোনেও ছাত্ৰৰ প্ৰাণৰ সচা কথা বিলাকৰ প্ৰতি কানসাৰ নিদিয়ে। আনহাতেদি ছাত্ৰসকল কেচুৱা লৰাও নহয় যে ধুনীয়া পুতলা দিয়েই আমনি নকৰাকৈ নিচুকাই ৰাখিব। ছাত্ৰসকলে কেতিয়াও ধ্বংস কৰিবলৈ আগবাঢ়ি নাযায়। কিন্তু যেতিয়া কোনেও প্ৰাণৰ বিননি নুশুনি ওলোটাই আক্ৰমণ কৰিবলৈ আহে তেতিয়াই তেওঁলোকৰ খং উঠে আৰু ধ্বংসাত্মক ( Sadestic ) কাৰ্য্যত লিপ্ত হয়। বৰ্ত্তমান শিক্ষক ছাত্ৰৰ মাজৰ আন্ত-ৰিকতা হীনতাইও ছাত্ৰসকলক অসন্তুষ্ট আৰু বিক্ষোভকাৰী কৰি তুলিছে। এইখিনিতে অসমীয়া প্ৰবাদ বাক্য এষাৰৰ কথা মনত পৰে— 'লাও যিমানেই ডাঙৰ নহওঁক সদায় পাতৰ তলত' ঠিক তেনেকৈ ছাত্ৰ যিমানেই উদণ্ড নহওঁক লাগে তথাপি তেওঁলোক গুৰুৰ অধীন।

গুৰুৱ সজ উপদেশে কোমলমতীয়া উদণ্ড ছাত্ৰকো সহজে বশ কৰিব পাৰে। তাকে নকৰি যদি জেদ ধৰি ছাত্ৰৰ ভয়ত গুৰুৱে জীৱন বীমা কৰিব লগাত পৰে তেন্তে গুৰু শিষ্যৰ

আন্তৰিকতা কেনেদৰে ঘূৰি আহিব। আগ্ৰা বিশ্ববিদ্যালয়ত অধ্যাপক সকলে বীমা প্ৰতিষ্ঠা কৰি ইয়াকেই সূচনা কৰা নাইনে? পথ প্ৰদৰ্শক সকল যি পথেদি অগ্ৰসৰ হব পাছৰ চাও সেই পথেদিয়েই অগ্ৰসৰ হব লাগিব, প্ৰতিবাদ কৰিবলৈ গলেইযে বিক্ষোভকাৰী হব লাগিব!

অসমৰ সমস্যাত ছাত্ৰৰ ভূমিকা— পৰ্ব্বত, পাহাৰ, হাবি,-বননি নদ-নদীৰে আৱৰা অৱহেলিত অসমত প্ৰাক্ স্বাধীনতাৰ কালৰে পৰা ছাত্ৰৰ ভূমিকা তাৎপৰ্য্যপূৰ্ণ। ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ ফলত অসম ইংৰাজৰ অধীনলৈ যায়। কাষতে থকা বঙালী ভাষাৰ প্ৰৰোচনাত পৰি ইংৰাজে বঙালী ভাষাকে অসমৰ স্কুল-আদালতত প্ৰতিষ্ঠা কৰি অসমীয়া ভাষা একেবাৰে অচল অৱস্থা কৰি পেলায়। ভাষা জননীৰ এনে বিপৰ্য্যয় দেখি অসমীয়া ছাত্ৰ স্থিৰেৰে ৰব নোৱাৰিলে। বেপ্টিচ মিছনেৰী সকলৰ উৎসাহত উৎসাহিত হৈ আনন্দৰাম ঢেকীয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা গুণাভিৰাম বৰুৱা আদি গুণী জ্ঞানী লোকৰ অশেষ চেষ্টাৰ ফলত অসমীয়া ভাষাই পুনৰ স্বীকৃতি লাভ কৰে আৰু বঙলা ভাষা নেজ পেলাই আতৰি যাবলৈ বাধ্য হ'ল। পুনৰ ১৮৮৯ চনত ৺লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, ৰমাকান্ত চৌধুৰী আদি কলিকতাত থকা এমুঠি স্বদেশ প্ৰাণ অসমীয়া ছাত্ৰৰ প্ৰাণৰ সহযোগত অঃ ভাঃ উঃ সাঃ সভাৰ মুখপত্ৰ জোনাকী কাকতৰ জন্ম হয়। সেই জোনাকীৰ চিক্‌মিক্ পোহৰেই অসমীয়া ভাষাক বাট দেখুৱাই আনি "ৰামধেনুৰ" সাত ৰঙৰ মাজেদি 'নৱযুগৰ" লগত খোজ মিলাই "নীলাচল"ত পদাৰ্পণ কৰিছেহি। অসমীয়া ছাত্ৰৰ মানত অসম দেশ প্ৰাণতকৈ আপোন। অসমৰ প্ৰতিটো সমস্যাতে অসমীয়া ছাত্ৰৰ ভূমিকা মন কৰিব লগীয়া। সমাজ কল্যাণ আৰু স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ অৱদান চিৰস্মৰণীয়। কুৰি শতিকাৰ প্ৰথম ভাগত অসমীয়া ছাত্ৰৰ হাততেই অসমৰ বিভিন্ন ঠাইত বহুতো ছাত্ৰনুষ্ঠানে গঢ় লৈ উঠে! কুৰি শতিকাৰ মাজভাগত স্বদেশ প্ৰেমী অসমীয়া ছাত্ৰ সমাজে "সদৌ অসম ছাত্ৰ সন্মিলন" প্ৰতিষ্ঠা কৰি দেশ সেৱাৰ ব্ৰত মূৰ পাতি লয়। এই ছাত্ৰ সন্থাৰ কৰ্ম্মপটুতাই এস-ময়ত এক নতুন জাগৰণৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। মদ, ভাং, কানি আদি মাদক দ্ৰব্যৰ ব্যৱহাৰ দেশৰ পৰা নিৰ্ম্মূল কৰিবলৈ যত্ন কৰিছিল। আনহাতেদি তেওঁলোকে ৰাজনীতিকো উলাই কৰা নাছিল। অসমৰ ছাত্ৰসকলে ১৯২১ চনৰ পৰাই স্বাধীনতাৰ ক্ষেত্ৰত সক্ৰিয় অংশ গ্ৰহণ কৰি আহিছে। ১৯৩০ চনত মহাত্মা গান্ধীৰ আইন অমান্য আন্দোলনত ত্যাগবীৰ হেমবৰুৱা আদিয়ে মুখ্য ভূমিকা গ্ৰহণ কৰি ছাত্ৰ সন্মিলনৰ বিশেষ অধিবেশনৰ নিৰ্দ্দেশ অনুসৰি কুখ্যাত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ কৰি আন্দোলনত জপিয়াই পৰিল। এই স্বাধীনতা মন্ত্ৰত দীক্ষীত হৈয়েই বহুতো অসমীয়া ছাত্ৰই নিজৰ প্ৰাণকো জলাঞ্জলি দি দেখুৱাই দিলে— "দেশতকৈ মোমাই ডাঙৰ নহয়।"

স্বাধীনতা সংগ্রামৰ বিভিষিকা অন্ত পৰিল কিন্তু অসমৰ সমস্যাৰ অন্ত নপৰিল। প্ৰতি বছৰৰ প্ৰাকৃতিক দুৰ্য্যোগৰ বাবে অসম দেশ, অসম বাসী আগতীয়াকৈ সাজু হব লগাত পৰে। প্ৰতি বছৰৰ বানপানী ভূইকঁপ আদি প্ৰাকৃতিক দুৰ্য্যোগৰ দিনত নিজৰ অস্থিৰ অৱস্থাৰ মাজতো ছাত্ৰ সকলেই পোনতে জনসাধাৰণৰ কাষলৈ ঢাপলি মেলিব লগা হয়। এফালে অসম দেশত প্ৰকৃতিৰ তাণ্ডৱ নৃত্য আনফালে অসমলৈ বিদেশী চকুৰ লোলুপতা। '৬২ চনৰ চীনা আক্ৰমণে অসম তথা ভাৰতবৰ্ষক বুজাই দিলে বিশ্বাস আৰু শান্তিয়েই সকলো নহয়। ভাৰতেও তাৰ প্ৰত্যুত্তৰ দিলে শক্তিৰে বন্ধুত্বৰ বিননীৰে নহয়! সীমান্তৰ অস্থিৰ অৱস্থাৰ কথাশুনি ছাত্ৰ সকলো স্থিৰে থাকিব নোৱাৰিলে। হাজাৰ হাজাৰ ছাত্ৰ ওলাই আহিল দেশ মাতৃকাৰ সেৱা কৰিবলৈ! নিজৰ ৰক্তকো সীমান্তৰ জোৱানলৈ দিবলৈ কৃপনালি নকৰিলে। সেইদিনা ভাৰতে দেখুৱাই দিছিল— ভাৰতৰ মূল নীতি, আমি কাকো অন্যায় নকৰোঁ আৰু কোনোবাই আমাৰ অন্যায় কৰিবলৈ আগবাঢ়ি আহিলেও আমি তাৰ প্ৰতিকাৰ নকৰাকৈ নাথাকো।

পুনৰ অসমৰ বুকুলৈ আহি পৰিল ভাষা সমস্যা। ভাৰতীয় সংবিধানৰ দ্বাৰা স্বীকৃতি প্ৰাপ্ত চৌধ্যটা ভাষাৰ ভিতৰত অসমীয়াও এটা। অসমীয়া ভাষাকো চুবুৰীয়া বঙালী ভাষাই— কাল জিভা মেলি দংশিবৰ বাবে আগবাঢ়ি আহিল। পৰ্ব্বত ভৈয়ামৰ সকলো জাতি উপজাতিৰে আদৰৰ উমৈহতীয়া অসমীয়া ভাষাৰ অখণ্ডতা নাইকিয়া কৰিব বিচৰা বঙালী ভাষাৰ বিৰুদ্ধে থিয় দিবলৈ ওলাই আহিছিল অসমীয়া ছাত্ৰ সকল। ভাষা জননীৰ ৰক্ষাৰ বাবে বীৰ বেশেৰে ৰঞ্জিতে বুকুপাতি দিলে; হাজাৰ হাজাৰ ৰঞ্জিতে ন্যায়ৰ দাবীত পুলিচৰ প্ৰহাৰকো আওকাণ কৰি কাৰাগাৰ বৰণ কৰিলে। অসমীয়া ভাষা জননী ৰক্ষা পৰিল। সোতৰ বাৰ অসম আক্ৰমণ কৰি ব্যৰ্থ হৈ উলটি যোৱা মোগলৰ দৰে দুয়োবাৰ শেনচকুৰ বঙালী ভাষাই শেনটোৰ দৰে আহি ফেঁচাটোৰ দৰে উলটি যাবলৈ বাধ্য হ'ল।

গান্ধীজীৰ অহিংসা মন্ত্ৰেৰে স্বাধীনতা পোৱা ভাৰতবৰ্ষৰ নিচেই কাষৰীয়া মুছলিম ৰাজ্য পাকিস্থানে ১৯৬৫ চনত হিংসাত্মক ভাবে ভাৰত ভূমিত অৱতীৰ্ণ হয়হি। ভাৰতবৰ্ষই ও যথাযোগ্য প্ৰত্যুত্তৰে বুজাই দিলে ভাৰতৰ শক্তি পাকিস্তানতকৈ কোনো গুণে কম নহয়। অসমীয়া যুৱক সকলো শুই থকা নাছিল। বীৰ ভাবে আগবাঢ়ি আহিল দেশ মাতৃকাক বিপদৰ পৰা ৰক্ষা কৰিবলৈ। অসমীয়া যুৱক উৎপল বৰবৰুৱাই ( ৰৱবৰা ? ? ? ) দেখুৱাই দিলে—অসমত কি আছে?

উদ্যোগৰ ক্ষেত্ৰত অসমীয়া ছাত্ৰৰ ভূমিকা—
স্বাধীনতাৰ পিছৰে পৰা অসমৰ উন্নতিৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ উদাসীনতা আৰু ৰাজ্যিক চৰকাৰৰ শক্তিহীনতাই অসম বহুতো ন্যায্য অধিকাৰৰ পৰা বঞ্চিত কৰা দেখিবলৈ পোৱা

গৈছে। উদ্যোগৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ অনান্য প্ৰদেশবোৰৰ তুলনাত অসম অতি পিচ পৰা। কেন্দ্ৰীয় চৰকাৰে অসমক উদ্যোগীকৰণ কৰিবলৈ বিশেষ আগ্ৰহ প্ৰকাশ নকৰাটোৱে ইয়াৰ মূল কাৰণ। অসমৰ নুনমাটিৰ প্ৰথম তেল শোধনাগাৰৰ বাবে কিমানজন অসমীয়া যুৱক ছাত্ৰ-ছাত্ৰী, বৃদ্ধ লোকে আন্দোলন কৰি জেল খাব লগীয়াত পৰিছিল সেই কথা প্ৰতিজন অসমীয়াৰ মনত উজ্জ্বল হৈ আছে। আগতে হব নোৱাৰা বস্তু এটা আন্দোলনৰ পিছত কেনেদৰে হৈ উঠিল ভাবিলে আচৰিত হব লাগে। অসমৰ প্ৰতিটো প্ৰতিস্থানেই আন্দোলন কেন্দ্ৰ কৰিয়েই গঢ় লৈ উঠে। ভাষাৰ ক্ষেত্ৰত আন্দোলন, খাদ্য সমস্যাৰ সময়ত পুঁজি পতি আৰু মজুতকাৰীৰ বিৰুদ্ধে আন্দোলন; শোধনাগাৰৰ ক্ষেত্ৰত আন্দোলন। অসমৰ উদ্যোগীকৰণ মানে আন্দোলনৰ নামান্তৰ নেকি? আন্দোলনৰ বিভিষিকাইও কেন্দ্ৰীয় চৰকাৰক টলাব নোৱাৰিলে অসমত ক্ষুদ্ৰ এটা তেল শোধনাগাৰেৰে অসমৰ মুখ মাৰি শোধনাগাৰটো প্ৰতিষ্ঠা কৰিলে বিহাৰত কাৰণ দেখুৱালে অসম প্ৰান্তীয় দেশ, বহিঃ শত্ৰুৰ আক্ৰমণৰ পৰা অসম নিৰাপদ নহয়, তদুপৰি অসম এনে এটা বৃহৎ প্ৰতিষ্ঠান পাতিবলৈ ভৌগলিক পৰিস্থিতি আৰু বৈজ্ঞানিক দুয়ো ফালৰ পৰাই অসুবিধা। অসমৰ বুকুৰ কেঁচা তেজ খাৰুৱা তেল সুদীৰ্ঘ ৭৫০ মাইল দীঘৰ পাইপ লাইনেৰে শোধিত হবলৈ নিতৌ বাৰাউনীলৈ যাবই লাগিছে। অসমৰ তেল অসমতে শোধিত হব নোৱাৰে— কাৰণ — অসমক বিদেশী শত্ৰুৱে আক্ৰমণ কৰাৰ ভয় আছে। ইমান এটা ভয় লৈ কেন্দ্ৰীয় চৰকাৰে অসমক ৰকমৰ সম্পত্তি লৈ থকাৰ স্বাৰ্থ কি? ব্ৰহ্মপুত্ৰৰ দলং, ৰেলৰে হেড্ কোৱাৰ্টাৰৰ বাবে অসমীয়াই কিমানবাৰ লাঠিৰ কোব সহ্য কৰিব লগাত পৰিছিল আৰু কৰি আছে তাক পুনৰাবৃত্তি কৰাৰ ইচ্ছা নাই। গণতান্ত্ৰীক দেশৰ জনতাই যেতিয়াই গণতন্ত্ৰ চৰকাৰৰ ওচৰত ন্যাৰ্য্য প্ৰাপ্তিৰ দাবী জনাই তেতিয়া কি প্ৰাদেশিক মনোবৃত্তিৰ পৰিচয় দিয়া হয়। তেনেহলে অসমৰ উৰ্বৰা মাটিৰ কেচাঁ মালেৰে কেন্দ্ৰীয় পুঁজিৰ পৰিবৰ্দ্ধনৰ ব্যৱস্থাক অসমৰ জনগণে কি বুলি ভাবিব?

পুনৰ যদি আমি কেন্দ্ৰীয় চৰকাৰৰ ৰেলৰে বিভাগলৈ মন কৰোঁ তেতিয়া দেখিম কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰতো আমাক প্ৰবঞ্চনাকে কৰি আহিছে। স্বাধীনতাৰ পাছত ১৯৫১ ৫২ চনত প্ৰসাসনীয় সুবিধাৰ বাবে ভাৰতীয় ৰেলৰেক ছয়টা জোন ( **Zone** ) বা খণ্ডত ভাগ কৰে ( এতিয়া আৰু তিনিটা বৃদ্ধি পাই নটা হৈছে।) এই খণ্ড বিভাজনৰ আগতে যদিও গুৱাহাটীত এজন প্ৰধান প্ৰশাসক বিষয়াৰ কাৰ্য্যালয় আছিল খণ্ড বিভাজনৰ পাছত অসমৰ হাজাৰ হাজাৰ জনতাৰ অনুৰোধ উলঙ্ঘা কৰি সেই কাৰ্য্যালয় প্ৰতিস্থা কৰিলে গোৰখপুৰত আৰু অসমৰ গুৱাহাটীত প্ৰতিষ্ঠিত হল এটা

আঞ্চলিক কাৰ্য্যালয় ( Ragional Zone ) কিন্তু এনে দেখ দেখ অন্যায়ৰ প্ৰতি যেতিয়া অসম বাসীয়ে ঘোৰ প্ৰতিবাদ কৰিলে তেতিয়াহে ৰেলৱে বিভাগৰ সুবুদ্ধি হল আৰু অসমত উত্তৰ পূৱ ৰেলৱে খণ্ড প্ৰতিস্থা কৰি ১৫।১।৬৮ তাৰিখে পাণ্ডুৰ মালি গাওঁত ইয়াৰ প্ৰধান কাৰ্য্যালয় পাতিবলৈ বাধ্য হয়। এই প্ৰধান কাৰ্য্যালয়ৰ পৰা গঢ় লৈ উঠিব পৰা বহুতো শাখা প্ৰশাখাৰ কাৰ্য্যালয় সচাঁ মিছা অনেক কাৰণৰ আজুহাত দেখুৱাই অসমৰ পৰা নি বাহিৰত প্ৰতিষ্ঠা কৰিছে। ইয়াৰ ফলত অসমক নাৰ্য্য প্ৰাপ্তিৰ পৰা বঞ্চিত কৰিছেই তদুপৰি ই অসমৰ বৰ্দ্ধিত নিবনুৱা সমস্যাতো পৰোক্ষে সহায়তা কৰিছে। আকৌ ৰেলৱে বিভাগে নতুন দৃষ্টি ভঙ্গী লৈ অসমৰ ৰেলৱে বিভাগটো কেইবাটাও নতুন ৰিভাগত বিভাজন কৰি অসমীয়া লোকে পূৰ্বে পোৱা সুবিধা কণৰ পৰা বঞ্চিত কৰাৰ মনোভাৱ দেখা গৈছে। অসমৰ আভ্যন্তৰীণ কাৰ্য্যৰ পৰিচালনাৰ কাৰ্য্যালয় অসমৰ বাহিৰত কাটিহাৰ নতুবা জলপাইগুৰিত স্থাপনৰ চিন্তা লৈ ৰেলৱে বিভাগে কি নতুন আৰু বহল দৃষ্টিভঙ্গী দেখুৱাবলৈ গৈছে? উত্তৰ পূৱ ৰেলৱে খণ্ডক যদি কিবা প্ৰশাসনীয় সুবিধাৰ কাৰণে বিভাগ কৰিব লগা হয়, তেনেহলে তাৰ প্ৰধান কাৰ্য্যালয় হব লাগিব অসমত, অসমৰ বাহিৰত নহয়।

অসমীয়া লোক সাহিত্যৰ অন্তৰ্গত "কাণী বুঢ়ী আৰু বেজৰ কথা" শীৰ্ষক সাধু কথাটোৰ দৰে কেন্দ্ৰীয় চৰকাৰে অসমক বেজ হৈ জাৰিয়ে আছে। কিন্তু কাণী বুঢ়ীৰ দৰে অসম এতিয়া অন্ধ হৈ থকা নাই। তেলৰ সাগৰ অসমত যেতিয়া গুৱাহাটীত কণ মাণি পয়ঁালগা শোধনাগাৰটোৱে অসমীয়া মানুহৰ চকু ঢাকি দি বৃহৎ শোধনাগাৰ এটাৰ কাৰণে বাৰাউনীলৈ মা বাপ নোহোৱাকৈ খাৰুৱা তেলৰ সোঁত বোৱাই দিবলৈ ধৰিলে— তেতিয়াৰে পৰা অসমৰ প্ৰতি জন নাগৰিকেই কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনাই আহিছে যে অসমৰ বুকুৰ তেজৰ শোধন অসমতে হব লাগিব আৰু সেইবাবেই অসমত দ্বিতীয় তেল শোধনাগাৰ এটা প্ৰতিষ্ঠা কৰক। কিন্তু প্ৰত্যুত্তৰত মেহতা মন্ত্ৰীয়ে একে যাৰতে কৈছিল— নহব, হব নোৱাৰে। অসমত তেলৰ বজাৰ নাই। (অসমবাণী) মেহতাই হয়তো বুজা নাছিল যে অসমত যদি তেলৰ বজাৰ নাই ভাৰতৰ আলিয়ে পদূলীয়ে দৌৰী ফুৰা গাড়ীবোৰ গঙ্গাৰ পবিত্ৰ পানীৰে চলাব নোৱাৰে। সেই একে প্ৰতিবেদনৰ উত্তৰ স্বৰূপে তেল দপ্তৰৰ মন্ত্ৰী শ্ৰীকে ডি মালব্যাই কৈছিল— অসমত তেলৰ বজাৰ নোহোৱাৰ বাবে তেল পাইপ যোগে আন ঠাইলৈ নি বিক্ৰি কৰিলে খৰচৰ মাত্ৰা আয়তকৈ বেচি হব। (অসমবাণী) কিন্তু মালব্যৰ এইটো ভাবি চাবলৈ বোধকৰো সময়ৰ অভাৱ হল যে, পাইপ লাইনেৰে অসমৰ খাৰুৱা তেল বিহাৰলৈ নি তাত শোধন কৰি দিল্লী, কলিকতা আদিত পাইপ যোগে বিক্ৰী কৰি ব্যয়তকৈ কিমানখিনি আয় হয়। ভুৱাৰে অসমবাসীক আৰু ঠগাব নোৱাৰে। এজন এজনকৈ দুজন তেল দপ্তৰৰ মন্ত্ৰীয়ে অব্যাহতি ললে।

কিন্তু অসমত দ্বিতীয় তেল শোধনাগাৰ হৈ নুঠিল। কেন্দ্ৰীয় চৰকাৰৰ ওচৰত সি কেৱল আলোচনাৰ বিষয় হৈয়েই থাকিল। সেই একে খন আসনতে বহিল ডঃ ত্ৰিগুণা সেন। তেওঁও অসমৰ ফালে পিঠি দি দিল্লীৰ পৰা মূৰকে ডাঙিব নোৱাৰা হ'ল। কিন্তু অসমৰ নায্য দাবীৰ তীব্ৰ নিনাদত অস্থিৰ হৈ অসমৰ বাহিৰৰ এটা বিশেষজ্ঞৰ দল অসমত দ্বিতীয় তেল শোধনা-স্থাপন সম্ভৱ হয় নে নহয় পৰীক্ষাৰ বাবে পঠিয়ালেঃ দল গঠন হ'ল; কিন্তু শোধনাগাৰ হোৱা নোহোৱাৰ সিদ্ধান্ত নিদি সময়ৰ ম্যাদ বাঢ়ি গৈ থাকিল। প্ৰথমে তিনিমাহ তাৰ পাছত পাচ মাহ, তাৰ পাছত অসমৰ জনতাই গম নোপোৱাকৈ এবছৰ আৰু তাৰ পাছত কেবা বছৰো। অসমীয়া লোকৰ কেন্দ্ৰীয় চৰকা-ৰৰ ওচৰত আস্থা কমি আহিল। অসমবাসীৰ নায্য দাবীক কেন্দ্ৰীয় চৰকাৰে অৱমাননা কৰিলে। অসমৰ ৰাইজ জ্বলি উঠিল; কিন্তু অসমীয়া ৰাইজ নামবৰ হাৰিৰ নাহৰ ফুটুকী বাঘ, কাজি-ৰঙাৰ গড়ৰ দৰে হিংস্ৰ খং থকা সত্বেও টিৰাপৰ হাতীৰ দৰে সেই খং দমন কৰি শান্ত হব পৰা গুণ থকাৰ কাৰণেই অন্যায়ক প্ৰশয় নিদি মহাত্মাজীৰ অহিংসা মন্ত্ৰক শিৰত লৈ গত বছৰৰ ১৫ চেপ্তেম্বৰৰ পৰা শৃঙ্খলাবদ্ধ আৰু শান্তিপূৰ্ণ, সত্যগ্ৰহ কৰি নায্য প্ৰাপ্তিৰ বাবে দাবী জনাইছে। দেখিলে সচাঁকৈয়ে পৃথিবীৰ প্ৰথম সত্যাগ্ৰহী যীশু নতুবা গান্ধীলৈ মনত পৰে। এই সত্যাগ্ৰহত জাতি ধৰ্ম্ম নিৰ্বিবিশেষে অসমৰ হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰী, বুঢ়া-মেঠা, যুৱক-যুৱতী, শিক্ষিত-অশিক্ষিত সকলো শ্ৰেণীৰ লোকে প্ৰতিদিনে কাৰাগাৰ বৰণ কৰি কেন্দ্ৰীয় চৰকাৰক দেখুৱইা দিছে যে অসমীয়াই নিজৰ স্বাৰ্থক কেতিয়াও দেশৰ স্বাৰ্থত কৈ উচ্চ স্থান নিদিয়ে। —অসমে প্ৰয়োজন হলে তেজ দিব, কিন্তু কোনো প্ৰৰোচনা বা ভয় দেখুৱাই অসমৰ তেল অসমৰ বাহিৰলৈ নিব নোৱাৰিব।

—অসমবাসীয়ে যেতিয়ালৈকে নায্য প্ৰাপ্তিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত চিঞৰি চিঞৰি ভাগৰি নপৰে তেতিয়ালৈ কেন্দ্ৰীয় চৰকাৰে অসমৰ কথা ভাবি নাচায়। আজি পাৰহৈ যোৱা চাৰিটা পৰিকল্পনাইও তাকে সূচাইছে। গতিকে অসমৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে অসম-বাসীৰ ঐক্যৰ ওপৰত, ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীৰ শৃঙ্খলাবদ্ধতা — ধৈৰ্য্য আৰু সাহসৰ ওপৰত। আৰু ৰাজ্যিক চৰকাৰৰ স্পষ্টবাদিতা আৰু নিৰ্ভীকতাৰ ওপৰত।

প্ৰতিবছৰে লুইতৰ পানী বাঢ়ি অহাৰ দৰে ভয়ঙ্কৰ ৰূপ লৈ বাঢ়ি অহা নিবনুৱা সমস্যাই অসমীয়া ৰাইজ তথা চৰকাৰৰ চিন্তাৰ বিষয় কৰি তুলিছে। নিবনুৱা সমস্যাৰ কথা ৰাজ্যিক চৰকাৰে কেৱল চিন্তাৰ বিষয় কৰি ৰাখিলেই নহব। এই সমস্যাৰ সমাধানৰ উপায় উলিয়াবই অনতিপলমে কাৰ্য্যত পৰিণত কৰিব লাগিব নহলে কেৰেলা ৰাজ্যৰ সমস্যাই যে অসমতো দেখা নিদিব তাত সন্দেহ নাই।

সমস্যাবহুল অসমত হাজাৰ সমস্যাৰ সন্মুখীন

সমস্যাবহুল অসমত হাজাৰ সমস্যাৰ সন্মুখীন হবলৈ অসমবাসী ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী, থাকিব লাগিব। তেখেতসকলৰ কন্তেকৰ দুৰ্ব্বলতাই অসম দেশ তথা অসমীয়া জাতিৰ নিচিহ্ন কৰি দিয়াৰ আশঙ্কা আছে। গতিকে ভূপেন দাৰ ভাষাৰে— "আমি অসমীয়া নহওঁ দুখীয়া বুলি সান্তনা লভিলে নহব।"

—জয় হিন্দ—

জোনৰ দেশত মাটিৰ মানুহৰ বিজয় দুন্দুভি—

সৌ সিদিনা ২১ জুলাই সোমবাৰে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নীল অল্ডেন আমষ্ট্ৰং, এডুইন এলড্ৰিন আৰু মাইকেল কলিন্সে বিজ্ঞানৰ সহায়ত (এপল' ১১ যান) মানুহৰ বুদ্ধি কৌশলেৰে ত্ৰৈলোক্যত কৰিব নোৱাৰা কাম যে একো নাই তাকেই প্ৰমাণ কৰি সুকলমে চন্দ্ৰলোকত অৱতৰণ কৰি মাটিৰ মানুহ মাটিলৈ ঘুৰি আহি বিশ্ব ইতিহাসত এক নতুন যুগৰ সূচনা কৰিলে। বিশ্বৰ লগতে আমাৰ এই অনুষ্ঠানেও সেইকেইগৰাকী বিশ্ব সাহসী পুৰুষলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

কলেজৰ ভিতৰ চৰা—

কানৈয়ান বন্ধুসকল,

সময়ৰ অগ্ৰগতিত সভ্যতাৰ গতিপথ দ্ৰুত গতিত আগ বাঢ়িছে। পৰিবৰ্ত্তন আৰু নতুনৰ জোৱাৰে বিশ্বজুৰি খলকনি তুলিছে। এনে এটি পৰিস্থিতিৰ সতে খাপ খুৱাই আগবাঢ়িবলৈ হলে আমি নিজকে সদা-সচেতন তথা সদা জাগ্ৰত কৰিবই লাগিব। এই সকলোবোৰ পৰিস্থিতিৰ সাহসেৰে সন্মুখীন হবলৈ হলে আমি নিজকে প্ৰস্তুত কৰি তোলাৰ লগে লগে উপযুক্ত নেতৃত্ব সংযত ব্যৱহাৰ, শৃঙ্খলিত পৰিচালনাৰ দ্বাৰা যাতে আমাৰ গতিপথ পৰিচালিত হয়, তালৈ তীক্ষ্ণ দৃষ্টি আৰোপ কৰাটো নিতান্তই বাঞ্চনীয়। দুৰ্ব্বল নেতৃত্ব তথা, বিশৃঙ্খলতাই সমাজৰ গতি পথ স্থবিৰ কৰি তোলে। আনহাতে শৃঙ্খলিত আৰু বলীষ্ঠ নেতৃত্বই সকলো সমস্যাৰে সন্মুখীন হৈ সমাজলৈ বৈপ্লৱিক পৰিবৰ্ত্তন আনে।

এই পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আমাৰ কানৈ কলেজৰ ভিতৰ চ'ৰালৈ এবাৰ ভুমুকি মাৰি চাওক। অসমৰ ভিতৰত এখন প্ৰথম শ্ৰেণীৰ প্ৰাচীন কলেজ হৈও, এইখন কলেজত যেনে ধৰণৰ শিক্ষামূলক পৰিবেশ (Academic-Atmosphere) এটা বিৰাজ কৰিব লাগিছিল তেনে হোৱা নাই। এনে পৰিবেশৰ বাবে প্ৰয়োজনীয় কেইটামান দিশৰ অভাৱৰ কথা চাওঁক—

(১) বিদ্যালয় গ্ৰন্থাগাৰ (College Library) শিক্ষানুষ্ঠানত ছাত্ৰৰ সুস্থ মানসিক পৰিবেশ এটাৰ সৃষ্টি কৰাত আটাইতকৈ প্ৰয়োজনীয় এটা সৰ্ববাঙ্গ সুন্দৰ পুথিভঁৰালৰ। ঠেক পৰিসৰ আৰু শৃঙ্খলিত পৰিচালনাৰ অভাৱত কলেজৰ শ শ ছাত্ৰ-ছাত্ৰীৰ বাবে এটা কিতাপৰ গুদাম ঘৰ (Book Store)

স্বৰূপহে হৈ পৰিছে। পুথিভঁৰাল কতৃপক্ষই প্ৰত্যেকটো বিষয়ৰ একোখন একোখনকৈ কিতাপৰ তালিকা ( List ) তৈয়াৰ কৰি আঁৰি দি ছাত্ৰই নোসোধাকৈ কিতাপখন আছেনে নাই জনো ৰাটো প্ৰয়োজন বোধ কৰা নাই। পুথি ভঁৰালৰ পঢ়া কোঠাত ( Reading Room ) কলেজ কতৃপক্ষই ফেঁন'ৰ প্ৰয়োজনীয়তাৰ কথা নাভাবেই নেকি! সেই কথা তেখেতসকলৰ এতিয়াও বিচাৰৰ অধীন হৈয়ে আছে কিন্তু আমি ভুক্তভোগী সকলে পঢ়া কোঠাত কেইখনমান ফেন'ৰ প্ৰয়োজনীয়তা বোধ কৰি অনতিপলমে ইয়াৰ ব্যৱস্থা কৰিবলৈ কতৃপক্ষক অনুৰোধ জনাইছো। ইয়াৰ উপৰিও দুহেজাৰ ছাত্ৰ-ছাত্ৰীৰ কিতাপ দিয়া নিয়া কৰিবৰ বাবে পুথি ভৰ্ঁালত দুজন কৰ্ম্মীয়ে যথেষ্ট নহয়! কৰ্ম্মী কম হোৱাৰ বাবে বহুতো ছাত্ৰ-ছাত্ৰীয়ে দুই তিনি দিন গৈ ও কিতাপ আনিব নোৱাৰি পাচলৈ কিতাপকে আনিবলৈ এৰি দিয়ে। সেইবাবে গ্ৰন্থাগাৰত ছাত্ৰ-ছাত্ৰী অনুপাতে কৰ্ম্মীৰ সংখ্যা বঢ়াবলৈ কলেজ কতৃপক্ষক টানি অনুৰোধ জনালো।

(২) দ্বিতীয়তে অসমৰ এইখন প্ৰাচীনতম কলেজৰ আজিও নিজা খেলপথাৰ এখন নোহোৱাটো বৰ লাজৰ কথা হৈছে। কলেজৰ পিছফালে পৰিথকা অৱশিষ্ট মাটিখিনি আজি ও সু-ব্যৱস্থাৰ অভাৱত অব্যৱহৃত হৈ পৰি আছে, যাৰ বাবে আমি আজিও খেলা-ধুলাৰ সাধাৰণ অনুশীলনীৰ বাবেও ৰেলৰে ৱৰ্কচপ (Railway workshop) কতৃপক্ষৰ মুখলৈ চাব লাগে। সেইবাবে অন্য খেল পথাৰ এখন যোগাৰ কৰিব নোৱাৰালৈকে, কলেজৰ পিচফালৰ ব্যৱহাৰৰ অনুপযোগী মাটিডোখৰতে মাটি পেলাই খেল পথাৰৰ উপযোগী কৰি লবৰ বাবে কলেজ কৰ্ত্তৃপক্ষই ভাৰি চোৱাটো কামনা কৰো।

(৩) ইয়াৰ উপৰিও কলেজ কেন্টিন্, ছাত্ৰ-ছাত্ৰীৰ কমন-ৰুম, বিজ্ঞানাগাৰৰ যান্ত্ৰীক আসোঁৱাহ আদি কলেজৰ ছাত্ৰ-ছাত্ৰী সকলৰ জীয়া সমস্যা। এই সমস্যা সমূহ দূৰ কৰিবৰ বাবে কৰ্ত্তৃপক্ষক অনুৰোধ জনাইছো।

(৪) চতুৰ্থতে ছাত্ৰী নিবাস আৰু ছাত্ৰ নিবাস দুটাৰ অসুবিধা বিলাক ভুক্তভোগীয়েহে অনুমান কৰিব পাৰে। গা ধোৱা ঘৰ কম আৰু পানীৰ সুব্যৱস্থা নোহোৱাত গা ধুবৰ বাবে কেতিয়াবা অপ্ৰাসঙ্গিক ঘটনাও নঘটা নহয়। কোনো এটা হোষ্টেলতে ফেনৰ ব্যৱস্থা নাই। জেঠ আহাৰৰ উত্তাপত একেটা কোঠাতে চাৰিজন কিমান কষ্টেৰে কটাব লগীয়া হয়, অলপ ভাবি চালেই গম পাব পাৰি। গতিকে কলেজ কৰ্ত্তৃপক্ষ আৰু হোষ্টেল কৰ্ত্তৃপক্ষক ইয়াৰ যেগেদি এই সমস্যাবিলাকৰ বাবে দৃষ্টিপাত কৰিবলৈ দৃষ্টি গোচৰ কৰিলো।

(৫) কোৱাকে কৈছো—কলেজৰ নতুন হোষ্টেলটোৰ কাম প্ৰায় শেষ হৈ আহিল। সম্ভৱ অহা বছৰৰ পৰা এই বাস ভৱনটো মুকলি

কৰা হব। মোৰ আগৰ সম্পাদকেও অনুৰোধ কৰিছিল আৰু মইয়ো পুণৰ কর্তৃপক্ষক অনুৰোধ কৰিছো যাতে আমাৰ কলেজৰ পৰা অব্যাহতি লৈ পৃথিৱীৰ পৰা মেলানি মগা মহান কবি জনাৰ স্মৰণার্থে নতুন ছাত্ৰাবাসটোৰ নাম "যতীন দুৱৰা ছাত্ৰাবাস" ৰখা হয়।

ইয়াৰ বাহিৰেও বহুতো ·দিশত কলেজখনলৈ এটা স্থবিৰতা আহি পৰিছে। এই এই বিষয়ে সজাগ হবৰ সময় হল। কলেজ খনক প্ৰকৃত শিক্ষাকেন্দ্ৰৰূপে জীৱন্ত পৰিবেশেৰে গঢ়ি তুলিবৰ বাবে ওপৰোক্ত সমস্যা কেইটি সমাধানৰ কাৰণে কলেজ কর্তৃপক্ষ তথা ছাত্ৰ শক্তি আগবাঢ়ি আহিব লাগিব। ছাত্ৰ-ছাত্ৰী সকলৰ একাগ্ৰতাৰ ওপৰতেই যি কোনো শিক্ষাকেন্দ্ৰৰেই ভৱিষ্যত নির্ভৰ কৰে। অসমৰ এমূৰৰ প্ৰাচীনতম লুইতপৰীয়া কলেজখনৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ একাগ্ৰতা, অধ্যৱসায় অধ্যয়ন আৰু অধ্যাপক সকলৰ অকৃত্ৰিম অনুপ্ৰেৰণাই নিশ্চয় কলেজখনৰ সৌন্দর্য্য দুগুনে বঢ়াই তুলিব।

সভাসমিতি ঃ—চলিত বছৰটোত ছাত্ৰ-ছাত্ৰী সকলৰ একান্ত একাগ্ৰতা আৰু অধ্যাপক সকলৰ অনুপ্ৰেৰণাত আমাৰ কলেজখনত অসমীয়া অধ্যয়ন চক্ৰ ইংৰাজী বিভাগৰ আলোচনা চক্ৰ বিজ্ঞান বিষয়ৰ আলোচনা চক্ৰ আৰু সংস্কৃত বিষয়ৰ কেইবাখনিও আলোচনা সুকলমে অনুষ্ঠিত হয়। কলেজখনৰেই সৌভাগ্য যে এনে এখন আলোচনা চক্ৰলৈকে গুৱাহাটী 'বিশ্ববিদ্যালয়ৰ জৱাহৰ লাল নেহেৰু অধ্যাপক ডঃ মহেশ্বৰ নেওগ দেৱ উপস্থিত থাকি "অসমীয়া নাট্য আন্দোলনৰ" বিষয়ে ভাষণ দি ছাত্ৰ ছাত্ৰী সকলক অনুপ্ৰাণিত কৰে। এনে ধৰণৰ আলোচনা চক্ৰ সমূহৰ যেন মৃত্যু নহৈ অধিক জীৱন্ত হৈ উঠে ইয়াকে কামনা কৰিলোঁ।

নতুন শিতানৰ বিষয়ে অলপমান— পৃথিৱী খনে পুৰণিক পৰিহাৰ কৰি নিতৌ নতুন পথেদি অগ্ৰসৰ হবলৈ ধৰিছে। যুগ ধৰ্ম্মক বাদ দি সাহিত্য সংস্কৃতি একো বৰ্ত্তি থাকিব নোৱাৰে। সেইবাবেই অতীতৰ আদৰ্শ চকুৰ আগত ৰাখি এইবাৰৰ আলোচনীখন গতানুগতিকতাৰ মাজৰ পৰা টানি আনি অলপ হলেও নতুন ৰূপ দিবলৈ চেষ্টা কৰিছিলো। কিমানখিনি সফল হৈছো, সেইটো বিচাৰ আপোনালোকৰ ওপৰত! নতুন শিতান কেইটাৰ সৃষ্টিত শ্ৰীযুত তৰুণ কুমাৰ গগৈ, শ্ৰীযুত বসন্ত কুমাৰ বৰা, শ্ৰীযুত অতুল শৰ্ম্মা, শ্ৰীমান কুমুদ ৰঞ্জন দাস আদি উদীয়মান সাহিত্যিক সকলৰ কষ্টৰ শলাগ লৈছো আৰু মোৰ অনুৰোধ ৰক্ষা কৰাবৰ বাবে আন্তৰিক শ্ৰদ্ধা আৰু শুভেচ্ছা জনাইছোঁ।

বেটুপাতৰ বিষয়ে— এইবাৰৰ আলোচনীখনৰ প্ৰচ্ছদপটৰ বাবে এখনি প্ৰতিযোগীতা অনুষ্ঠিত কৰি এটি সন্মানীয় বঁটা শ্ৰেষ্ঠ শিল্পীজনৰ বাবে আগবঢ়োৱা হৈছিল। প্ৰতিযোগীতাৰ বাবে পাচখন প্ৰচ্ছদপট মোৰ হাতত পৰিছিল। তাৰ ভিতৰত আলোচনী সম্পাদনা সমিতিৰ অনুমো-

দন ক্রমে শ্ৰীযুত লক্ষ্মী বৰগোহাঁইৰ বেটুপাত খনিয়েই মনোনীত হয় আৰু উপৰুক্ত বঁটাটি প্ৰদান কৰা হয়। শিল্পীজনাৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

আন্তৰিক প্ৰীতি শুভেচ্ছা আৰু শ্ৰদ্ধাৰ বাদে আৰুনো কি দিম— হাজাৰ সমস্যাৰ সন্মুখীন হৈও নিজৰ মৌলিক প্ৰতিভাক ব্যক্ত কৰি গল্প প্ৰবন্ধ, কবিতা আদিৰ নৈবেদ্য সম্ভাৰ যাচি আলোচনীখনি প্ৰকাশ কৰিবৰ সুবিধা দিয়াত লেখক-লেখিকা সকললৈ মোৰ আন্তৰিক শলাগ থাকিল। নিজৰ কামো কাটি কৰি উপদেষ্টা সকলে চাই চিতি, বুদ্ধি, ভাৰসা নিদিয়া হলে আলোচনীখন পোহৰৰ পথলৈ অনাত মোৰ বহুতো কষ্টই হ'লহেতেন। তেখেতসকলৰ সহায় সহানুভুতিৰ বাবে শ্ৰদ্ধাৰ বাদে আৰু নো কি দিম! আলোচনী সম্পাদনা কমিটিৰ সভ্য সকলৰ অকৃত্ৰিম সহানুভুতিৰ শলাগ লৈছোঁ। ইয়াৰ উপৰিও মোৰ আগৰ সম্পাদক শ্ৰীযুত তৰুণ ককাইদেউ আৰু নবীন সাহিত্যিক শ্ৰীযুত শ্ৰীযুত বসন্ত কুমাৰ বড়া দেৱে আলোচনীখন প্ৰকাশ কৰাত হাতে-কামে লাগি সকলো প্ৰকাৰে সহায় কৰাত তেখেত সকললৈ ধন্যবাদ যাচিলো। সৰ্ব্বশেষত সোণৰ অসম প্ৰেছৰ অধ্যক্ষ শ্ৰীযুত পদ্ম বিকাশ বৰগোহাঞিয়ে আলোচনীখনৰ ছপা আৰু ব্লকৰ কাম নিয়াৰিকৈ উলিয়াই দিয়াৰ বাবে শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰিলো। উক্ত প্ৰেছৰ কৰ্ম্মী শ্ৰীগৌৰী কান্ত শৰ্ম্মা আৰু লগৰ কৰ্ম্মী সকলৰ কৰ্ম্মকো সহাঁৰি জনাইছোঁ।

সদৌ শেষত কলেজৰ ছাত্ৰ-ছাত্ৰী সকলে এবছৰৰ বাবে আলোচনী খনৰ সম্পাদনা কৰাৰ সুবিধা দিয়াৰ বাবে তেখেত সকলৰ ওচৰত কৃতজ্ঞ। আলোচনীখনৰ ভাল বেয়াৰ বিচাৰ সহৃদয় পাঠক পাঠিকা সকলৰ ওপৰত। অজানিত ভুল-ত্ৰুটি বিলাকৰ কাৰণে পাঠক-পাঠিকা সকলৰ ওচৰত ক্ষমা বিচাৰিছো।

'চিৰ চেনেহী ভাষা জননী'ৰ বাহক কলেজ আলোচনীখনে যেন কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰী, অধ্যাপক অধ্যাপিকাৰ স্নেহ দৃষ্টিৰ পৰা বঞ্চিত নহয় এয়ে সম্পাদকৰ আন্তৰিক প্ৰাৰ্থনা।

—ধন্যবাদ—

শ্ৰীভীম কান্ত বৰগোহাঁঞি
সম্পাদক,
আলোচনী।

সমাপ্ত

# প্ৰবন্ধ

তেতিয়াই সেইথন দেশ সভ্যদেশ হিচাবে পৰিগণিত হয় । সেই সভ্যদেশ খনৰ এখন সমাজে সাহিত্য বা কলা যি কোনো এটাকে বাদ দিব নোৱাৰে । এই ক্ষেত্ৰত সাহিত্যৰ অৱদান অধিক প্ৰযোজ্য । সাহিত্যই এটা যুগৰ সভ্যতাক আন এটা যুগলৈ কঢ়িয়াই নিব পাৰে । আৰু পিচৰ যুগৰ উত্তৰাধিকাৰীসকলে উপস্থাপিত হব পাৰিছিল । পৃথিবীৰ সৰ্বপ্ৰথম সভ্যতা হিচাবে গ্ৰীক্ সভ্যতাক স্থান দিয়া হয় আৰু তাৰ পিচতেই সিন্ধু অৰ্থাৎ ভাৰতীয় সভ্যতাক ধৰিব পাৰি । সেই সময়ত ভাৰতীয় সভ্যতাই সকলো দিশৰে পৰা উন্নতি লাভ কৰিছিল । ভাস্কৰ্য্য, স্থাপত্য, কলা, শিল্পৰ লগতে সাহিত্যইও চৰম বিকাশ লাভ কৰিছিল ।

# সংস্কৃত সাহিত্যত গীতি কবিতা

শ্ৰীলক্ষহীৰা গগৈ।
প্ৰাক্তন কানৈয়ান

স্থষ্টিকৰ্ত্তাই মানৱক মৰ্ত্ত্যলৈ দি পঠালে অসীম ক্ষুধা—উদৰৰ, মনৰ উভয়ৰে। উদৰ পূৰণৰ পাচতেই মানৱৰ মন ধাবিত হল সৌন্দৰ্য্যৰ সন্ধানত আৰু এই সৌন্দৰ্য্য পিয়াসী মানৱৰ চেষ্টাৰ অৱদান স্বৰূপে জগতে পালে সভ্যতা। সভ্যতাৰ চৰম দিনটো হল বিজ্ঞান সাহিত্য কলা-কৃষ্টিৰে সুসমৃদ্ধ এখন সমাজ। এখন দেশৰ প্ৰত্যেকখন সমাজেই যেতিয়া সকলো দিশৰে পৰা পৰিপুষ্টি লাভ কৰে তেতিয়াই সেইখন দেশ সভ্যদেশ হিচাবে পৰিগণিত হয়। সেই সভ্যদেশ খনৰ এখন সমাজে সাহিত্য বা কলা যি কোনো এটাকে বাদ দিব নোৱাৰে। এই ক্ষেত্ৰত সাহিত্যৰ অৱদান অধিক প্ৰযোজ্য। সাহিত্যই এটা যুগৰ সভ্যতাক আন এটা যুগলৈ কঢ়িয়াই নিব পাৰে। আৰু পিচৰ যুগৰ উত্তৰাধিকাৰীসকলে পূৰ্ব্বপুৰুষ সকলৰ জ্ঞান গভীৰতাৰ মৌ পান কৰিবলৈ সক্ষম হয় কাৰণ সাহিত্য হল মানৱ জীৱনৰ বিশ্লেষণ। এই দৰেই দোপত দোপে পৃথিৱীৰ বিভিন্ন দেশে আজিৰ এই সভ্যতাৰ চৰম উন্নতিৰ শিখৰত আৰোহন কৰিবলৈ সক্ষম হৈছে।

এই ক্ৰমবৰ্দ্ধমান জগতৰ বিভিন্ন দেশে যেতিয়া সভ্যতাৰ মধ্যাহ্নত উপনীত হৈছিল তেতিয়াই ভাৰতীয় সভ্যতাই চৰম শিখৰত উপস্থাপিত হব পাৰিছিল। পৃথিৱীৰ সৰ্বপ্ৰথম সভ্যতা হিচাবে গ্ৰীক্ সভ্যতাক স্থান দিয়া হয় আৰু তাৰ পিচতেই সিন্ধু অৰ্থাৎ ভাৰতীয় সভ্যতাক ধৰিব পাৰি। সেই সময়ত ভাৰতীয় সভ্যতাই সকলো দিশৰে পৰা উন্নতি লাভ কৰিছিল। ভাস্কৰ্য্য, স্থাপত্য, কলা, শিল্পৰ লগতে সাহিত্যইও চৰম বিকাশ লাভ কৰিছিল।

এখন দেশৰ সভ্যতাক ভালদৰে জানিবলৈ হলে বিশেষকৈ অধ্যয়ণ কৰিব লাগিব সেই দেশৰ সাহিত্যক। কাৰণ সাহিত্যত সেইখন দেশৰ সভ্যতা অঙ্কিত হৈ থাকে। সাহিত্য হল ব্যক্তিত্বৰ প্ৰকাশ। প্ৰত্যেক জন ব্যক্তিয়েই সমাজৰে এজন আৰু তেখেত সকলৰ লিখনিত ফুটি উঠে সেইখন সমাজৰ দোষ গুণ, কৃষ্টি-কলা আদি। সাহিত্যই জাতিৰ গুৰি ধৰোতা আৰু এই সাহিত্যৰ মাধ্যম হল ভাষা। ভাৰতীয় সভ্যতাৰ গুৰিধৰোতা ভাৰতীয় সাহিত্যৰ ভাষা আছিল 'সংস্কৃত' যিটোক আজি সমগ্ৰ পৃথিবীয়ে ভাৰতৰ 'মূল' ভাষা বুলি অভিহিত কৰিছে। আজি ভাৰতত যিমানবোৰ ভাষা প্ৰচলিত সকলোৰে মূল হল সংস্কৃত ভাষা, যদিও ইয়াক মৃতভাষা বুলি অৱহেলা কৰা হয়। এই ভাষাৰ অধ্যয়ণৰ জৰিয়তেহে আমাৰ দেশৰ সভ্যতাৰ বিষয়ে জানিব পাৰো। সেয়ে সংস্কৃত সাহিত্যৰ এটা অঙ্গ গীতি কবিতাৰ বিষয়ে কবলৈ লোৱা হৈছে। গীতি কবিতাৰ জৰিয়তে আমি এখন দেশৰ মানৱ সমাজৰ বিষয়ে জানিব পাৰো।

পৃথিৱীৰ সকলো সাহিত্যতে গীতিকবিতা দেখিবলৈ পোৱা যায়। ইংৰাজী অসমীয়া আদিৰ দৰে সংস্কৃত সাহিত্যতো গীতি কবিতাৰ অভাৱ নহয়। এই গীতি কবিতাবোৰক ইংৰাজীত Lyric আৰু ballad অৰ্থাত কাহিনী গীত বুলি কোৱা হয়। গীতি কবিতাবোৰক গীতি হিচাবে ব্যৱহাৰ কৰা হয়। গীতি কবিতাবোৰ হল কোনো ব্যক্তিৰ স্বকীয় ভাৱৰ প্ৰকাশ। এই গীত মাতবোৰক বাদ দিলে সাহিত্য পূৰ্ণাঙ্গ হব নোৱাৰে। অতীতত সংস্কৃত সাহিত্যত সকলো ধৰণৰ ৰচনাকেই 'কাব্য' আখ্যা দিয়া হৈছিল সি গদ্যতেই ৰচিত হওক বা পদ্যতেই ৰচিত হওক। কিন্তু আধুনিক যুগত কেৱল পদ্য ৰচনাকেইহে কাব্য আখ্যা দিয়া হয়। সেয়ে আমাৰ আলোচ্য বিষয় গীতিমূলক কবিতাবোৰকো গীতি কাব্য ৰূপে পৰিগণিত কৰা হৈছে। এই গীতবোৰ পদ্যত ৰচিত।

সংস্কৃত গীতি কবিতাবোৰক দুটা শ্ৰেণীত ভগাব পাৰি—যেনে ধৰ্ম্মমূলক আৰু প্ৰেমমূলক। সংস্কৃত সাহিত্যত গীতি কবিতাৰ আভাস পোৱা যায় ঋক্‌বেদ আৰু অথৰ্ববেদত আৰু অন্যহাতে কাহিনী গীত সমূহৰ সুঘ্ৰাণ পোৱা যায় পালি সাহিত্যবোৰত। পতঞ্জলীৰ সময়ত পালি নীতি-কাব্য 'থেৰগাঠা' আৰু 'থেৰী গাঠা' আদিত নামমাত্ৰ আভাস পোৱা যায়। গীতি কবিতা নো কেনে তাক কোৱা হৈছে—গীতি কবিতা হল চমু লালিত্যপূৰ্ণ, গভীৰ আবেগপূৰ্ণ ভাৱৰ প্ৰয়োগ। ইহঁত কম বৰ্ণনামূলক নাইবা একেবাৰেই বৰ্ণনামূলক নহয়। প্ৰেম বিষয়ক (Erotic) কবিতাবোৰ শৃঙ্গাৰ ৰসেৰে সমৃদ্ধ আৰু ভক্তিমূলক (Religious) কবিতাবোৰ লিখকৰ ভক্তিভাৱৰ দ্বাৰা আপ্লুত। ঋক্‌বেদৰ সূক্তবোৰেই এই শ্ৰেণীৰ নিদৰ্শন। ভাৰতৰ দুই মহাকাব্যত এনেধৰণৰ কিছুমান কবিতা পোৱা যায়।

সংস্কৃত গীতি কবিসকলৰ সৃষ্টিৰ প্ৰধান উদ্দেশ্য প্ৰচলিত কিছুমান কাহিনীক ৰূপ দিয়াটো নহয়, এইবিলাক হ'ল প্ৰেম-প্ৰীতি নাইবা ৰসৰ চমু বৰ্ণনা। সহানুভূতিশীল অন্তৰেৰে আনৰ দুখবোৰৰ সুন্দৰ প্ৰয়োগৰ দ্বাৰা গীতি

কবি সকলে প্ৰকৃতি আৰু মানৱক এটা অবিচ্ছেদ্য ৰূপত ৰূপ দিবলৈ প্ৰয়াস কৰে। সংস্কৃত গীতিকবিতাৰ উন্নতি হৈছে সময়ৰ উন্নতিৰ লগে লগে।

সংস্কৃত সাহিত্যত গীতি কবিতাক স্পষ্ট ৰূপত দেখিবলৈ পোৱা যায় সম্ভৱতঃ কালিদাসৰ লিখনিত। 'শৃঙ্গাৰ তিলক'ক কালিদাসৰ নামত অভিযুক্ত কৰা হয় যদিও ই সম্পূৰ্ণৰূপে অনুপযুক্ত ইয়াত একুৰি তিনি ফাকি কবিতাৰ মাজেদি এটি আকৰ্ষণীয় প্ৰেমৰ ছবি ফুটি উঠিছে, কবিয়ে কঠুৰ হৃদয়া প্ৰিয়াক উদ্দেশ্য কৰি কৈছে—

"ইন্দিবৰেণ নয়নং মুখম্ অম্বুজেন ; কুন্দেন দন্তমধৰং নৱপল্লৱেন।
অঙ্গাণি চম্পকদলৈঃ স বিধ্যায় বেধাঃ ; কান্তেকথং ঘটিতৱান্ উপলেন চেতঃ॥

অৰ্থাৎ "তোমাৰ চকু নীলপদ্ম, তোমাৰ মুখ অম্পৰা সদৃশ, তোমাৰ দাঁত শেৱালী ফুলৰ দৰে, তোমাৰ অধৰ নৱপল্লৱৰ দৰে আৰু অঙ্গ সমূহ চম্পক গছৰ পাতৰ দৰে। কোৱাচোন প্ৰিয়া, ভগৱানে কেনেকৈ তোমাৰ হৃদয়খন শিলৰ দৰে কঠোৰ কৰি সৃষ্টি কৰিলে।" এই কবিতাবোৰ প্ৰকৃততে সুন্দৰ কিন্তু খুব সম্ভৱ কালিদাসৰ সৃষ্টি নহয়।

তুলনামূলক হিচাবে কম আকৰ্ষণীয় গীতি কাব্য হল ঘটকৰ্পৰ। ইয়াৰ বাইশ ফাকি কবিতাত কেনেকৈ এগৰাকী যুৱতী পত্নীয়ে সেইসময়ত অনুপস্থিত যুৱাপতিলৈ বৰষাৰ আৰম্ভণীতে ডাৱৰৰ যোগেদি বাৰ্ত্তা পঠাইছে। মেঘদূতৰ সম্পূৰ্ণ বিপৰীত পৰিবেশ ফুটি উঠিছে। কবি ঘটকৰ্পৰৰ নামেৰেই এই কবিতা পুথিখনৰ নামাকৰণ কৰা হৈছে। কবি ঘটকৰ্পৰ খুব সম্ভৱ বিক্ৰমাদিত্যৰ ৰাজসভাৰ নৱৰত্নৰ এজন অৰ্থাৎ কালিদাসৰ সমসাময়িক আছিল। জেক্‌বীৰ মতে ঘটকৰ্পৰ লিখনি কালিদাসতকৈ আগ কিন্তু ই সিমান অনুমোদনীয় নহয়। ঘটকৰ্পৰ পাচতেই 'ময়ুৰ'ক গীতিকবি হিচাবে স্থান দিব পাৰি। এইজনা কবি সপ্তম শতিকাৰ ৰজা হৰ্ষবৰ্দ্ধনৰ ৰাজকবি আৰু কবি বাণভট্টৰ শশুৰেক আছিল, যি সময়ত মাতঙ্গ দিবাকৰে দুয়োজনকে জয় কৰিছিল। কাহিনীত পোৱামতে এই কবিজনাই তেখেতৰ জীয়েকৰ সৌন্দৰ্য্য ইমান সুক্ষ্মভাৱে বৰ্ণনা কৰিছিল যে তেওঁ খঙতে তেখেতক অভিশম্পাত দিলে, যাৰ ফলত কবিজনাই কুষ্ঠৰোগত ভুগিব লগা হয়। আৰু তেতিয়াই এই পাপমুক্তিৰ অৰ্থে সূৰ্য্যদেৱতাৰ স্তুতিৰ বাবে এশফাকি কবিতাৰে সমৃদ্ধ 'সূৰ্য্যশতক' নামে এখনি কাব্য ৰচনা কৰে, যাৰ ফলত সেই দুৰাৰোগ্য ৰোগৰ পৰা নিষ্কৃতি পায়।

কালিদাসৰ লিখনিত গীতি কবিতা পুথিৰ আকাৰত ঋতু সংহাৰ আৰু মেঘদূতক আমি পাওঁ। এই দুয়োখন কাব্যৰ কবিতাবোৰৰ জনপ্ৰিয়তা আৰু আকৰ্ষণীয় মধুৰ সুৰে পৰবৰ্ত্তী কবিসকলক প্ৰভাবান্বিত কৰিছিল আৰু ইয়াৰেই ফলস্বৰূপে 'সন্দেশ কাব্য'ৰ সৃষ্টি হল। ঋতুসংহাৰ হল যুৱা কবিৰ অপৈণত লিখনিৰ আৰু মেঘদূত হল পৈণত লিখনিৰ সৃষ্টি। 'মেঘদূত'ত যক্ষই তেওঁৰ গুপুত প্ৰেমৰ বতৰা বৰষাৰ আৰম্ভণিতে ডাৱৰক তেওঁৰ প্ৰেমিকাৰ ওচৰলৈ লৈ যাবলৈ অনুৰোধ কৰিছে। এই

কবিতাবোৰ গীত আকাৰত ভাৰতীয় সকলৰ মুখত শুনিবলৈ পোৱা যায়। এই শ্রেণীৰ (Erotic) কবিতাৰ প্ৰধান কাব্য হল 'ধূয়ীৰ' পবনদূত। ইয়াত গন্ধৰ্ব্ব বালিকা কুৱলয়বতীৰ দ্বাৰা ৰজা লক্ষ্মণসিংহলৈ পঠোৱা বাতৰিৰ বৰ্ণনা কৰা হৈছে। মেঘদূতৰ দ্বাৰা প্ৰভাবান্বিত আন এখন কাব্য হল 'হংস সন্দেহ' ইয়াৰ ৰচক চতুৰ্দ্দশ শতিকাৰ কবি বেঙ্কটনাথ। উদ্দান কবিয়ে 'কোকিল সন্দেহ' নামৰ গ্ৰন্থ ৰচনা কৰিছিল। বামনভট্ট বানৰ 'হংসদূত'ও এই ক্ষেত্ৰত উল্লেখযোগ্য। শৃঙ্গাৰ তিলকৰ লগতে 'পুষ্পবানবিলাস' ৰাক্ষস কাব্যবোৰত কালিদাস-ৰেই সৃষ্টি বুলি কোৱা হয়। কিন্তু আগতেই কৈ অহা হৈছে ইয়াৰ প্ৰমাণ নাই বুলি।

কালিদাসৰ পিচতেই এই শ্রেণীৰ কবিতাৰ ভিতৰত ভৰ্ত্তৃহৰিৰ 'শতক'ক শ্রেষ্ঠ আসন দিব পাৰি য'ত নেকি ভাৰতীয় কবিৰ কবিত্বৰ বিকাশ হৈছে। এই 'শতক'ক তিনিটা ভাগত ভগাব পাৰি 'সঙ্কলন হিচাবে পাওঁ আৰু প্ৰত্যেক খণ্ডই বিভিন্ন ছন্দত ৰচিত এশফাকিকৈ কবিতাৰ সংগ্ৰহ। প্ৰেমৰ ছবি 'শৃঙ্গাৰ শতক'ত, পাৰ্থিব বস্তুৰ প্ৰতি অনাকৰ্ষণ 'বৈৰাগ্য শতক'ত আৰু সুগভীৰ জ্ঞানৰ প্ৰয়োগ 'নীতিশত'কত দেখিবলৈ পোৱা যায়। সাধাৰণতে এখেতৰ কবিতাবোৰ প্ৰেমৰ গীতিকবিতা হিচাবে জন-প্ৰিয় আৰু ইয়াৰ কিছুমান কবিতা পিচৰ কবি সকলৰ লিখনিত দেখা যায়।

ভৰ্ত্তৃহৰিৰ পিচতেই গীতিকাৰ 'অমৰু'ক স্থান দিব পাৰি। এইজনা কবিৰ কাপৰ পৰা ওলোৱা পুথি হল এশফাঁকি কবিতাৰে সংগঠিত 'অমৰুশতক' ইয়াৰ প্ৰায় অৰ্দ্ধভাগ সৰ্ব্বসাধাৰণৰ মুখত শুনিবলৈ পোৱা যায়। আনন্দবৰ্দ্ধনাচা-ৰ্য্যৰ (অলঙ্কাৰিক) মতে এই লিখনিক উচ্চস্থান দিব পাৰি। ইয়াৰ প্ৰমাণ স্বৰূপে এফাঁকি সাৰগৰ্ভ থকা কবিতাৰ উদ্ধৃতি দিয়েই ক্ষান্ত হৈছে। অলঙ্কাৰিক ৰাসনাচাৰ্য্যইও লিখকৰ নাম উল্লেখ নকৰাকৈ তিনিফাকি কবিতাৰ উদ্ধৃতি দিছে। এই সকলোবোৰৰে পৰা জানিব পাৰি কবিজনা ৭৫০ চনৰ আগৰ হব। এই কবিতাবিলাকত ভাৰতীয় প্ৰেমৰ নিদৰ্শন পোৱা যায়। 'অমৰু'ৰ প্ৰেম হল উচ্চমনৰ, স্ফূৰ্ত্তিপ্ৰদ আৰু মৰমৰ অভিমানেৰে আনন্দদায়ক, কিন্তু অৱশেষত হব লাগিব মধুৰ মিলন। কবিয়ে নিচিন্তু হৈ যোৱা প্ৰেমক বৰ্ণনা কৰিছে। প্ৰেমি-কাৰ খং উঠিব পাৰে, কিন্তু তেওঁ দয়ালু আৰু তেতিয়াহে খঙাল হব পাৰে যেতিয়াই নেকি প্ৰেমিকে কৃত্ৰিম খংটোকে গভীৰ ভাবে লয়—

কথমপি সখী কোপাৎ ব্ৰজেতি ময়োদিতে<br>
কঠিনহৃদয়ঃ ত্যক্ত্বা শয্যাং বলাদ্গত ইব সঃ<br>
ইতি সৰভঙ্গন্ধস্ত্ৰপ্ৰেম্নি ব্যগেত ঘৃণে স্পৃহম্<br>
পুনৰপি হতব্ৰীঢ়ং চেতঃ কৰোতি কৰোমি কিম্?

'বন্ধু' কৃত্ৰিম খঙেৰে মই মোৰ প্ৰিয়তমক কলো—'আতৰি যোৱা' আৰু তৎক্ষণাতে কঠোৰ হৃদয়ী গৰাকী মোৰ ওচৰৰ পৰা উঠিল আৰু গুচি গ'ল। আৰু এতিয়া মোৰ নিৰ্ল্লজ মনে সেই ক্ৰূৰ মনৰ গৰাকীৰ বাবে কান্দি উঠে, যিজনে অতি সহজেই আমাৰ প্ৰণয়ক চুৰমাৰ কৰি দিব পাৰিছিল। আৰু মই, এতিয়া কি কৰিব পাৰো?' অৰ্থাৎ সেই অহঙ্কাৰী গৰা-কীক পুনৰ মৰমেৰে ওভতাই আনিবলৈ সংকল্প

কৰিছে।

'বিক্ৰমাঙ্কদেৱচৰিত'ৰ লিখক বিল্হনে 'চৌৰপঞ্চাচিকা' নামৰ এখনি সুন্দৰ গীতি কাব্য আমালৈ এৰি গৈছে। এই গ্ৰন্থখনৰ নাম খুব সম্ভব চৌৰিচুৰত পঞ্চাচিকা আৰু পঞ্চাচ ফাঁকি কবিতাৰ সংগঠন, যাৰ মাজেদি ফুটি উঠিছে এটি গুপুত প্ৰেমৰ কাহিনী। এই কবিতা বিলাকত কাশ্মীৰ আৰু দক্ষিণ ভাৰতৰ চিত্ৰাঙ্কণ কৰিছে। কোৱা হয়— কবিয়ে গুপুতভাৱে ৰাজকুঁৱৰীৰ লগত প্ৰণয় উপভোগ কৰিছিল আৰু তাৰেই বৰ্ণনা কবিতা আকাৰে লিখি গৈছিল। কিন্তু ৰজাই যেতিয়া এই ঘটনাৰ উদ্ঘাটন কৰিলে, লগে লগে কবিজনাক মৃত্যু দণ্ডৰ আদেশ দিলে। কবিয়ে তেতিয়া কুৰঁৱীৰ লগত শেষ মিলনৰ ওপৰত ৰচা কবিতাবোৰ আবৃত্তি কৰাত ৰজা ইমান মুগ্ধ হল যে তাৰ পুৰস্কাৰ স্বৰূপে নিজৰ কন্যাকে কবিজনালৈ বিয়া দিলে। সেই কবিতাবোৰৰ এফাকি কবিতা হল—

"অদ্যাপি মে বৰতনুৰ্মধুৰাণি তস্যা; যানি অৰ্থবন্তি
ন চ যানি নিৰৰ্থকানি।
নিদ্ৰানিমিলিতদৃশো মদমন্থৰায়াঃ; তানি অক্ষৰাণি
হৃদয়ে কিমপি ধ্বনন্তি॥"

"আজি মাত্ৰ এইয়া মোৰ অন্তৰত বাজি আছে শব্দবোৰ— অৰ্থপূৰ্ণ হওক বা নিৰৰ্থপূৰ্ণই হওক— মোৰ সুন্দৰীৰ যেতিয়া তেওঁৰ চকুযোৰ মুদখাই গৈছিল আৰু প্ৰণয় ক্ৰিয়াত গভীৰ হৈ পৰিছিল।" ইত্যাদি ইত্যাদি।

ৰজা লক্ষ্মণসেনৰ ৰাজকবি গোবৰ্দ্ধনেও আৰ্য্যশপ্তশতী নামে এখনি গীতি কাব্য ৰচনা কৰে। ই সাতশ ফাকি কবিতাৰ সংগ্ৰহ, গীতবোৰ প্ৰেমমূলক আৰু আৰ্য্যছন্দত ৰচিত। এই কবিতাবোৰৰ কিছুমান শাৰী বৰ দুৰ্ব্বল আৰু তাক সংশোধন কৰে তেখেতৰ ভাতৃদ্বয় উদয়ণ আৰু বালভদ্ৰই। কিন্তু তথাপিও নিঃসন্দেহ হব নোৱাৰি, এটা অনুমোদনীয় মনোভাৱ ৰূপগোস্বামীয়ে উদ্ধৃত কৰা এফাকি কবিতাৰ পৰা জানিব পাৰি——

পান্থঃ দ্বাৰবতীম্ প্ৰয়াসী যদি হি তদদেবকীনন্দনো
বক্তব্যঃ স্বৰমোহমন্ত্ৰোবিবশা গোপ্যোহপি নামো-
ঝিতাঃ,
এতাঃ কেলিকদম্বধূলিপঠলৈৰালোকশূন্যাদিশঃ
কালিন্দিতটভোমায়োহপি তব ভো নায়াস্তি
চিতাস্পদম্॥

"হে আগন্তুক যদি তুমি দ্বাৰবতীলৈ যোৱা দেৱকীৰ পুত্ৰক প্ৰাৰ্থনা কৰি কবা "তুমি কেতিয়াও সেই গোৱালিনী সকলৈ নাভাবেনে যিসকলক তুমি প্ৰেমৰ সম্মোহনী বাণৰ দ্বাৰা দাৰুণ শক্তিহীনা কৰিছিলা নাইবা সেই কালিন্দী নদীৰ পাৰলৈ মনত নপৰেনে যত আকাশ কদম্ব ফুলৰ ৰেণুৰ দ্বাৰা ধুসৰিত হৈছিল আৰু যাৰ লগত তুমি খেলিছিলা।" এইবিলাক প্ৰেমমূলক (Secular) কবিতাৰ লগে লগে ধৰ্ম্মমূলক আৰু দৰ্শনমূলক গীতি কবিতাবো সংস্কৃত সাহিত্যত উন্নতি হৈছিল।

বৈদিক কবিসকলে দেৱতাৰ প্ৰাৰ্থনাৰ্থে ৰচা সুক্তবিলাকক গীতিকবিতা হিচাবে আখ্যা দিব পাৰি। কবি বাণভট্টই 'শত্ৰিশতক' নামে এখন গীতিকাব্য ৰচনা কৰে। এই গ্ৰন্থখন ২০২ ফাকি কবিতাৰ সংগ্ৰহ আৰু প্ৰত্যেক ফাকি কবিতাকেই পাৰ্ব্বতীক সম্বোধন কৰি ৰচা হৈছে।

বাণভট্টৰ পাচতে ময়ূৰৰ 'সূৰ্য্যশতক'ক ধৰ্ম্মমূলক গীতিকবিতা হিচাবে স্থান দিব পাৰি। প্ৰায় এশফাকি কবিতাৰে সূৰ্য্যদেৱতাক অৰ্চনা কৰিছে। মাতঙ্গ নামে এজন জৈন সন্ন্যাসীয়ে 'ভক্তামৰুস্তত্ৰ' নামে এখন কাব্য ৰচনা কৰে। অন্য এখন ধৰ্ম্মমূলক গীতি কাব্য হল 'মূক'কবিৰ 'পঞ্চশতী'। এই গ্ৰন্থখন পাঁচটা ভাগত বিভক্ত আৰু প্ৰত্যেক খণ্ডতে এশফাকিকৈ কবিতা আছে। তেখেতৰ ৰচনাশৈলী উচ্চ খাপৰ। ধৰ্ম্মমূলক আৰু পবিত্ৰ আন এখন গ্ৰন্থ হল কুলশেখৰৰ 'মুকুণ্ডমালা'। ইয়াৰ ৰচনা ৰীতি সৰল আৰু প্ৰকাশভঙ্গী আন্তৰিকতাপূৰ্ণ আৰু ভক্তিপূৰ্ণ। কাশ্মিৰীকবি ৰত্নাকৰে 'বক্ৰোক্তিপঞ্চচিকা' নামৰ পঞ্চাশ ফাকি কবিতাৰ দ্বাৰা ৰচিত কাব্যত ভাষাৰ প্ৰাচুৰ্য্য দেখুৱাইছে। নিম্ন উল্লেখিত কবিতা ফাকি পৰিমিত হিচাবে সহজ। পাৰ্ব্বতীয়ে শিৱক সম্বোধন কৰি কৈছে ——

ত্বম মে নাভিমতো ভবামি সুতনু শ্বশ্ৰ্ৰা অৰশ্চ্যং মতঃ
সাধুক্তং ভৱতা ন মে ৰোচিত ইতি অত্ৰ
ব্ৰুবেহহম পুনঃ।
মুগ্ধে নাম্নি নমেৰুণা ননু চিতঃ প্ৰেক্ষস্ব মাং পাতুভো
বক্ৰোক্তেতি হৰো হিমাচলভূবেং স্মেৰাননাং মুকয়ম্॥

"তোমাক আৰু মই ভাল নাপাওঁ" "হে সুতনু এইটো সত্য শাহু আইয়ে মোক মৰম কৰে।" "স্পষ্টকৈ কলে, কিন্তু মই দ্বিতীয়বাৰ উল্লেখ কৰিছো; তুমি মোৰ চকুত আহ্লাদ দায়ক নহয়। "কিন্তু হে প্ৰিয়তম্ তুমি চোৰা, মই নমেৰু ফুল পিন্ধা নাই।" সেয়ে শিৱই বাক্ চাতুৰ্য্যৰ দ্বাৰা হিমালয় কন্যাৰ হাস্যমুখ ম্লান কৰি দিছিল— সেইজন তোমাৰ প্ৰতি প্ৰসন্ন হওক। ইত্যাদি।

শেষত শ্ৰেষ্ঠ সংস্কৃত গীতিকবি জয়দেৱ ৰজা লক্ষ্মণসেনাৰ ৰাজকবি আছিল। তেখেতে গোবৰ্দ্ধন আদি কবিসকলৰ সৈতে ৰাজসভা শুৱনি কৰিছিল। তেখেতৰ শ্ৰেষ্ঠ সৃষ্টি হল 'গীতগোবিন্দ'। এই গীতবোৰ বৃন্দাবনৰ মূৰব্বী গোবিন্দক লৈ ৰচিত। এই গীতবোৰ গৱখীয়া সকলৰ মুখত ব্যৱহাৰ কৰিছে গোবিন্দৰ বন্দনা হিচাবে। এই গোবিন্দক 'অষ্টাপদী' নামেৰেও অভিহিত কৰা হয়। এই গীতবোৰ সাধাৰণতে আঠোটা পদ বা শাৰীত ৰচিত। ইয়াত কৃষ্ণ আৰু ৰাধাৰ প্ৰণয়ৰ বিভিন্ন অৱস্থাবোৰৰ বৰ্ণনা কৰিছে।

গীতগোবিন্দৰ ৰচনা ৰীতি অতি বুদ্ধিমত্তাৰে পৰিপূৰ্ণ। গীতবোৰত একে সুৰকেই বাৰম্বাৰ ব্যৱহাৰ হোৱাত এটি মধুৰ সুৰৰ ঝঙ্কাৰ উঠিছে। ইয়াত কৃত্ৰিমতাৰ আবেশ নাই। ইয়াৰ গীত পদবোৰ যথেষ্ট জটিল আৰু সমাসবদ্ধ। গতিকে এই গীতবোৰ সাধাৰণতে গৱখীয়াৰ কাৰণে কঠিন, কিন্তু ইয়াৰ সুন্দৰ শব্দযোজনাই ইয়াৰ কঠিনতাটো ঢাকি ৰাখিছে। প্ৰেমিক প্ৰেমিকাৰ মনোবিজ্ঞান আৰু তাৰ ওপৰত প্ৰকৃতিৰ প্ৰভাৱ নিখুঁতভাৱে কৰিয়ে বৰ্ণনা কৰিছে। এই সকলো ফালৰ পৰা চাবলৈ গলে জয়দেৱক গীতিকবি হিচাবে পৃথিবীৰ ভিতৰতে শ্ৰেষ্ঠ স্থান দিব পাৰি।

এই গীতিকবিতাবোৰ ভাৰতীয় সকলৰ মনত আজিও বিৰাজমান। গীতবোৰ লিখকৰ নাম নজনাকৈয়ে সৰ্ব্বসাধাৰণৰ মাজত প্ৰচলিত। এই গীতবোৰৰ প্ৰধান আকৰ্ষণীয় গুণ হল ইয়াৰ সুৰৰ লালিত্য। সৰ্ব্বসাধাৰণৰ হৃদয়ক জয় কৰিব

পৰা এই গীতবোৰ জাতিৰ স্বকীয় সম্বল। সেই সাহিত্যইহে বিশ্বজনীনতা লাভ কৰিব পাৰে যি সাহিত্যই প্ৰকৃত সত্যক ফুটাই তুলিব পাৰে। এই ক্ষেত্ৰত গীতি কবিতাবোৰৰ অবদান উল্লেখ-যোগ্য। গীতি কবিতাবোৰত সৰ্ব্বসাধাৰণৰ জীৱনৰ চিত্ৰ ফুটি উঠে। সেয়ে এই গীতবোৰৰ প্ৰভাৱ সৰ্ব্বসাধাৰণৰ ওপৰত সুস্পষ্ট।

# ॥ অধ্যয়ণত চনেট ॥

শ্ৰীলক্ষ্মী গায়ন
৩য় বাৰ্ষিক, ক'লা।

অতীতৰ ভগা চিনবিলাকে নিজ স্বাধীনতা মাতি অনা দেশ ইটালীত এজন মানুহৰ জন্ম হৈছিল আজিৰ পৰা প্ৰায় ৬৬৫ বছৰৰ পূৰ্ব্বে। ১৩০৪ চনত। অন্য মানুহৰ দৰে তেওঁৰ পৃথিৱীখনো লাহে লাহে পুৰণি হৈ আহিব ধৰিলে বছৰে বাগৰ সলোৱাৰ লগে লগে। বিশেষত্বহীনভাৱে দিনবোৰ শীতৰ সৰা পাতৰ দৰে সৰি সৰি একুৰি পাঁচ নম্বৰ বসন্তত অজানিতে এদিন এক বিশেষ "বসন্ত বছৰত" পৰিণত হ'ল। এই বছৰত তেওঁৰ জীৱনলৈ আন্ধাৰৰ চাকি ৰূপী হৈ এগৰাকী যুৱতী আহিল। তেওঁ তাইক আদৰণি জনালে। তাই ভাল পালে; পালে তাই আৰু আনন্দও। তেওঁলোকে অতীত বৰ্ত্তমান আৰু অনাগত ভৱিষ্যতৰ কথা পাতিলে—"তুমি আৰু মই; মই আৰু তুমি" ভাৱেৰে। দুয়ো উভয়ৰ প্ৰতি আকৰ্ষিত হ'ল। এক সৰল কথাত কবলৈ হলে—তেওঁলোকে প্ৰেমত পৰিলে, প্ৰেমালাপ কৰি কৰি দিনবোৰ ভৱিষ্যতৰ পৰা কঢ়িয়াই আনি বৰ্ত্তমানত ব্যৱহাৰ কৰি অতীতলৈ ঠেলি দিব ধৰিলে। তেওঁলোকৰ বাবে দিনবোৰ অতি চুটি চুটি হব ধৰিলে। এনেকৈ ভালপোৱা কথাবোৰ পাতি পাতি একুৰি এটা বসন্ত পাৰ হৈ যে গ'ল সেই খবৰ তেওঁ গমকে নেপালে—

নেপালে তাইও। কিন্তু····· ··· ···। কিন্তু তেওঁ এদিন শূণ্য শূণ্য দেখিলে তাই অনুপস্থিত। তাই তেওঁৰ শত শত প্ৰতিজ্ঞাক আওকাণ কৰি চিৰ দিনৰ বাবে কোনোবা কবিৰ অজানা দেশলৈ উৰি গ'ল। তেওঁ কিবা যেন নাই নাই অনুভৱ কৰিলে। তেওঁ অন্তৰত বৰ আঘাট পালে। সেয়ে তেওঁ তাইৰ বিচ্ছেদত নিজৰা কলম তুলি ললে য'ৰপৰা নেকি তেওঁৰ ভাৱ নিজৰি নিজৰি ওলালেঃ পুনৰ মৃদু স্বৰে দক্ষিণ বায়ু বব ধৰিছে। এই বতাহজাকিৰ আগমণিৰ সাক্ষী হৈ এতিয়াও পুষ্প আৰু গছ-গছনিত এটি মধুৰ গুন্‌গুননি বিয়পি পৰিছে। বুলবুল্ আদি চৰাইৰ মধুৰ মাতে চাৰিওফালে মূখৰিত হৈছে। গোটেই বিশ্বজুৰি বসন্ত আহিছে গছে গছে, লতাই লতাই। শুভ্ৰ শুভ্ৰ যেন আকাশ নিৰ্ম্মল। প্ৰত্যেক প্ৰাণী প্ৰেমৰ আনন্দ-চিন্তাত বিভোৰ। কিন্তু বিশ্বৰ এই আনন্দোল্লাসত তেওঁ অলপো আনন্দ লব পৰা নাই। তেওঁক নিজ হৃদয়ৰ অন্তঃপুৰলৈ নিজকে টানি নিছে— য'ত নেকি তেওঁ স্বাধীন স্বতন্ত্ৰ। তাত আনন্দ লেখমাত্ৰও নাই। বেদনা, হাহাঁকাৰ আৰু দীৰ্ঘশ্বাসেই তেওঁৰ অন্তৰ পূৰ্ণ হৈ আছে। তেওঁ তেওঁৰ প্ৰেয়সীক আজি চিৰদিনৰ বাবে হেৰুৱালে— তাইৰ তথা নাৰী জাতিৰ কোমল মাধুৰ্য্য আদি তেওঁৰ বাবে সকলো মৰুভূমিত পৰিণত হল। **তথাপিও তেওঁৰ সেই উমি উমি জ্বলা তুঁহ জুইকুৰা আৰু দহ বছৰ জ্বলি থাকিল ··· ··· ···। এই প্ৰেমিক-প্ৰেমিকা হাল হল—বিখ্যাত ইটালিৰ চনেট ৰচক পেট্ৰাৰ্ক (Petrarch) আৰু প্ৰেমিকা হ'ল তেওঁৰ মানস সঙ্গিনী—যাৰ লগত জীৱনৰ কোনো প্ৰত্যক্ষ সম্পৰ্ক নাই, সম্ভোগ মিলনত যাক কেতিয়াও পাব নোৱাৰি, মাত্ৰ দূৰৰ পৰা চাই জীৱনৰ পৰম পিপাসাক তাইৰ উদ্দেশ্য সমাপন কৰি জীৱনক ধন্য মানিব পাৰে—এয়ে তেওঁৰ মানস সঙ্গিনী—এয়ে তেওঁৰ প্ৰেয়সী—লড়া (Laura) যাৰ লগত একুৰি প্ৰেমালাপ কৰি কৰি কটালে। তাইৰ প্ৰতি তেওঁৰ ইমানেই প্ৰেম গভীৰ আছিল যে তেওঁৰ ঔৰসত এক অজ্ঞাত কুল-শীলা নাৰীৰ গৰ্ভত দুটি সন্তানৰ জন্ম হৈছিল। সেয়ে তেওঁক লৈ সমালোচক সকলে কয়ঃ "Never did passion burn more purely than in the love of Petrarch for Laura." এই প্ৰেমত যিমানেই গভীৰ আসক্তি আছিল সিমানেই তাৰ মৰ্ম্মমূলত আছিল মুক্তিৰ মন্ত্ৰ। লড়াৰ প্ৰতি পেট্ৰাৰ্কৰ প্ৰেমাসক্তিৰ পৰাই তেওঁৰ চনেটৰ উদ্ভৱ। সেয়ে তেওঁৰ বেছি সংখ্যক চনেট প্ৰেমমূলক। সম্ভৱ তেওঁ-লোকৰ প্ৰেমলীলা ইমানতে শেষ কৰি প্ৰবন্ধটিৰ মূল উদ্দেশ্যৰ অভিমুখে বাওনা হওঁ।

"Sonetto" এটি ইটালি শব্দ। এই Sonetto ৰ পৰা "চনেট" (Sonetto) শব্দটি আহিছে। Sonetto এটি ক্ষুদ্ৰবাচক ৰূপ হ'ল Suono শব্দটিৰ আৰু এই Suonoৰ সৰল অৰ্থ হ'ল ধ্বনি। সেয়ে Sonetto শব্দটিৰ অভিধানীয় অৰ্থ হ'ল—"এটি ক্ষুদ্ৰ ধ্বনি"। অন্যহাতেদি এই কথাষাৰো কব পাৰি যে প্ৰাচীন প্ৰভেন্সাল ভাষাত 'Sonet' শব্দটি Son শব্দৰ ক্ষুদ্ৰবাচক ৰূপ বুলি কব পাৰি। কিন্তু কোৱা বাহুল্য যে ইটালি শব্দ Suono আৰু

প্ৰভেন্সাল শব্দ Son উভয়ে উৎপত্তি হৈ আহিছে লেটিন Sonus শব্দৰ পৰা। এই Sonus শব্দৰো অৰ্থ হল এটি ধ্বনি বা গীতোচ্ছ্বাস। কিন্তু এই প্ৰসঙ্গত ইউৰোপীয় সঙ্গীত শব্দ Sonata আৰু ইটালী ভাষাৰ আদিযুগৰ শব্দ Sonareৰ কথাও ভাবিব লগীয়া। Sonare মানে যন্ত্ৰত গান বজোৱা। ইটালি ভাষাত Canzone, Sonetto আৰু Ballata আদিতে আছিল সংগীত জগতৰ পৰিভাষা। যিবোৰ পদ মাত্ৰ সুৰ দি কণ্ঠেৰে গাই তাক কয়—Canzone; বাদ্যযন্ত্ৰৰ লগত মিলি গোৱা পদক কয় Sonetto আৰু নৃত্যসহযোগত গোৱাকে কয়—Ballata। অৱশ্যে মহাকবি দান্তেৰ সময়ৰ পৰাই এই তিনিটি শব্দ কাব্যত কবিতাৰ তিনিটি প্ৰকাৰ ভেদ হিচাবে ব্যৱহাৰ হৈ আহিছে। সংগীতত Canzone ৰ লগত Sonetto ৰ লগত যি পাৰ্থক্য কাব্যত সাধাৰণ লিৰিক্ বা গীতিকবিতাৰ লগত চনেট অৰ্থাৎ চতুৰ্দ্দশপদী কবিতাৰো সেই পাৰ্থক্য।

চনেট বা চতুৰ্দ্দশপদী কবিতা জাতিত ইটালি আৰু গোত্ৰত পেত্ৰাকীয়। সেয়ে পেত্ৰাকৰ চনেটকে আদৰ্শ আৰু বিশুদ্ধ চনেট ৰূপে গ্ৰহণ কৰিয়েই চনেটৰ সংজ্ঞা আৰু স্বৰূপ নিৰ্ণয় কৰা সৰ্ব্বতোভাৱে সমীচীন হব। ইটালিত একেই ছন্দস্পন্দত ৰচিত একাদৰ্শাক্ষৰা, চতুৰ্দ্দশপদী এটি স্বয়ংসম্পূৰ্ণ গীতিকবিতাৰ নাম হ'ল চনেট বা চতুৰ্দ্দশপদী কবিতা।

চনেট বা চতুদৰ্শপদী কবিতাক দুই বহল ভাগত ভাগ কৰিব পাৰি। প্ৰথম আঠশাৰীক এটি ভাগ বাকী ছটা শাৰীক আনটো ভাগত ভাগ কৰা হয়। প্ৰথম আঠটা শাৰীক অষ্টক বা Octave আৰু দ্বিতীয় ছটাশাৰীক ষষ্টক বা Sestet বোলে। পুনৰ এই দুই ভাগক সমানে সমানে দুটা দুটাকৈ চাৰিটা ভাগত ভাগ কৰিছে। প্ৰথম অষ্টকক চাৰিটা শাৰীকৈ দুই ভাগত ভাগ কৰি নাম দিছে চতুস্ক বা enclosed quatrain। এই চতুস্কক ভাগ মিত্ৰাক্ষৰায় ছন্দত ছন্দিত—অৰ্থাৎ ক চ চ ক বা ক চ ক চ। আৰু শেষত ছটাশাৰীক দুই ভাগত ভাগ কৰি নাম দিছে — ত্ৰিপদিকা বা ত্ৰিপদী বা tercet। এই অমিত্ৰাক্ষৰায় ছন্দত ছন্দিত—অৰ্থাৎ মধ্যশাৰী অকলশৰীয়াহৈ থাকে। উদাহৰণেৰে এই কথাষাৰ সুস্পষ্ট হব যেন পাওঁ ঃ

সৌন্দৰ্য্যৰ বুকুৰ কাচলি উদঙাই — ক
প্ৰকৃতিৰ চো-ঘৰ চালো পিত্ পিত্ — চ
কুকুৰা-ঠেঙীয়া এই আখৰকিটিত — চ
যি অমিয়া ঘঁহা আছে, ক'তো আৰু নাই--ক

এই চতুস্কৰটি মিত্ৰাক্ষৰায় ছন্দেৰে ছন্দিত। দ্বিতীয় আৰু তৃতীয় শাৰী দুটা একে মিল—চ চ; আৰু প্ৰথম আৰু চতুৰ্থ শাৰী দুটা একে মিল—ক ক। অৰ্থাৎ এই চতুস্কৰটি সংবৃত। কিন্তু চতুস্কটি অ সংবৃতও হব পাৰে। অৰ্থাৎ ই-ক চ ক চ-ও হব পাৰে। এই চতুস্কটি সংবৃত হোৱাৰ বাবে ছন্দ আৰু ভাৱ উভয় দিশেই সামান্য যতি বা বিৰক্তিবোধৰ সৃষ্টি হয়, কিন্তু একেই মিলৰ পুনৰাবিৰ্ভাবত সেই ক্ষণিক যতি বা বিৰক্তিবোধ বৃহত্তৰ সঙ্গতিত গঠিত হৈ পৰে। ত্ৰিপদী কিন্তু অসংবৃত বা বিবৃত। প্ৰথম আৰু তৃতীয় শাৰীৰ মিল হলেও মধ্য শাৰী অৰ্থাৎ দ্বিতীয় শাৰী অকলশৰীয়া হৈ থাকে। কাৰণ ঃ

ফুল সৰে, সৰি যায় শুকায় বননি — ত

বসন্তৰ কুঁহিপাত ৰ'দত লেৰেলে — প
তোমাৰ চিঠিয়ে, প্ৰিয়ে, জানে কি মোহিনী—ত

ইয়াৰ গঠন হ' —ত প ত। এই ত্ৰিপদী দুটি আৰু তিনিটিতও মিল হব পাৰে। দুটিত হলে এনে হয়—ত প ত—ত প ত; নহয় ত পত প ত প; বা ত ত প—ত ত প। এই ষষ্ঠক তিনিটিত মিল হলে এনে হয়—ত প ন-ত প ন নহয় ত প ন-ত প ন বা ত প ন ন ত ক ইত্যাদি ভাবে। কিন্তু এইষাৰ কথা ঠিক যে অষ্টক আৰু ষষ্টক মিল বন্ধন ইটোৰ পৰা সিটোৰ সম্পূৰ্ণ স্বাধীন।

—ইয়াতে এটি মৌলিক প্ৰশ্নৰ মুখা-মুখী হব লগা হয়- "চনেট কিয় চতুৰ্দ্দশপদী ?" কোৱাই বাহুল্য যে দুই চতুষ্কৰ আৰু দুই ত্ৰিপদী লগ হৈ চনেট নামৰ স্বয়ং সম্পূৰ্ণ কবিতাটিৰ গঠন হৈছে। এই অষ্টকৰ লগত ষষ্টকৰ মিল হৈয়েই কবিতাটি চতুদৰ্শপদী বা চতুৰ্দ্দশশাৰী হৈছে। এই অষ্টক আৰু ষষ্টকৰ মধ্য স্থলেই চনেট দেহৰ প্ৰধান অঙ্গসন্ধি। এই অঙ্গসন্ধিক ইটালি ভাষাত কয় Volte বা turning. অসমীয়াত ইয়াক কবপাৰি বক্ৰায়ন বা আৱৰ্ত্তন সন্ধি। এই আৱৰ্ত্তন সন্ধিতেই বিশুদ্ধ চনেটৰ মুখ্য বৈশিষ্ট্যতা মিলি আছে। স্বভাৱতেই চনেট এটিত অখণ্ড ভাৱ, ভাৱনা বা অনুভূতি অথবা কবিমনৰ বহিৰ্জগতৰ এটি ঘটনা বা বিষয়েই চনেট বা চতুৰ্দ্দশপদী কবিতাৰ অৱলম্বন। মুখ্যৰ অঙ্গসন্ধিক আৱৰ্ত্তনক অক্ষুন্ন ৰাখি কবিমনৰ সেই ভাৱ ভাৱনা বা অনুভূতিৰ অখণ্ড ঐক্যৰ প্ৰকাশতেই চনেট ৰচনাৰ সফলতা। চনেটৰ অষ্টক আৰু ষষ্টকৰ মধ্যবৰ্ত্তী বক্ৰায়ন বা আৱৰ্ত্তন সন্ধিৰ ফালে দৃষ্টি নিক্ষেপ নকৰিলে চনেটৰ স্বৰূপ নিৰ্ণয় কৰা সম্পূৰ্ণ হৈ উঠিব নোৱাৰে। এই বক্ৰায়ন বা আৱৰ্ত্তন সন্ধিৰ ফালে দৃষ্টি নিক্ষেপ কৰি ইংৰাজী সমালোচক সকলে প্ৰায়ে এজন কবিৰ কবিতা এফাঁকি উদ্ধৃত কৰে – কবি জন হ'ল থিউদোৰ ওয়াট্‌ছ ডানটন আৰু তেওঁৰ কবিতাফাঁকি হ'ল ঃ

A sonnet is a wave of melody;
From heaving water of the impassioned soul
A billow of tidal music one and whole
Flows in the "Octave" then relurning free,
Its ebbing surges in the "Sestet" roll
Back to the deeps of Life's tumultuous sea."

সমুদ্ৰ তৰঙ্গৰ জোৱাৰ ভাটাৰ লগত চনেটৰ ছন্দ সঙ্গীতৰ উত্থান পতনৰ ৰহস্যটি আশ্চৰ্য্য সৌন্দৰ্য্যত উপমিত হৈছে। সমুদ্ৰ তৰঙ্গৰ জোৱাৰ ভাটাৰ লগত অষ্টক-ষষ্টকৰ তুলনা অতি চমৎকাৰ হৈছে। কবিতাটি কাব্য হিচাবে সুন্দৰ। Impassioned soul ৰ পৰা ভাৱৰ তৰঙ্গোচ্ছাস উত্থিত হৈ জীৱনৰ উত্তাল সমুদ্ৰত পুনৰ বিলীন হৈ যোৱাৰ কল্পনাটি ও তাৎপৰ্য্যমণ্ডিত। কিন্তু কবিৰ এই সুন্দৰ উপমাটি পাছৰ ইংৰাজ সমালোচক সকলৰ মনত এক মাৰাত্মক বিভ্ৰান্তিৰ সৃষ্টি কৰিছে।

"Voice of the Sonnet" ৰ উত্তৰাংশত কবিয়ে অষ্টকক জোৱাৰৰ লগত আৰু ষষ্টকক ভাটাৰ লগত তুলনা কৰিছে। এই কল্পনাক অনুকৰণ কৰি উইলিয়াম শাৰ্পে মত প্ৰকাশ কৰে

যে—"The Petrarcon (Sonnet) is like a wind gathering in volume and dying away again immediateiy on attaining a culminating force." অন্য-হাতেদি ১৯৩৬ চনত ইংৰাজী সাহিত্যৰ বিখ্যাত ছান্দসিক সমালোচক Endi Hamer য়ে ইংৰাজী চনেটৰ যি সংকলন-গ্ৰন্থ প্ৰকাশ কৰিছে তাত তেওঁৰ ভূমিকাতও সেই একেই বিভ্ৰান্তিৰ পৰি-লক্ষিত হোৱা দেখা যায় ঃ "The good Petrarcan Sonnet often rises smoothly to a cximal at the end of the octave, and has a swift, tumultuous or sinuous cadence in the sestet, which has been compared with the breaking of a wave" কিন্তু এই কথা সত্য যে যদি মাত্ৰ অষ্টকৰে কবি মনৰ প্ৰধান ভাব বা মুখ্য অনুভূতিক স্থান দিয়ে তেতিয়া ষষ্টক দুৰ্ব্বল হৈ পৰিব আৰু এটা সময়ত চনেট ৰচনাৰ পূৰ্ব্বৰ নিয়ম নেমানি অন্য ৰূপ লোৱাৰো সম্ভাৱনা আছে সি যি কি নহওক পেত্ৰাকৰ চনেট ৰচনাৰ বিষয়ে যি মত ডাঙি ধৰিছে সিও হল এই—চনেটৰ আৰম্ভনিতকৈও তাৰ সমাপ্তি অধি-কতৰ সঙ্গীতময় হোৱা উচিত যাতে কবিতাটি পঢ়ি নাযাওঁতে তাৰ প্ৰভাৱ পাঠকৰ মনত অনি-বাৰ্য্য হৈ পৰে ঃ"The end should invariably be more harmonious than the beginning; i.e. it should be dominantly borne in upon the reader." প্ৰকৃততে চনেট সম্পৰ্কে এনে ধৰণে কোনো পূৰ্ব্ব-সিদ্ধান্ততে উপনীত হোৱা সম্ভৱ নহয়। কাৰণ কবি সকলে কবিতা ৰচে স্বানুভূতিৰ প্ৰকাশৰ হেতু -- তেওঁলোকৰ ক'ত জোৰাৰ আৰু ক'ত ভাঁটা হব লাগে তালৈ কাণ নকৰে। সেয়ে টি, এছ, এলিয়েটে কয় ঃ "In a perfect Sonnet what we admire is not so much the author's in adapting himself to the pattern as the skill and power with which he makes the pattern comply with what he has to say."

অৰ্থাৎ ৰীতিৰ দাসত্ব নহয় ৰীতিৰ ওপৰত আধি-পত্য বিস্তাৰেই কবিশিল্পীৰ ব্যক্তিত্বৰ পৰিচয়। এই কথাষাৰ মাত্ৰ চনেততে ব্যৱহাৰ কৰিব পাৰি এনে নহয় ই সকলোতে প্ৰজোয্য। আদিতে চনেট আছিল প্ৰেমকাব্য; কিন্তু যোৱা ছয়-সাত শতাব্দীৰ সৃষ্টিৰ পৰিক্ৰমাত চনেট কবি মনৰ সাৰ্ব্ব-ভৌম ক্ষেত্ৰতেই নিজৰ অধিকাৰ বিস্তাৰ কৰিছে। সেয়ে এজন সমালোচকে চনেটৰ বিষয়ে আলোচনা কৰি কৈছে যে—"The sonnet might almost be called the alphabet of the human heart." প্ৰাণৰ আবেগৰ লগত কণ্ঠৰ মাধুৰ্য্য একেলগ কৰিব পাৰিলেই গান সাৰ্থক হৈছে বুলিব পাৰি। কিন্তু চনেটত কণ্ঠ সংগীতক যন্ত্ৰ-সংগীতৰ লগত আধুনিক ভাৱে লগ কৰিব লাগে। কবিয়ে মাত্ৰ গায়েই নেথাকে লগে লগে তেওঁ এটি যন্ত্ৰৰ সহায়ত সূক্ষ্ম সুৰৰ ৰচনা কৰি যায়। ই সাধাৰণ বাদ্য-যন্ত্ৰৰ নিচিনা নহৰ—ই বহু তন্ত্ৰী সমন্বিত চনেটৰ বীনাযন্ত্ৰ। কণ্ঠ আৰু যন্ত্ৰৰ এই দুঃসাধ্য সংগী-তেই চনেটৰ সঙ্গীত। এই মিশ্ৰ সঙ্গীতত এটি

পিঠিত আছে কাব্যৰ আত্মা আৰু অন্যটি ফালে আছে শিল্পীৰ ব্যক্তিত্ব। চনেটৰ এই দ্বিপিঠিক বিখ্যাত চনেট ৰচক ভি, জি, ৰচেটিয়ে মুদ্ৰাৰ দুই পিঠিৰ লগত তুলনা কৰিছে ঃ

"A Sonnet is a coin : its face reveals
The soul, its converse, to what power its due."

যদিও আদি বা বিশুদ্ধ চনেট পেত্ৰ্াকৰ নামেই পোৱা যায় কিন্তু পেত্ৰ্াক ইয়াৰ জন্মদাতা পিতৃ নহয়। তেওঁৰ পূৰ্ব্বে যে চনেট ৰচিত হৈছিল আমি তাক চনেটৰ ইতিহাস মেলিলেই পাওঁ। কাৰণ মধুসূদন ঠিকেই উক্তি দি থৈ গৈছে ঃ

"কাব্যৰ খনিতে পেয়ে এই ক্ষুদ্ৰ মণি,
স্বমন্দিৰে প্ৰদানিলা বাণীৰ চৰণে
কবিন্দ্ৰ,"

পেত্ৰ্াকৰ আগতেও কাব্যৰ খনিত এই ক্ষুদ্ৰমণিৰ অস্তিত্ব আছিল। ১৩৩২ খৃঃত Antonio da Tempo নামেৰে এজন পাদুয়াৰ বিদগ্ধ বিচাৰকে দেশীয় কাব্য সম্পৰ্কে এখন গ্ৰন্থ ৰচনা কৰিছিল। তাত তেওঁ প্ৰধানকৈ ১৬ বিধ চনেটৰ তালিকা দিছে। অন্যহাতেদি আমি প্ৰথম সাৰ্থক চনেট- ৰচক হিচাবে পাওঁ Guittone d, Arezzo নাম। সি যি কি নহওঁক কাব্যৰ কলাকৃতি হিচাবে চনেট এদিনৰ ভিতৰত সৃষ্টি আভিৰ্ভূত নহয় — বহুদিন পৰীক্ষা-নিৰীক্ষাৰ মাজেদিয়েই আজিৰ এই অৱস্থা হৈছে। চনেটৰ আদি-বিৱৰ্ত্তন প্ৰসঙ্গত প্ৰভেন্সৰ ত্ৰুবাদুৰ সকলৰ প্ৰেমসংগীত আৰু আৰবীয় গজলৰ প্ৰভাৱৰ কথাও অস্বীকাৰ কৰিব নোৱাৰি।

প্ৰাচীন ফ্ৰান্সৰ দক্ষিণ-পূৰ্ব্বাংশৰ নাম প্ৰভেন্সৰ্—ইয়াৰ উত্তৰে দোফিন, পূবে আলপছ্ আৰু ইটালি পশ্চিমে ৰোম আৰু দক্ষিণে ভূমধ্য সাগৰৰ মধ্যভাগৰ ভূখণ্ড। এই স্থলভাগক কয় ইউৰোপৰ কবি-মাতৃভূমি। এই কবিমাতৃভূমিত একাদশৰ পৰা চতুৰ্দ্দশ শতাব্দীৰ ভিতৰত ত্ৰুবাদূৰ নামে এক গায়ক শ্ৰেণীৰ উদ্ভৱ হৈ প্ৰেমসংগীত ৰচনা কৰি দেশে দেশে গাই ফুৰিছিল। তেওঁলোকৰ কাব্যত আৰু সংগীতত সমানে দক্ষতা আছিল। এই "ত্ৰুবাদূৰ" ৰ অৰ্থ হ'ল সন্ধান কৰা বা আবিস্কাৰ কৰা। এই ত্ৰুবাদূৰসকলৰ প্ৰেম সংগীত মধ্যযুগীয় ইউৰোপীয় কাব্য সাহিত্যত অসামান্যভাৱে প্ৰভাৱ বিস্তাৰ কৰিছিল। তেওঁলোকৰ প্ৰেম ৰক্তমাংসৰ প্ৰেম নহয়, মানস সুন্দৰীৰ উদ্দেশ্যে ভক্তিৰ আত্মনিবেদনেই সেই প্ৰেমৰ মৰ্ম্মকথা। Langue' d' oc যেই এই ত্ৰুবাদূৰ সকলৰ প্ৰেমৰ কবিতাবোৰৰ ভাষা আছিল আৰু এই Langue' d'oc সেইসময়ৰ দক্ষিণ-পূব ফ্ৰান্সৰ কথ্য ভাষা আছিল। তেওঁলোকৰ এটি বিশিষ্ট কলা কৃতিৰ নাম আছিল "Canso" আৰু এই "Canso" যেই ইটালি ভাষাত "Canzone" হৈছে। এই 'Canso' গঠিত হয় পাঁচটা বা ছটা দীৰ্ঘস্তৱক বা "Cobla" আৰু শেষত থাকে এটি হ্ৰস্বস্তৱক। প্ৰত্যেকটি দীৰ্ঘস্তৱকত ছটাৰ পৰা বাৰটা পৰ্য্যন্তলৈকে চৰণ বা শাৰী থাকে। চনেট ৰচনা কৰাত এই দীৰ্ঘস্তৱক আৰু হ্ৰস্বস্তৱক ত্ৰুবাদূৰ সকলৰ প্ৰত্যক্ষ ভাবে প্ৰভাৱ বিস্তাৰ নকৰিলেও পৰোক্ষ ভাৱে প্ৰভাৱ পৰা স্বাভাৱিক। পূৰ্ব্বৰ চনেটবোৰ আছিল প্ৰায়ে প্ৰেমমূলক আৰু এওঁলোকেও প্ৰেমসংগীতে ৰচণা কৰিছিল। তাৰোপৰি এই কথা-

যাৰৰ প্ৰমান পোৱা যায় এজৰা পাউণ্ডৰ ৰচিত "The Spirit of Rommance" গ্ৰন্থত "The first Italian, who can be said to have advanced the art of poetry is Guido Guinicell of Bologna ( 1240—1276 ) ... ... So far as I can discern he was the first writer to discover that a certain form of canzone stanza is complete in itself. This form of stanza, standing alone, we now call the " Sonnet. " If Guido did not invent this from, he is, atleast, the first who brought it to perfection." শেষৰ এই কথাষাৰ সিমান সত্যযেন নেলাগে। তেওঁ কৈছে যে " Canzone " ৰ এটি কলিয়েই (stanza) এটি চনেট হৈছে। কিন্তু প্ৰভেন্সৰ এটি দীৰ্ঘস্তৱকৰ লগত এটি হ্ৰস্বস্তৱক হৈ বা ইটালীয় "canzone" ৰ এটি স্তৱক বন্ধৰ লগত "votte" ৰ মিলনেই চনেট চতুৰ্দশপদী হৈছে।

কিন্তু এই প্ৰসঙ্গত আৰবীয় গজলৰ প্ৰভাৱো মন কৰিব লাগে। বিশেষকৈ হাৰুণ-আল-ৰচিদৰ পুত্ৰ আলি মামুনৰ ৰাজত্ব কালত বাগদাদ আছিল জ্ঞান-আৰু সংস্কৃতি, শিল্প আৰু সাহিত্যচৰ্চ্চাৰ মূল স্থল। ইয়াৰ প্ৰভাৱ সুদূৰ আফ্ৰিকা-ইউৰোপৰ মহাদেশবোৰত পৰিছিল। আধুনিক ইউৰোপৰ কাব্য সাহিত্যৰ গীতিকবিতা প্ৰাচ্যৰেই দান বুলিবৰ স্থান আছে। আৰবীয় গজলৰ ৰচনা ভঙ্গী-পদ্যান্তৰ মিলৰ পৰা স্তৱক গঠন ৰীতিয়েই আধুনিক ইউৰোপীয় গীতিসাহিত্যত প্ৰভাৱ পেলাইছে। পেত্ৰিকৰ চনেটবোৰ আৰবীয় গজলৰ দ্বাৰা অনুপ্ৰাণিত বুলি কব পাৰি। তেওঁৰ সৰহসংখ্যক চনেট যেনেকৈ প্ৰেমৰ "ভালপোৱা কথা" ঠিক তেনেকৈ গজল ও প্ৰেম সংগীত। হ্ৰস্বত্তম্ গজল ও চতুৰ্দশপদী। তাৰোপৰি কাব্যৰ মিলবিন্যাসৰ ৰীতিও প্ৰাচ্য-দিগন্তৰেই সৃষ্টি। কাৰণ E. R. Curtius য়ে তেওঁৰ European Literature and the Latin Middle Ages গ্ৰন্থত কৈ গৈছে—: Rhymes : as foreign to the Romans as to the Germanic peoples, hesitantlytaken up, not fonnd by rule and consistency finally developing into an ordered and miraculous splendour is the great new creation of the Middle Ages ...— The stanza represent a whole new system of forms." প্ৰাচীন পৃথিৱীত ছন্দিত বাণীয়েই কবিকণ্ঠৰ বাণী আছিল। কিন্তু কাব্যও আখৰৰ লগত আখৰৰ মিলনত যে নতুন স্পন্দন উঠে সেই কথাৰ আবিস্কাৰ কৰে প্ৰাচ্যৰ মানুহেই প্ৰথমতে। এইয়া প্ৰাচ্যৰ দেশ আৰব আৰু ভাৰতবৰ্ষতেই আবিস্কাৰ হৈছে আগাপিছাকৈ। কিন্তু কোনখনদেশ পথপ্ৰদৰ্শক তাক নদি কব পৰা নেযায় ইতিহাসৰ দুৰ্ব্বলতাৰ হেতু। এই দেশ আৰব আৰু ভাৰতবৰ্ষৰ পৰায়েই ই সুদূৰ চিচিলি, প্ৰভেন্স আদি দেশত প্ৰভাৱ পেলাইছে।

"The first hnmanist and at the sametime the first lyric Poet of the modern school." বুলি পেত্ৰাকক সমালোচকসকলে উচ্চস্থান দিছে এই কাৰণেই যে তেওঁৰ জীৱন সাধনাত যেনেকৈ মানৱতাৰ নৱজন্ম হল ঠিক তেনেকৈ নৱ-মানৱতাৰ আত্মপ্ৰকাশ সাৰ্থক হ'ল চনেটৰ গঠনৰ মাজেদি। তেওঁৰ ব্যক্তিত্বৰ মন্থন দণ্ডত মধ্যযুগীয় ইউৰোপৰ গীতিকবিতাৰ সংগীত- সমুদ্ৰমন্থনৰ ফলত অমৃত ওলোৱাৰ দৰে ওপঙি পৰিল চনেট-ৰত্নটি। যদিও পুৰ্ব্বপুৰুষৰ পৰীক্ষা-নিৰীক্ষাৰ উত্তৰাধিকাৰী তেওঁ; যেনেকৈ সোণৰ মালাধাৰক সোণ-টুকুৰাহে আকুতি দি শিল্পসুষমামণ্ডিত কৰি তোলে পেত্ৰাকেও তেনেকৈ ইটালিৰ চনেট বা চতুৰ্দশপদী গীতি কবিতাক চনেটৰ পূৰ্ণসুষমা মণ্ডিত কৰি তুলিলে।

চনেটৰ ছন্দ বিয়পি পৰিল এখন দেশৰ পৰা অন্য এখন দেশলৈ। বিয়পি পৰিল ইংৰাজী সাহিত্যতো এতিয়াৰ পৰা চাৰি শতিকাৰ পূৰ্ব্বে। অৰ্থাৎ ইংৰাজী সাহিত্যত চনেটৰ আবিৰ্ভাৱ হয় ১৬শ শতিকাত। চাৰ টমাচ্ ওৱাইট ( ১৫১৭...১৫৪২ ] আৰু হেনৰী হাওয়াদ্, আৰ্ল অৱ চাৰেই [১৫১৭ ১৫৪৭] ইংৰাজী সাহিত্যৰ আদি চনেটৰচক। ওৱাইটে ইটালিৰ কূটনৈতিক কামত লিপ্ত হৈয়ে এই চনেট ৰচনাৰ সুযোগ পায়। তেওঁ পেত্ৰাকৰ আৰ্হিৰেই চনেট ৰচনা কৰিছিল। চাৰে কিন্তু পেত্ৰাৰ্কক অনুকৰণ নকৰি অলপ অন্য ৰীতিৰে ৰচনা কৰে। প্ৰথম স্তৰ পাৰ হোৱাৰ পাছত এলিজাবেথীয় যুগত যেনেকৈ চনেট ৰচনাৰ উচ্চ আসন গ্ৰহণ কৰিছিল ঠিক তেনেকৈ এই যুগতে চনেটৰ চৰম বিকৃতিও ঘটে। এই যুগত ছেক্সপীয়েৰৰ নামে নামাঙ্কিত হয় চনেটবোৰ। কাৰণ ছেক্সপীয়েৰে চনেটৰ সনাতন ৰীতি মানি চলা নাই। তেওঁৰ চনেট অষ্টক ষষ্টকৰো বিভাগ নাই। তেওঁৰ চনেটৰ মিল এনে: ক চ ক চ; গ জ গ জ; ত প ত প; ম ম। যদিও তেওঁৰ চনেটৰ মিল ওপৰৰ ধৰণে তথাপি এই ধৰণৰ সৃষ্টিকাৰ হল প্ৰকৃততে চাৰেহে। তেওঁ প্ৰথমতে এনে ধৰণে চনেট ৰচনা কৰে। সি যি কি নহওক বিংশ শতাব্দীৰ শ্ৰেষ্ঠ ইংৰাজ চনেটৰচক ৰুপাৰ্ট ব্ৰুক ছেক্সপীয়েৰৰ ৰচনাৰ অনুকৰণেতেই ৰচনা কৰিছে—অৰ্থাৎ তেওঁৰ ওপৰত চাৰৰ প্ৰভাৱ পৰোক্ষভাবে পৰিছে। "বহুতে আকৌ ভাবে যে চনেটৰ মাজেৰে কবিয়ে নিজৰ ব্যক্তিগত কথাকে বিবৃত কৰে। ছেক্সপীয়েৰেও তেওঁৰ ছনেটৰ মাজেৰে নিজৰ জীৱনৰ কথাকে ব্যক্ত কৰা বুলি কিছুমানে অনুমান কৰে। এই অনুমানৰ ওপৰত নিৰ্ভৰ কৰিয়ে ওৱৰ্ডচ্ ওৱৰ্থে কৈছিল—"With this key ( sonnet ) he unlocked his heart" অৱশ্যে ওৱৰ্ডচ্ ওৱৰ্থৰ মতৰ বিৰোধিতা কৰি ব্ৰাউনিঙে কৈছে—"if so, less Shakespeare he."

ইংৰাজী সাহিত্যত যেনেকৈ ছেক্সপীয়েৰীয় চনেট আছে ইয়াৰ নিজৰ গঠন বা ৰচনা ৰীতি লৈ ঠিক তেনেকৈ ইংৰাজী সাহিত্যত আৰু অন্য এবিধ গঠন বা ৰচনা ৰীতি লৈ চনেটৰ নাম আছে—এয়ে হৈছে মিল্টনৰ নামেৰে নামাঙ্কিত কৰা মিল্টনীয় চনেট। এই

বিধ চনেট ও মূখ্য অঙ্গসন্ধি বা আৱৰ্ত্তন-সন্ধি অনুপস্থিত বুলি কব পাৰি। এই যুগত ওৱৰ্ডচ ওৱৰ্থেই পৰিমাণ আৰু গুণৰ ফালৰ পৰা ইংৰাজী সাহিত্য শ্ৰেষ্ঠ বুলিবৰ স্থল আছে। তেওঁ ৫৫৩টি চনেট ইংৰাজী সাহিত্যলৈ দান কৰিছে। সেইবুলি কিন্তু ছেক্সপীয়েৰ, ব্ৰাউনিং-জায়া এলিজাবেথ ব্যাৰেট আৰু ডি, জি, ৰচেটী ও কুশলী চনেটৰচক।

চনেটৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে আমি প্ৰথমতে এজন মানুহৰ ওচৰত ধৰুৱা হৈ ৰব লাগে। তেওঁৰেই হল ভাৰতীয় সাহিত্যলৈ চনেটৰূপী চৰাইজনীক ঘৰচীয়া কৰি জীৱন দিওঁতা—মধুসুদন দত্ত। দত্তদেৱেই পোন প্ৰথমতে চনেট ৰচনা কৰি নাম দিয়ে চতুৰ্দশ-পদী কবিতা। তেওঁ এই চতুৰ্দশপদী কবিতাও চৈধ্যশাৰী আৰু চৈধ্যটা আখৰ ব্যৱহাৰ কৰে—যদিও ইংৰাজী দশাক্ষৰৰ চনেট আছিল। তেওঁ বিশেষকৈ ইতালীয় গঢ়লৈকে চকু ৰাখিছিল।

এই চনেট বা চতুৰ্দশপদী কবিতাৰ প্ৰথম অসমীয়া কবি হল বিখ্যাত ত্ৰিমূৰ্ত্তিৰ একমূৰ্ত্তি আৰু তেওঁৱেই হল স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামী। তেওঁৰ প্ৰথম চতুৰ্দশপদী কবিতা হ'ল "প্ৰিয়তমাৰ চিঠি" যেন এই চিঠিয়ে সকলো সাহিত্যপ্ৰিয় সকলক জনাই দিলে যে চনেটৰ ৰচনা হল অসমীয়া সাহিত্যত। বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, গোহাঁইবৰুৱা আৰু ডঃ ভূঞা আদি যদিও চনেট ৰচক আছে তথাপি অসমীয়া সাহিত্যৰ প্ৰথিত যশা চনেট ৰচক হল স্বৰ্গীয় হিতেশ্বৰ বৰবৰুৱা। তেওঁ-ৰেই অসমীয়া সাহিত্যত প্ৰথম অসমীয়া চনেটৰ পুথি হল—"মালচ আৰু চকুলো"।

সদৌ শেষত প্ৰবন্ধৰ সামৰণিত জন ডনৰ এষাৰ কৌতুক কথাৰে সামৰণি মাৰো। তেওঁ কয়ঃ "যিজনে এটিও চনেট লিখিব নেজানে তেওঁ নিৰ্ব্বোধ; পিছে যি দুটা লিখে তেওঁ উন্মাদ"।

# চৌধাৰীৰ কবিতাত প্ৰকৃতি প্ৰীতি—

শ্ৰীবেনুধৰ বৰা

ৰোমান্টিক যুগৰ শ্ৰেষ্ঠ কবি ৰঘুনাথ চৌধাৰীক সৰ্ব্বসাধাৰণতে প্ৰকৃতি কবি বুলিয়ে জনা যায়, প্ৰকৃতি বিষয়ক কবিতাই তেওঁৰ হাতত যি দৰে নিপুনতা লাভ কৰিছে আন আন বিষয়ক কবিতাই তেওঁৰ হাতত তেনেদৰে সিদ্ধহস্ততা লাভ কৰিব পৰা নাই। তেওঁৰ প্ৰকৃতি বিষয়ক কবিতাবোৰ বিশেষকৈ চৰাই আৰু ফুল বিষয়ক। চৰাই বিষয়ক কবিতা লিখাৰ বাবে তেওঁক বিহগী কবি বুলিও জনা যায়। এই ফুল চৰাইৰ প্ৰতীকেৰে তেওঁ মানৱ জীৱনৰ হা হুতাশ, নৈৰাশ্য আৰু কবিৰ ব্যক্তিগত জীৱনৰ দুখ দৈন্য প্ৰকাশ কৰিছে, সাধাৰণ আনৰ চকুত নপৰা চৰাই এটাৰ মাতত তেওঁ স্বৰ্গীয় সুৰ শুনিবলৈ পাইছে। সেইদৰে গিৰিমল্লিকৰ দৰে সাধাৰণ ফুল এপাহত তেওঁ অনুপম সৌন্দৰ্য্য লাভ কৰিছে।

এই বিনন্দীয়া প্ৰকৃতিকলৈ কবিতা ৰচনা কৰা লক্ষণ কেৱল অসমীয়া সাহিত্যৰে নহয়, প্ৰাচীন সংস্কৃত সাহিত্যত প্ৰকৃতিক বিভিন্ন অলঙ্কাৰত, পৰিবেশ সৃষ্টিত, মানৱ মনৰ সুখদুখ, বিৰহ বেদনা আদি অনুভূতি প্ৰকাশৰ মাধ্যম হিচাবে, জ্ঞান বিজ্ঞান আৰু ঐশ্বৰ্য্য বিভূতিৰ আকৰ হিচাবে প্ৰয়োগ কৰিছে,—অসমীয়া কবিতাতো অনুৰূপ ভাৱে প্ৰকৃতিক মানৱমনৰ বিভিন্ন ভাব প্ৰকাশক ৰূপে প্ৰয়োগ কৰে। কেৱল কবিতাৰ ক্ষেত্ৰতে নহয়, বিহুগীত আৰু লোকগীতৰ মাজতো প্ৰকৃতিয়ে এক বিশিষ্ট স্থান লাভ কৰিছে।—অসমীয়া কবিতাত প্ৰকৃতিয়ে কবি চৌধাৰীৰ হাতত এক অপৰূপ সৌন্দৰ্য্য ব্যঞ্জক হৈ পৰিছে।

প্ৰকৃতিৰ বিনন্দীয়া ৰূপ, বিভিন্ন ধৰণৰ চৰাই ফুল আদিয়ে কবিৰ হিয়াত ভূমানন্দৰ অনুভূতি জগাই তোলে। "বহাগীৰ বিয়া "প্ৰিয় বিহঙ্গিনী", "ভেটকলি" কেতেকী চৰাই আদি কবিতা বোৰৰ প্ৰত্যেক টোৰেই চৰাই আৰু উদ্ভিদ জগতৰ মনোৰম সাধু কথাৰ

নিচিনা। তেওঁৰ এই প্ৰকৃতি বিষয়ক কবিতা বোৰত চিনাকি চিনাকি ভাব এটাই ওৰণি লৈ থাকে। বহাগীৰ বিয়াত বসন্তৰ উন্মাদনা, অপৰিচিত প্ৰিয় বিহঙ্গিনীৰ মধুৰ মাত তেওঁৰ হাতত সজীৱ হৈ উঠিছে, তেওঁৰ কবিতাত সাধাৰণ ফুল গিৰিমলিকা, গোলাপ অসাধাৰন ৰূপ ধাৰণ কৰিছে। তেওঁ কবিতাত দহিকতৰাৰ দৰে সামান্য চৰাই এটাই স্বৰ্গীয় দূত ৰূপে পৃথিবীত প্ৰতিনিধিত্ব কৰিছে। ডঃ কাকতি দেৱৰ ভাষাত 'ভেটকলি' বহাগীৰ বিয়া আদি কবিতাত মানৱ সংসৰ্গ বিহীন প্ৰকৃতিৰ স্তূপীকৃত সৌন্দৰ্য্যৰ ধ্যান আৰু নিজৰ সৌন্দৰ্য্যত প্ৰকৃতিৰ নিজৰেই আনন্দোৎসৱ এটি দেখা যায়।"

কিয়নো— মৰতৰ শোভাৰাখি একেলগে যেন,
সৰজিলে বিধি নিজানত.
জড় জগতত জীৱ জগতত পাওঁ সকলোতে দেখা,
মহা বিশ্ব জুৰি বিৰিঙিছে যেন
—আনন্দৰ পুৰ্ণ ৰেখা।

"বহাগীৰ বিয়া" কবিতাটোত এই আনন্দৰ ৰেখা ফুটি ওলাইছে "বহাগীৰ বিয়া "কবিতাটো" মানৱ সংসৰ্গ বিহীন প্ৰকৃতিৰ আনন্দ উৎসৱ, বসন্তজীয়ৰী বহাগী আইদেউৰ বিয়াৰ উৎসৱত গছলতিকা মঞ্জুৰিত আৰু চৰাই চিৰিকতি বিভোল হৈ উঠিল। গোটাই প্ৰকৃতিয়ে বিয়াৰ ঠাই হৈ পৰিল। গছ গছনিয়ে আনন্দ কৰিছে পশুপখী চৰাই চিৰিকতিয়ে আনন্দ কৰিছে। বহাগী আইদেউৰ বিয়াৰ উপলক্ষ্য কৰি প্ৰকৃতিৰ সৌন্দৰ্য্য বিকাশৰ উৎসৱৰ বৰ্ণনাই কবিৰ কবিতাটোৰ কেন্দ্ৰ ভাব, "বহাগীৰ বিয়া"ত যি আনন্দ ৰেখা উদ্ভিদ আৰু চৰাই জীৱন আবদ্ধ আছিল, কেতেকী কবিতাত সেই আনন্দই পাৰভাঙি আহি মানৱ সমাজৰ ঘৰুৱা জীৱনকো প্লাবিত কৰিছে,—কেতেকী কবিতাৰ কেন্দ্ৰস্থ ভাব বসন্তৰ আগমনত জড় চেতন, মানৱ জগতত বিপুল আনন্দৰ উন্মাদনা, এই উন্মাদনাৰ মূল কাৰণ বহাগীৰ বিয়াত কোৱাৰ দৰে কেৱল বসন্তৰ সমাগমেই নহয়, এটি স্বৰূপ বিহীন বিৰাট প্ৰহেলিকা ময় চৰাইৰ মাত। কোনোবা দূৰ আনন্দ সাগৰৰ ঢৌ-খলকনি এটি চৰাইৰ মাতৰ ভিতৰেদি জড়-চেতন জগতক আঘাত কৰি ইয়াক বিয়াকুল কৰি তুলিছে।"— (ডঃ কাকতি)

কবিয়ে কেতেকী চৰাইৰ মাততেই বিধতাৰ প্ৰথম সৃষ্টি দেখিবলৈ পাইছে। সৃষ্টিৰ প্ৰথম মাতটো যেন কেতেকীৰ অপূৰ্ব্ব মাতটিহে। সেই কাৰণে কেতেকীৰ আগমনৰ লগে লগে প্ৰকৃতিও বিকশিত হৈ উঠিছে। মৰ্ত্যৰ বুকুত অমৃতৰ নিজৰা বাগৰি গৈছে।—কবিৰ তন্দ্ৰালস অবচেতন মনক জাগ্ৰত কৰি তুলিছে কেতেকীৰ সুৰে।—কেতেকীৰ মাততে যেন কবিয়ে এই মানৱী জনমতে অমৰ প্ৰেমৰ আস্বাদ লাভ কৰিছে,—কেতেকীৰ অমৃতময় সুৰৰ বৰ্ষনতে যেন জগতৰ সকলো অমৃতময় হৈ পৰিছে। কেতেকী যদিও অকনমানি সৰু চৰাই, তথাপি সিয়ে কবিলৈ কঢ়িয়াই আনিছে সৰগৰ মঙ্গলময় সুধা,—

দেৱৰ দুৰ্লভ আনিছ কি ধৰ্ন
কাকনো বিলাই দিবি ?
কিম্বা ই দেশৰ ভাল বস্তু খিনি
কোন দেশলৈ নিবি ?

গছকত পৰা বাটৰ দুবৰি বনে আৰু সৰু ফুল বোৰেও তেওঁৰ কবিতাত অপৰূপ ৰূপ ধাৰণ কৰিছে, আৰু কেতেকী চৰাই এনে সৰু সৰু ফুলবোৰেৰে পৰিপূৰ্ণ প্ৰকৃতিৰ অফুৰন্ত সৌন্দৰ্য্যৰে ভৰা এখন আনন্দ মুখৰ ঠাইৰহে।

নিতে ফুল যত প্ৰেম পাৰিজাত,
নিকুঞ্জ কাকন ভুমি
বিতৰে সৌৰভ ধীৰ সমীৰনে,
পৰান শীতল কৰি।

প্ৰিয় বিহঙ্গিনীৰ মাজেদিও কবিৰ প্ৰকৃতি প্ৰীতিয়ে স্বৰূপ লাভ কৰিছে। বিহঙ্গিনীৰ অমিয়া সুৰৰ মধুৰ মূৰ্চ্ছনাই কবিৰ মনত শৈশৱৰ সোৱৰনী জগাই তুলিছে,

হৃদয়ৰ স্তৰে স্তৰে শৈশৱ কাহিনী
জগাই অতীত স্মৃতি
তোমাৰ শুৱলা গীতি
মানস হ্ৰদত হাঁহে আশা কুমুদিনী।
গোৰাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী।

আকৌ বিহঙ্গিনীৰ লগতে কবিয়ে বিহঙ্গিনী বিহাৰ কৰা বিচিত্ৰ প্ৰকৃতিৰো স্বৰূপ ফুটাই তুলিছে।—

কণ্ঠত মিলাই লই ছত্ৰিশ ৰাগিনী
প্ৰেমিকা বিহগী তুমি।
—ভূলালা কাকন ভূমি,
গিৰি, গুহা, উপবন, সিন্ধু তৰঙ্গিনী।

কবিয়ে বিহঙ্গিনীক নিজৰ পৰা আতৰাই ৰাখি তাৰ বৰ্ণনা দিবলৈ যোৱা নাই। বিহঙ্গিনীৰ লগতে একাৰ্থ হৈ পৰিছে। বিহঙ্গিনীৰ হিয়াৰ লগত কবিৰ হিয়াৰ আদান প্ৰদানো ঘটিছে। বিহঙ্গিনীৰ অমৃত ময় সুৰত কবিয়ে সেই বিহঙ্গিনীৰ পিছে পিছে অনাই বনাই বনে বনে ঘুৰি ফুৰিছে। কবিৰ ধাৰণা, মুকলি মুৰীয়া, ৰংমনে গীত গাই ফুৰা বিহঙ্গিনী এনে এখন দেশৰ বস্তু যত আনন্দৰ প্ৰেম মন্দাকিনী সদায় কুলু কুলু সুৰে প্ৰবাহিত হৈ আছে। সেইবাবে ইংৰাজ কবি শ্বেলীয়ে পছুৰা বতাহৰ লগত দুখময় পৃথিবী এৰি গুচি যাব খোজাৰ দৰে কবিও বিহঙ্গিনীৰ লগতে সদায় প্ৰেম মন্দাকিনী বৈ যোৱা অজান দেশলৈ উৰি যাব বিচাৰিছে। ৰঘুনাথ চৌধাৰীৰ "বিহঙ্গিনী" গগণ বিহাৰী সামান্য চৰাই নহয় বিভুৰ প্ৰতিনিধি।—

মৰ্ত্ত্যবাপী মানৱক দিবলৈ জুৰনি,
তোমা হেন প্ৰিয় নিধি
পঠিয়াই দিলে বিধি,
স্বৰ্গীয় দূতৰ বেশে কণ্ঠে সুধা সানি;
গোৰাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী।

আকৌ "দহিকতৰা" চৰাই কবিৰ সৰু কালৰ স্বৰূপ বিহীন প্ৰিয় বিহঙ্গিনীৰেই মূৰ্ত্ত আকৃতি ইয়াৰ কেন্দ্ৰস্থভাবৰ অঙ্কৰো কবিৰ প্ৰিয় বিহঙ্গিনীতেই পোৱা যায়" (ডঃ কাকতি)

এই দুটি কবিতাৰ চৰাই "জীৱন তোষিনী" প্ৰেমিকা মূৰ্ত্তি—

তোমাৰ সঙ্গীতে প্ৰিয়ে জানে কি মোহিনী
আশাৰ পতুম পাহি
মাৰে মিচিকিয়া হাহিঁ
হৃদয়বীনত বাজে প্ৰেমৰ ৰাগিনী। (কেতেকী)

প্ৰিয়তমাৰ পৰশত গছলতা মুঞ্জৰিত হোৱা কথা কাব্য জগতৰ নতুন কথা নহয়। কবিৰ বিশ্বাস প্ৰেয়সীৰ পৰশত হে ফুল ফুলে

আৰু চৰায়ে গীত গায়। ইংৰাজ কবি Tennysonএ কবৰ দৰে

For her feet have touched the meadows
Find left the daisies gay!

তেওঁৰ মতে প্ৰিয়তমাই ভৰিৰে পথাৰখন চুই দিয়াতহে ডেইজী ফুলবোৰে জক মকাই উঠিছে। আকৌ সংস্কৃত সাহিত্যত তিৰোতাৰ পৰশত প্ৰিয়ঙ্গু মুখৰ মদিৰা ফুৰাই দিলে বকুল আৰু সমুখত নৃত্য কৰিলে মনিৰাজ ফুল ফলি উঠে। "কিন্তু কবি চৌধাৰীৰ ডাঙৰীয়াৰ কবিতাত ফুল ফুলি উঠাৰ বেলেগ কাৰণ আছে। প্ৰকৃতিৰ শোভা অসমত তৰুনীৰ কাৰণে নহয়, কিন্তু কবিৰ প্ৰিয় বিহগী দহিকতৰাৰ মাততেই তৰুতুন পল্লৱিত হৈ উঠে আৰু ৰামধেনু আকাশত নীলিমা আভাৰে ব্যক্ত হয়।"— (ডাঃ কাকতি)

কিয়নো—"সঙ্গীতৰ সুধাধাৰা দিলি তই বাকি
আকাশত ৰামধেনু
ৰঞ্জিলে নীলিমা তনু"

আকৌ দহিকতৰাৰ অপূৰ্ব্ব মাতৰ বাবেই—
"সোনগুটি সোনাৰুৱে লই থোপামনি।
কণক কবিতা ৰচি
দিছে প্ৰেম উপবাচি,"—
ইত্যাদি।

কবিৰ প্ৰিয় বিহগী দহিকতৰা ইংৰাজ কবি ৱাডচৰাৰ্থৰ প্ৰেমিকাৰ নিচিনা—

—A maid whom there is none
to praise and if very few to love"

আনৰ অনাদৃতা দহিকতৰা যি দৰে কবিৰ প্ৰিয় বিহীন জীৱন তোষিনী সেই আনৰ অনাদৃতা ফুলেও তেওঁৰ হাতত অপৰূপ সৌন্দৰ্য্য ব্যঞ্জক হৈ পৰিছে—

লুইতৰ কানে কানে কহুৱাৰ ফুল
বতাহত হালি জালি
ঢৌৱে ঢৌৱে ঢৌ খেলি
তুষাৰ ধবল কান্তি ধৰিছে বিপুল।
যেন সুৰ তৰাঙ্গিনী পুলকে আকুল"

কবিৰ প্ৰানৰ স্পৰ্শত নিৰ্জ্জীবো সজীৱ হয় আৰু সজীৱো কেতিয়াবা নিৰ্জ্জীৱ হৈ পৰে। প্ৰকৃতি কেৱল আনন্দ জ্ঞাপক বা সৌন্দৰ্য্যৰ আধাৰেই নহয়, প্ৰকৃতিৰ মানুহৰ দৰে আনন্দ, অনুভূতি আৰু উদ্দীপনাও আছে—

গোলাপ গিৰিমল্লিকা আদিক কবিয়ে যেতিয়া কৈছে তেতিয়া ই তেনেই সজীৱ আৰু ঘৰুৱা হৈ পৰিছে।

কাৰ পৰশত ফুলিলি বান্ধৈ
অ মোৰ সাদৰী ফুলাম পাহি
শ্যামলী পাতৰ উৰনি গুচাই
কাৰ ফালে চাই মাৰিলি হাঁহি।
(গোলাপ)

আকৌ নৰমল্লিকা ফুলক সম্বোধন কৰিছে
সাথি অনৰগুণ্ঠিতা ফুল্ল শিখৰী
ৰঞ্জি মনিকনিকাৰ হৰিত মেখেলা
আছা শোভি শুভ্ৰ বেশে
(গিৰি মল্লিকা)

আকৌ দহিকতৰাক কৈছে,
পুষ্পবৃষ্টি হল তোৰ পৰশ মনিত
নমজ ঘাহনি ভৰা।
পানী পিয়লীৰে ভৰা
(দহিকতৰা)

সেইদৰে কেতেকী চৰাইক কৈছে—

মদালাপী কুলি তোকে চাবলৈ
আহিছে মূৰটো চুঁচি
(কেতেকী)

ইত্যাদি ইত্যাদি কল্পনা যেতিয়া কবি চৌধাৰীয়ে প্ৰকৃতিৰ চৰাই বা ফুলক লৈ কৰে, তেতিয়া প্ৰকৃতিত কেৱল সজীৱত্বই আৰোপিত নহয়, প্ৰকৃতিৰ মানুহৰ দৰে আশা আকাঙ্খা, উলহ মালহ, প্ৰেমপ্ৰীতি, অনুভূতি আদি থকাহে সচায়।—

কবিয়ে প্ৰকৃতিৰ মাজেদি নিজ অন্তৰৰ পৰিচয় দিছে—

ফুলি আছে মোৰ মানস হ্ৰদত
সোণালী পদুম পাহি ।

সাহিত্যৰ এই প্ৰকৃতি প্ৰীতি পাশ্চাত্য সাহিত্যৰ পৰুক্ষফল। পাশ্চাত্য সাহিত্যৰ ৰোমাণ্টিকতাৰ অন্যতম প্ৰধান লক্ষন আছিল প্ৰকৃতি প্ৰীতি। এনে দৃষ্টিভঙ্গীৰ ওপৰতে নিৰ্ভৰ কৰি বহুতে কব খোজে যে অসমীয়া সাহিত্যত চিৰ বিদ্যমান প্ৰকৃতি প্ৰীতিও পাশ্চাত্যৰ প্ৰভাৱত গঢ়ি উঠা। কিন্তু এই যুক্তি তেনেই ভীত্তিহীন। বিশেষকৈ চৌধাৰীৰ কবিতাত এই ভাব পৰিলক্ষিত নহয় ।

প্ৰকৃতি প্ৰীতি ভাৰতীয় জাতীয় জীৱনৰ বৈশিষ্ট। হাবি বন পৰ্ব্বত পাহাৰত আশ্ৰয়লৈ তৎপস্যাৰত হোৱা ভাৰতীয় ধ্যানী জীৱনৰ লক্ষ্য প্ৰকৃতি আছিল, ভাৰতীয় জ্ঞানী আৰু ধ্যানী জীৱনৰ উৎস ভূমি। তৰু তৃন পল্লবেৰে ভৰা ভাৰতীয় তথা অসমীয়া লোকৰ জীৱনৰ প্ৰতিটো পল অনুপলেই প্ৰকৃতিৰ লগত নিবিড় সমন্ধ। গছ লতা তৰু তৃন পৰ্ব্বত সাগৰ আদি সকলোবোৰ প্ৰাকৃতিক সম্পদৰ মাজেদি ভাৰতীয় লোক ঈশ্বৰ জ্যোতিৰ সন্ধান পাইছে আৰু প্ৰকৃতিৰ মাজেদিয়ে ভাৰতীয় লোকে জীৱন দৰ্শন দেখিবলৈ পাইছে। কালিদাসৰ শকুন্তলাই প্ৰকৃতিৰ গছলতা, তৰু তৃন আদিকে কেৱল সোদৰ পাম চেনে প্ৰীতি জনোৱা নাছিল।

শকুন্তলাৰ মানৱীয় সকলোবোৰ গুণৰ মূলতে আছিল আশ্ৰমৰ মুক্ত আকাশ আৰু দ্বেষ বিদ্বেষহীন প্ৰকতিৰ প্ৰভাৱ। শকুন্তলাৰ বিবাহৰ সময়ত গছ লতিকাই উপহাৰ পঠিয়াইছে, বনকুৰবীয়ে আশীৰ্ব্বাদ দিছে। কুলি চৰাইয়ে আনন্দত উৰুলি দিছে ঠিক সেইদৰে শকুন্তলাৰ আশ্ৰমৰ পৰা বিদায়ৰ সময়ত গোটেই আশ্ৰমজুৰি ক্ৰটি বিষাদৰ ঘনীভূত শোকাকুল পৰিবেশৰ সৃষ্টি হৈছিল। শকুন্তলাৰ বিৰহ বেদনাত হৰিনে খাবলৈ লোৱা ঘাহোঁ এৰি পেলাইছে। ময়ুৰে নৃত্য এৰিছে, গছলতিকাই শ্যামলী পাতৰ মাজেদি চকুপানী টুকিছে, প্ৰকৃতি প্ৰিয় ভাৰতীয় লোকে প্ৰকৃতিক ভাল পাইছিল কাৰণেই বোধকৰো প্ৰকৃতিৰ মাজত আশ্ৰমৰ জীৱনযাপন কৰিছিল। কবি চৌধাৰী ভাওৰীয়াও প্ৰকৃতিৰ মাজতেই ডাঙৰ দীঘল হৈছিল আৰু তেওঁৰ ব্যক্তিগত জীৱনত প্ৰকৃতিৰ প্ৰভাৱ অপৰিসীম। চৌধাৰীৰ কবিতাত কেৱল ইন্দ্ৰিয় গ্ৰাহ্য মনোহিনী ৰূপচ্ছটাকে চিত্ৰিত কৰা নাই প্ৰকৃতিৰ অনুভূতি প্ৰৱনতা, ৰমনীয় কমনীয়তা আৰু ধ্যান দৃষ্টি প্ৰকাশ পাইছে। চৌধাৰীৰ কবিতাত প্ৰকৃতিয়ে যি দৰে জীৱন্ত আৰু বাস্তৱ ৰূপ লৈছে আন যি কোনো কবিৰ কবিতাত তেনে ৰূপ পৰিগ্ৰহ কৰিব পৰা নাই।

# "নেফা"ত ভ্ৰমণ

শ্ৰীমতী ৰুক্মিণী বৰুৱা

উত্তৰ পূব সীমান্ত অঞ্চলৰ বিষয়ে কিতাপ পঢ়ি আৰু NEFA এই আখৰ কেইটি দেখি দেখি ঠাইখন চোৱাৰ এটা হেঁপাহ মনত সৰুৰে পৰাই পুঁহি ৰাখিছিলো। এদিন হঠাৎ আচৰিত ভাবেই এই আশা পূৰণ হল। অফিচৰ পৰা আহি এদিন দেউতাই কলেহি যে দেউতা অফিচৰ কামত নেফালৈ যাব। মই তেতিয়া "হায়াৰ চেকেণ্ডেৰী স্কুলৰ শেষ পৰীক্ষা দি উঠিছো। গতিকে হাতত আজৰি সময় যথেষ্ট। যাবৰ মন আছে যদি দেউতাই মোকো ওলাব পাৰা বুলি কলে। মই তাকে বিচাৰিয়ে ফুৰিছিলো। মই ভালেই পালো। লৰালৰিকৈ আৱশ্যকীয় বস্তু কেইপদ মান বান্ধি পিচ দিনা ৰাতিপুৱাই মই, মা আৰু দেউতাই ডিব্ৰুগড়ৰ আমাৰ ঘৰৰ পৰা যাত্ৰা আৰম্ভ কৰিলো। তেতিয়া বাৰিষা দিন আছিল গতিকে আমি জীপেৰেই গৈছিলো। আমি যাবৰ দিনতে পুৱাৰ পৰাই চিপ চিপকৈ বৰষুণ দি আছিল। পিচলৈ অৱশ্যে বৰষুণ এৰিছিল। আমি গৈ "ৰূপাই" পালোগৈ আৰু তাৰে পৰাই "নেফা" অভিমূখে যোৱা ৰাস্তা ঠিক আছেনে নাই খবৰ কৰা হল। কাৰণ পাহাৰীয়া ৰাস্তা—তাতে বাৰিষা দিন, কোন সময়ত ৰাস্তা আৰু দলং আদি বেয়া হয় একো নিশ্চয়তা নাই। সেইদিনা আমাৰ ভাগ্য ভাল যে ৰাস্তা ভালেই আছে বুলি খবৰ পালো। লগে লগে আমাৰ জীপ নেফাৰ "নামচাই" অভিমুখে আগবাঢ়িছে বুলিও অফিচলৈ খবৰ দিয়া হল।

"নেফা অঞ্চল"ত সোমাবলৈ হলে "প্ৰবেশ

পত্র" বা "অনুমতি পত্র" লব লাগে। কিন্তু দেউতা চৰকাৰী অফিচাৰ বুলিয়েই আমাৰ তেনে প্ৰবেশ পত্ৰৰ আৱশ্যক নহল। একা-বেকা ৰাস্তাইদি আমি আগবাঢ়ি গৈ আছো পাহাৰৰ বুকুলৈ। আমাৰ আগে আগে এখন মিলিটেৰী জীপ। দুয়োফালে অতব্য জংঘলৰ মাজৰ পৰা ভাহি আহিছে না-না বোৰ বনৰীয়া চৰাইৰ বিকট চিঁঞৰ। চাৰিওফালে পানীৰ সোঁ-সোঁ শব্দ। দিনতেই যেন ৰেলিৰ পোহৰ দেখিবলৈ নাই। চাৰিওফালে গহীণ গহীণ ভাব।

ইয়াৰ অহা যোৱা কৰা ৰাস্তা বিলাক সিমান সুবিধা জনক নহয়। লগতে বিপদৰো ভয় থাকে। অলপ বৰষুণ দিলেই পাহাৰীয়া নৈ বিলাক পানীৰে ভৰি পৰে। আমি যোৱা ৰাস্তাৰ দুয়ো কাষেদি দুখন নৈ প্ৰবল সোঁতেৰে বৈ গৈ আছে। সোঁতৰ গতি দেখিলেই ভয় লাগি যায়। লাহে লাহে সন্ধিয়াই দেখা দিলেহি। মাত্ৰ গাড়ীৰ লাইটৰ পোহৰৰ বাহিৰে আৰু একো দেখিবলৈ নাই। পানীৰ তৰ্জ্জন-গৰ্জ্জন গাড়ীৰ শব্দ আৰু লাইটৰ পোহৰ। কি যে ভয়লগা দৃশ্য।

অৱশেষত আমি "নামচাই" পালোগৈ। ইয়াৰ ভিতৰত নামচাই য়ে অলপ উন্নত ঠাই। নামচাই এখন সৰু টাউনেই বুলিব পাৰি। অসমৰ প্ৰথম কাঠৰ কাৰখানা ইয়াতেই অৱস্থিত। এই শ্ব-মিলৰ কাৰনেই নামচাই বিখ্যাত। আগতে মিলটো ইউৰোপীয় মেনেজাৰে চলাইছিল। বৰ্ত্তমান এজন ধনী মাৰোৱাৰীয়ে কিনি ললে। ই এটা বিৰাট কাৰবাৰ। গভৰ্ণমেণ্টে ও নেফাৰ কাঠৰ পৰা বহু লাখ টকা এই কাৰখানাৰ পৰা পায়। নামচাইত বিজুলী শক্তি আৰু শ্ব-মিলৰ কৰ্ম্মচাৰী সকলৰ ঘৰ অফিচাৰ সকলৰ বঙলা, ফৰেষ্ট বিভাগৰ অফিচ পৰিদৰ্শন বঙলা, পলিটিকেল বিভাগৰ অফিচ আদি আছে। তাৰোপৰি স্কুল ডাক্তৰ-খানা আদিও আছে। এইবিলাক ঠাইৰ বেচি ভাগ অধিবাসীয়েই খামতি। শ্ব-মিলৰ উচ্চ কৰ্ম্মচাৰী সকল বেচি ভাগেই আন ঠাইৰ মানুহ। তেওঁলোকে অসমীয়া কোনেও নাজানে সেয়ে প্ৰথমে আমাৰ অলপ অসুবিধাই হৈছিল। তেওঁলোকৰ মাজত বেচি ইংৰাজী আৰু হিন্দীয়েই বেচি প্ৰচলিত।

আমি থকা ঘৰটোৰ আগেদিয়েই এখন ডাঙৰ নৈ বৈ গৈছিল। পাহাৰৰ ওপৰত বৰষুণ দিলেই নৈ বিলাকৰ পানী বাঢ়ি যায় আৰু বৰষুণ নিদিলে আকৌ কমি যায়। এই দৃশ্য চাবলৈ যে বৰ ভাল লাগে। মই বৰষুণ দিলেই ঘৰৰ দুমহলাত বহি বহি এই দৃশ্য চাই বৰ আমোদ পাইছিলো। সেই দৃশ্য চাবলৈকে মই বৰষুণ দিলে মনে মনে ভালেই পাইছিলো। কিন্তু বৰষুণ দিলে আৰু সেই দিনালৈ আমাৰ ফুৰাৰ মুদা মৰিছিল। তাৰ শ্ব-মিলটোৰ কাৰুকাৰ্য্য সঁচাকৈয়ে চাবলগীয়া। জংঘলৰ পৰা ডাঙৰ ডাঙৰ কাঠ কাটি অনাৰ পৰা মেচিনত সুমুৱাই দিয়ালৈকে সকলো বিলাক কাম হাতীৰেই কৰোৱা হয়। তাত হাতীৰ সমাদৰ বৰ বেচি। বনৰীয়া হাতী ধৰি শিকাই কামৰ কাৰণে প্ৰস্তুত কৰি লোৱা হয়। মানুহে বলেৰে কৰিব নোৱাৰা কাম খিনি চলেৰে

হাতীৰ দ্বাৰা কৰোৱাই লয়।

আমি তাত প্ৰায়ে বতৰ চাই চাই হে ফুৰিবলৈ ওলাব লগীয়া হৈছিল। বাৰিষা আকৌ কিছুমান নৈত নাওঁ নচলে। তেতিয়া সেইবোৰে হাতীৰে পাৰ হব লগীয়া হয়। এদিন আমি মটৰেৰে ডিগাৰুৰ দৃশ্য চাবলৈ গলো। "আলুবাৰী" নামে ঠাইত গাড়ী ৰখাই আমি বাইনকুলাৰ লৈ ডিগাৰু নৈ খন পাহাৰৰ পৰা নামি অহা দৃশ্য দেখিবলৈ পালো। পাহাৰৰ বুকুৰ পৰা অকাই পকাই নামি অহা এটা যেন নিচেই সৰু জুৰিহে। এই নৈৰ সোঁত বৰ বেগী আৰু প্ৰবল। ওচৰত কেৱল পাহাৰ আৰু মিলি যোৱা নামনিৰ বাহিৰে একো দেখিবলৈ পোৱা নাযায়। ইয়াৰ পৰা সোঁফালে অলপ গলেই হিন্দুৰ পবিত্ৰ তীৰ্থ স্থান "পৰশুকুণ্ড" পোৱা যায়। মাঘৰ সংক্ৰান্তিৰ দিনা ইয়াত ডাঙৰ মেলা বহে। সেই সময়ত বিভিন্ন ঠাইৰ পৰা বহুতো তীৰ্থযাত্ৰী ইয়ালৈ আহে। পাহাৰৰ ওপৰৰ ধুনীয়া বাটেদি তুমাইলমান গলেই লুহিতৰ মুখ পোৱা যায়। ই যেন ঘূৰণীয়া হৈ অকাই-পকাই পাহাৰৰ তলেদি বাগৰি গৈছে। তাৰ পৰা আমি আৰু কিছুদূৰ মটৰেৰে তেজুৰ ফালে আগুৱাই গলো। ঠায়ে ঠায়ে বহুতো সৰু সৰু নৈ পোৱা যায়। পানী কেতিয়াবা ইমান কমি যায় যে এই বিলাকৰ ওপৰেদি তেতিয়া গাড়ী চলাই লৈ যাব পাৰি। আমি তেনে দৰে তুখন পাৰ হৈ যোৱাৰ পাচত তৃতীয় খনত হঠাতে আমাৰ মটৰ খন বৈ গ'ল। আমাৰ লগত যোৱা বান্ধনি লৰাটো, ড্ৰাইভাৰ আৰু দেউতা লাগিও গাড়ীৰ লৰচৰ কৰিব নোৱাৰিলে। আনহাতেদি পাহাৰীয়া নৈ তলত বালি আৰু শিলগুটিৰে ভৰা আমাৰ মটৰখন লাহে লাহে তললৈ বহি যাবলৈ ধৰিলে আৰু পানী গৈ মটৰৰ চিট পৰ্য্যন্ত ভিতাৰ নিচিনা হলগৈ। আমি ত্ৰাহি মধুসুধন দেখিবলৈ ধৰিলো। অৱশেষত যেনিবা মিলিটেৰী ট্ৰাক এখন গৈ আমাৰ সৰু কাৰ্‌খন টানি তুলিলেহি। আমিও এই বাৰলৈ ৰক্ষা পৰিলো বুলি ঈশ্বৰক চিন্তি সেই দিনলৈ সিমানতে আমাৰ ফুৰাৰ সামৰণি মাৰিলো। অৰণ্যে বতৰ বেয়া থাকিলে এই বিলাক দৃশ্য দেখা নাযায়।

এইবিলাক ঠাইৰ বেচিভাগ অধিবাসীয়েই "বৌদ্ধধৰ্ম্মাৱলম্বী"। চৌখাম গাওঁৰ মাজ ভাগত ধুনীয়াকৈ সজাইছে "বুদ্ধ-মন্দিৰ"। খামতি সকলে ইয়াক "বাপু-মন্দিৰ" বুলি কয় আৰু বৰ বিশ্বাস কৰে। বেৰোং নামে নৈৰ পাৰত চৌখাম গাওঁ অৱস্থিত। গাওঁৰ কাষেদি বৈ যোৱা নামটেং নামৰ নৈ খনে যেন গাওঁ খনৰ শোভা দুগুণে উজ্জ্বলাই তুলিছে। এই নৈ খনৰ কোবাল সোঁত আৰু ঢৌ দেখিলে আচৰিত লাগি যায়। সন্ধিয়া সময়ত একাবেকা ধুনীয়া ৰাস্তাৰে পাহাৰৰ মাজে মাজে চৌখামলৈ গৈ বৰ ভাল লাগিছিল। তলত এৰি যোৱা ৰাস্তাবোৰ ওলটি ওলটি চাই আৰু ৰাস্তাৰ দাতিৰ গছবোৰ গাড়ীৰ ভিতৰৰ পৰাই টানি আজুৰি বৰ আমোদ পাইছিলো। কেউপিনে মাত্ৰ পাহাৰ আৰু পাহাৰ. শাৰী শাৰী সেউজীয়া গছৰ মাজে মাজে হাতীৰ পাল। মাকৰ লগত অকনমানি লোদোৰ-পোদোৰ হাতী

পোৱালীয়ে ধেমালী কৰা দৃশ্য যে কি মনোৰম। ইয়াৰ টিলাবোৰত অনেক খেতি দেখিবলৈ পোৱা যায়। জলবায়ু ও ভাল। লাহে লাহে ঢেকীৰ মাত আমাৰ কাণত পৰিলহি। অলপ দূৰ গৈ আমি দেখিবলৈ পালো নামটেঙৰ পাৰত শাৰী শাৰী ঢেকী। এইবিলাক নিজে নিজেই চলিব লাগিছে আৰু তিৰোতা সকলে আপোন-মনে ধান বানি চাউল উলিয়াই নিচে। এনে বিতোপন দৃশ্য আমি গাড়ী ৰখাই নামি নাচাই নোৱাৰিলো। ই হৈছে পানীৰ সোঁতত চলা এবিধ ধান বনা যন্ত্ৰ। অসংখ্য চকা পেলাই থৈছে পানীত আৰু তাৰ লগত সংযুক্ত ঢেকী বিলাক সোঁতৰ কোবত নিজে নিজেই চলিছে। অনাৱশ্যকীয় সময়ত এই বিলাক চাবিৰ সহায়ত বন্ধ কৰি যোৱা হয়। তেওঁলোকৰ বুদ্ধিক সঁচাকৈ শলাগিব লগীয়া। অলপ দূৰ গৈ দেখিলো নামটেঙৰ ওপৰত ওলমা-দলং। ডাঙৰ খুটাত শকত শকত তাঁৰ মেৰিয়াই মেৰিয়াই ওলমি থকাকৈ সাজিছে দলং খন। চাইকেলেৰে পাৰ হৈ যাব পাৰি কিন্তু বৰ লটং-পটং কৰে। নামটেং নৈ খনে তলত টেঙাপানী নাম লৈ লোহিতত মিলিছে গৈ। এই লোহিতেই ভৈয়ামত আমাৰ ব্ৰহ্মপুত্ৰ।



# ইন্‌টেলেক্‌চুৱেলিজম্‌ সাহিত্যত

শ্ৰীবসন্ত কুমাৰ বৰা
১ম বাৰ্ষিক, কলা।

সামগ্ৰিক ভাৱে সাহিত্যক বিচাৰ কৰি চাবলৈ গলে ইয়াৰ ঐতিহাসিক বিশ্লেষণৰ দৰকাৰ। বহুতো স্বকীয়া বিশেষত্ব, লক্ষণ, প্ৰকাশভঙ্গীৰ ধৰণকৰণ আৰু ভাৱৰ একতাৰ সহায়লৈ সাহিত্যক বিভিন্ন যুগত, বিভিন্ন ভাগত বিভক্ত কৰিব পৰা যায়। তেনেধৰণে ইংৰাজী সাহিত্যিকে পৰ্য্যবেক্ষণৰ তুলাচনিত জুখি চালে উনৈশ শতিকাৰ পৰা এতিয়ালৈকে তেনে কোনো সু-সংগঠিত ঐক্য এটা লেখাৰিকে দেখিবলৈ পোৱা নাযায়। তথাপি এই বিশাল সাহিত্য ৰাজিৰ মাজত, অধ্যয়ণকাৰী সকলে একোটা "বিচাৰ" বা "বুদ্ধি" সু-স্পষ্ট ভাৱে দেখিবলৈ পায়। ইয়েই চমুকৈ সাহিত্যত ইন্‌টেলেক্‌চুৱেলিজম্‌ বা বুদ্ধিমত্তা।

এইটো স্বীকাৰ্য্য যে সাহিত্য সমাজজীৱনৰ স্বীকাৰ্য্য যে সাহিত্য সমাজজীৱনৰ স্বাক্ষৰ বহনকাৰী বাহন স্বৰূপ। সমাজৰ চিত্ৰক বাঙ্ময় ৰূপদান দিয়ে সাহিত্যই। এই সাহিত্যৰ বহুতো উপাদানৰ ভিতৰত 'কল্পনা' ও এক অন্যতম উপাদান। কল্পনাৰ সহায়েৰে সাহিত্যক সৰস আৰু অধিক মনোগ্ৰাহী কৰা হয়। আনহাতে বুদ্ধিমত্তাৰ ভুমিকা সাহিত্যৰ লগত কিমান হ'ব পাৰে সেইটো বিচাৰ কৰিব লগীয়া কথা। গতিকে এইখিনিতে "বুদ্ধি' আৰু 'কল্পনা", শব্দ দুটাৰ পাৰ্থক্য সম্পৰ্কে জনা দৰ্কাৰ। ইংৰাজী সাহিত্যত ব্যুৎপত্তি থকা অসমীয়া সমালোচক এজনে বুদ্ধিক "ভাঁজ নোখোৱা তীখা,— আৰু কল্পনাক ভাঁজখোৱা চোকা, অথচ মধুৰ বুলি তুলনামূলক ভাৱে শব্দ দুটাৰ অৰ্থৰ ব্যাখ্যাদিছে। এটা কঠিন কাম সমাধান কৰিবলৈ বা টান অঙ্ক এটা কৰি উলিয়াবলৈ বুদ্ধিৰ আৱশ্যক। কিন্তু শকুন্তলাৰ কণ্ব মুনিৰ আশ্ৰম এৰি পতি গৃহলৈ যাত্ৰা কৰাৰ দৰে সৌন্দৰ্য্যময়ী দৃশ্য এটাৰ বৰ্ণনা দিবলৈ অকল বুদ্ধিৰে একো কৰিব নোৱাৰি। ইয়াত কল্পনা বিলাসী আৰু সুন্দৰৰ ৰঙে বুলোৱা এটা সৰল শিল্পী মনৰ প্ৰয়োজন। এই সন্দৰ্ভত বুদ্ধি গৌণ,—কিন্তু কল্পনাৰ তীব্ৰতাহে মুখ্য হিচাবে প্ৰমাণিত হয়। বুদ্ধিমত্তাৰ আলোচনা কৰি সমীক্ষা এটি দাঙি ধৰিবৰ বাবেহে ওপৰৰ আলোচনাখিনি কৰা হৈছে

আধুনিক সাহিত্যতহে যে কেৱল বুদ্ধিমত্তাৰ স্থান আছে এনে নহয় ই পুৰণি সাহিত্যতো আছিল। এৰিষ্টটেল আৰু প্লেটোৰ লিখনি সমূহত বুদ্ধিমত্তাৰ পৰিচয় প্ৰবল ভাৱে দেখিবলৈ

পোৱা যায়। প্লেটোৰ লিখনি অৱশ্যে কিছু পৰিমাণৰ "ৰোমান্তিক," ভ্ৰান্ত কল্পনা সুলভ দৃষ্টি আছে ছাঁয়া মায়া পোহৰৰ লুকা ভাকু খেলা আৰু ভাৱৰ ঐন্দ্ৰজালিকতা দেখা যায়। কিন্তু এৰিষ্টোটেলৰ লিখনিত কল্পনাৰ ছাঁয়া-ময়া নাই। সি বিলাক শুকান, কেৱল পাণ্ডিত্যপূৰ্ণ অগাধ বৈজ্ঞানিক যুক্তিপূৰ্ণ আৰু বিশ্লেষণ শক্তিৰ নমুনা থকা লিখনি। প্লেটোৰ দৰে সহজ সৰল আৰু কল্পনাৰ ৰহন সানি তেওঁৰ লিখাবোৰ ৰাইজৰ আগত দাঙি ধৰিব নোৱাৰিছিল। অৱশ্যে তেওঁ শিল্পসমালোচক হে আছিল. শিল্পী নাছিল।

আধুনিক সাহিত্যৰ এই বুদ্ধিমত্তাই বহুল প্ৰসাৰতা লাভ কৰিছে আৰু সাহিত্যৰ গতি-ধাৰাৰ বিৱৰ্ত্তনৰ লগে লগে তাৰ প্ৰকৃতিও পৰিবৰ্ত্তিত হৈছে। উদাহৰণ স্বৰূপে চেক্সপীয়ৰৰ সাহিত্যৰ লগত বাৰ্ণাডশ্বৰ লিখনি তুলনা কৰিলে 'কিং লিয়েৰ'কৈ 'মেন এণ্ড্ চুপাৰমেন" খনত কল্পনাৰ সৰসতাৰ ঠাইত বুদ্ধি নিষ্ঠাই, বা বুদ্ধিৰ নীৰসতাই কেনেকৈ ঠাই অধিকাৰ কৰিছে—ভালদৰে ওলাই পৰে। অৱশ্যে ইয়াৰ পাছৰ যুগৰ সাহিত্যিক জনৰ নিজা গৌৰৱো যথেষ্ট আছে। কিন্তু সাহিত্যৰ গতিনিৰ্ণয়ত এই উদাহৰণটো এৰি পেলাব পৰা বিধৰ নহয়। প্ৰাচীন সাহিত্য আৰু চিন্তাধাৰাত এটা গাঢ় প্ৰশান্ত, সৌম্য অথচ সুষ্ঠ সজীৱতা আছিল। আজি কিন্তু তাৰ সলনি বুদ্ধিবাদৰ প্ৰানহীন, সাময়িক পৰিৱেশ সিক্ত বাতাবৰণ এটা আহি পৰিছে। এইটো অনুমান কৰিব পাৰি আধুনিক ভাবুকে ভাবৰ কাৰণেই ভাৱে। জীৱনৰ তান অনুভূতিৰ তীব্ৰতা তথা স্নেহৰ নমনীয় সুকোমলতা তাত নাই, বৰঞ্চ সিবিলাকৰ অস্ত্ৰোপচাৰৰ চেষ্টাহে আধুনিক সাহিত্যত আছে। আধুনিক সাহিত্যিক সকলক লাগে সীমাহীন জ্ঞান, তেওঁলোকক লাগে বিদ্যা, অজানক জানিবলৈ, ৰহস্য-সাঁথৰক আয়ত্ব কৰি শক্তিলাভ কৰিবলৈ জীৱনক শান্তিময় কৰিবলৈ নহয়। তেওঁক লাগে সকলোৰে ওপৰত কৰ্ত্তৃত্ব পাবলৈ আৰু বুদ্ধিৰ যুদ্ধ খেলিবলৈ। পৃথিবীত আকাশত আন্ধাৰত, সাগৰত সকলোতে অগ্নি সংযোগ কৰি নিজৰ ভৌতিক শক্তিৰ খেলা চাই নিজ প্ৰাধান্যত হাঁহি মাৰিবলৈ। তেওঁ লোকৰ উদ্দেশ্য হ'ল পাৰ্যমানে ওপৰলৈ যোৱাৰ।

আপাত দৃষ্টিত চাবলৈ গলে ইয়াত কোনো ধৰণৰ আপত্তি থাকিব নোৱাৰে। হয়তো নতুন যুগৰ নবীন মানুহে এটা বুদ্ধিগত শৃঙ্খলা বিচাৰিছে। যুগৰ পৰিবৰ্ত্তন আৰু মানৱ প্ৰগতিৰ পৰিপ্ৰেক্ষিতত ধৰাৰ বুকুলৈ নানা বিবৰ্ত্তনৰ ঢৌ সকলো ফালৰ পৰা আহিব ধৰিছে—তাৰ পটভূমিত নতুন মন, প্ৰবৃত্তি, শক্তি, বুদ্ধি, স্নেহ অনুভূতি বিশ্বাস, আস্থা, ইত্যাদিৰ সম্প্ৰসাৰণৰ দ্বাৰা এটা নতুন পটভূমিৰ সৃষ্টি কৰি জীৱন উপলব্ধি কৰিবলৈ প্ৰয়াস কৰিছে আধুনিক সাহিত্যিক সকলে। দৰ্শন শাস্ত্ৰৰ ফালৰ পৰা বুদ্ধি আৰু যুক্তিৰ নৱ উন্মেষনক সমৰ্থন কৰিব পাৰি; কিন্তু আৰ্ট আৰু সাহিত্যৰ ওপৰত তাৰ অপ্ৰত্যাশিত অস্বাভাৱিক প্ৰতিক্ৰিয়া হৈছে। বুদ্ধিবাদৰ কৰ্কশতাই সাহিত্যক গ্ৰাস্ কৰি তাৰ আনন্দ দায়িনী শক্তিক বিনাশ কৰিব ওলাইছে। বুদ্ধি

মত্তাই সাহিত্যৰ প্ৰাচীন আস্থা অনুষ্ঠানকে ভাঙি পেলাব ধৰিছে এনে নহয়—শতাব্দীৰ পিছৰ শতাব্দী জুৰি নানা তৰহৰ লোকৰ জ্ঞান গৰিমাৰ পৰীক্ষাৰ মাজেৰে সমুজ্জ্বল হৈ অহা কিছুমান বিশ্বাসকো ঠৰক-বৰক কৰিছে। বুদ্ধিমত্তাৰ জৰিয়তে সামূহিক বিচাৰ বুদ্ধিতকৈ ব্যক্তিগত জ্ঞান আৰু পৰীক্ষাই বেছি প্ৰাধান্যতা লাভ কৰে। কিন্তু ব্যক্তিগত পৰীক্ষা-নীৰিক্ষাই শেষ সঙ্কেত নহয়। কিন্তু সেয়ে হলেও যুক্তি বুদ্ধিয়ে এক বিৰাট ধ্বংশৰ ( Iconoclasm ) অৱতাৰণা কৰিছে।

এনেধৰণৰ উদাহৰণ বিশ্বৰ বিভিন্ন সাহিত্যত প্ৰচুৰ পাবলৈ আছে। ডি এইচ লৰেন্সে 'ডি মেন্ হু রাজ ৱাইণ্ড', নামৰ বিখ্যাত গল্পত কলে যে যীশুখৃষ্ট আৰু তেওঁৰ মহাত্ম্য সমূহ "সজা কথা" মাত্ৰ। বিশ্বৰ অগনন লোকৰ প্ৰাণত প্ৰতিষ্ঠাহোৱা চিৰন্তন এটা সত্যক যুক্তিবাদৰ দ্বাৰা থকা সৰকা কৰাৰ কি বিৰাট চেষ্টা। আমাৰ অসমীয়া সাহিত্যতো তেনে উদাহৰণ আছে। উদাহৰণ স্বৰূপে হিতেশ ডেকাৰ "আচল মানুহ", নামৰ উপন্যাসখনত হিন্দুধৰ্ম্ম, খৃষ্টান ধৰ্ম্ম আৰু গান্ধীজীৰ অহিংস নীতিৰ প্ৰতি যুক্তি সহ, তথাকথিত বুদ্ধিবাদৰ কৰ্কশতা অৱতাৰণা কৰা হৈছে।

আধুনিক বুদ্ধিমত্তাৰ জন্মৰ প্ৰধান কাৰণ হল নব্য বিজ্ঞান আৰু ইয়াৰ বাস্তৱবাদী প্ৰতিক্ৰিয়া। বিজ্ঞানে কেৱল সাহিত্যকে নহয়, পৃথিবীৰ সকলো ভাৱকেই নিটোল ৰূপত নতুন পথত পৰিচালিত কৰিছে। অধিক কি, ই সকলো বস্তুৰে ভেটি এটা নতুন শৃঙ্খলাত পুনৰ্নিৰ্ম্মাণ কৰিছে। সকলোতে চিন্তা চৰ্চা, কথা-ৱাৰ্ত্তাত, বিজ্ঞানে এটা নতুন পৰিমানৰ প্ৰয়োজনীয়তা আনিছে। বিজ্ঞানৰ উদ্দেশ্য হল সকলোকে পৰীক্ষা কৰি তাৰ পুংখানুপুংখৰূপ-টোহঁত জানি লোৱা। ইয়াকে কোৱা হয়—বিজ্ঞান - সম্মতৰূপ বা বৈজ্ঞানিক প্ৰনালীযুক্ত বিচাৰ বুদ্ধি ইয়াত বুদ্ধি আৰু যুক্তিৰ প্ৰাধান্যতা আবেগ-অনুভূতি আৰু কল্পনাতকৈ অধিক প্ৰৱল। কিন্তু মনোন্মেষ প্ৰৱল অনুভূতি আৰু কল্পনাৰ মাধুৰ্য্য পৰ্য্যন্ত বুদ্ধি যুক্তিৰে জুখি চাবলৈ আৰম্ভ কৰিলে সাহিত্যৰ মূল সত্বাক অপমৃত্যু ঘটাবলৈ কৰা কঠোৰ চেষ্টা হ'ব। তেনেহলে মূল্যাংকনৰ পৰীক্ষাগাৰতে সাহিত্য বন্দী হৈ থাকিব। জনমানসৰ স্বতঃস্ফুৰ্ত্ত আবেগ অনুভূতি কঢ়িয়াই মনৰ আনন্দ দান দিয়া কাৰ্য্যত সাহিত্য সাহিত্যই পুৰামাত্ৰাই লাগিব নোৱাৰিব। গতিকেই নব্যবিজ্ঞানে আনি দিয়া যুক্তিবাদ আৰু বুদ্ধিবাদ সাহিত্যৰ পৰিপন্থী বুলি কব পাৰি। সকলোতে এটা ধৰাবন্ধা অনুশাসন আহি পৰিছে গতিকে এনে এটা অনুশাসন আৰু ধৰাবন্ধা নীতি নিয়মৰ মাজত কবি সাহিত্যিকৰ প্ৰাণৰ স্বাভাৱিক শ্লীলতা ৰক্ষা কৰিবলৈ টান হৈ পৰিছে। এনে সময়ত সাহিত্যৰ পৰিসৰ শোচনীয় আৰু সীমাবদ্ধ হোৱাটো স্বাভাৱিক। এনে দুৰ্য্যোগৰ সময়ত সাহিত্যত ডোখৰীয়া প্ৰচেষ্টাৰহে কিছু প্ৰাধান্য লাভ হয়। কিন্তু যুগৰ স্বাক্ষৰ বহন কৰিবলৈ সাহিত্যত ডোখৰীয়া প্ৰচেষ্টাৰ প্ৰতিভাই কোনো সামগ্ৰিক ঐতিহ্যদান দিব নোৱাৰে। সাহিত্য সামূহিক প্ৰচেষ্টাৰ ঐতিহ্যৰে সমৃদ্ধ হব লাগিব তেতিয়াহে ই কালজয়ী ৰূপ পাব।

বুদ্ধিবাদৰ চৰম বিকাশে সামাজিক গতি প্ৰবাহ চঞ্চল কৰি তোলে। ফলত সামাজিক জীৱন বিক্ষিপ্ত হৈ নানা স্ৰোত ধাৰাত লয়প্ৰাপ্ত হৈ যায়। সাহিত্যিক হেম বৰুৱা ডাঙৰীয়াই বোধকৰো সেইবাবেই তেখেতৰ "ভাৰতীয় পট-ভূমিঃ সাহিত্য সৃষ্টিৰ সমস্যা" নামৰ প্ৰবন্ধত কৈছে—"সামাজিক গতিপ্ৰবাহৰ অবিহনে কোনো সৃষ্টি প্ৰচেষ্টাই সাৰ্থক হ'ব নোৱাৰে। সি জীৱন-জিজ্ঞাসা আৰু মূল্যবোধৰ অভিযানে পূৰ্ব্ববৰ্ত্তী যুগক প্ৰাণৱন্ত আলোড়নেৰে উদ্ভাসিত কৰিছিল, সেই মূল্যবোধ বা জীৱন জিজ্ঞাসা আজি ক'ত ?"

সামাজিক জীৱন গতিশীল হ'বই লাগিব! স্থবিৰতা কোনো সমাজৰে সু-লক্ষণ হ'ব নোৱাৰে। কিন্তু জীৱন-জিজ্ঞাসা আজি অনু-শাসনেৰে নিয়ন্ত্ৰিত হৈছে। লেকাম লগোৱা ঘোঁৰাৰ দৰে যন্ত্ৰবৎ চালিত। আনহাতেদি আমাৰ মাজৰ পৰা পুৰণি মূল্যবোধ হেৰাই গৈছে এটা নতুন যুগক আহ্বান কৰি আনিবলৈ যাওঁতে। নতুন মূল্যবোধকো সমাজ-জীৱনত সম্পূৰ্ণ হজম কৰিব পৰা হোৱা নাই। গতিকে যুগৰ এটা দুৰ্য্যোগত বুদ্ধিবাদে আমাক পৰি-চালনা কৰিছে। তাৰ ফলত সাহিত্যৰ সাৰ্থক সৃষ্টি হোৱাটো কঠিন হৈ পৰিব ধৰিছে।

আধুনিক বুদ্ধিমত্তাই জীৱনৰ বিষয়ে স্থায়ী সত্য-তত্ব শিকাব নোৱাৰে। অংশ বিশেষে, সময় বিশেষে কেতিয়াবা পৰিস্থিতি বিশেষে উজ্বল ধৰণৰ হলেও, সমষ্টিগত ভাৱে, সামূহিক ৰূপত ই সুস্থিৰ, সৃষ্টিশীল বা বৰ বেছি পৰিপক্ক নহয়। প্ৰাচীন যুগৰ ভাব চিন্তাই আজি অত্যাধুনিক যুগতো তাৰ অপ্ৰতিহত প্ৰভাৱ বিস্তাৰ কৰি আছে। তাৰ পাৰ্থক্য কেৱল বাহ্যাড়ম্বৰতে। সেই বাবেই প্লেটো, ব্যাসদেৱ, হোমাৰ, ডান্টে ইত্যাদি সকল, সকলো যুগতে আধুনিক নহৈও অত্যাধুনিক হৈ আছে। পাশ্চাত্য ভাষা আৰু ভাৱ-ৰাজ্যত গতিকেই এনে এটা স্বয়ং সম্পূৰ্ণ মৌলিক বস্তু নাই—যাৰ বীজ প্লেটো এৰিষ্টটল বা চেক্সপীয়েৰত পাবলৈ নাই।

যি কি নহওক আধুনিক বিজ্ঞানে বুদ্ধি-মত্তাৰ জন্ম দিয়াৰ আগতে তাৰ ক্ষেত্ৰসমূহো তৈয়াৰ হ'ব ধৰিলে। মানুহৰ মনৰ পৰিবৰ্ত্তনে নতুন পট্ভূমি সৃষ্টি কৰিব ধৰিলে। বিৰাট সামৰিক, ৰাষ্ট্ৰনৈতিক, ঔদ্যোগিক আৰু অৰ্থ-নৈতিক বিপ্লৱৰ পৰা ভাৱৰ আৰু চিন্তা ধাৰাৰ পৰিৱৰ্ত্তন হ'বলৈ ধৰিলে। ব্যক্তিয়ে স্বকীয়া স্বত্ব আৰু সন্মানৰ দাবী কৰিবলৈ ধৰিলে। শিল্প-বিপ্লৱ, ফৰাচী বিপ্লৱ আদি মহান বিপ্লৱ-বোৰে পুৰণি মূল্যবোধ হেৰুৱাই নতুন মূল্যবোধ গ্ৰহণ কৰি বেলেগ স্বত্ব আৰু সন্মানৰ দাবী কৰিবলৈ মানুহক শিকাই দিলে। ইয়াৰ পৰি-প্ৰেক্ষিতত "মানৱে"ই অতৰ্কিতে সাহিত্যৰ বিষয় বস্তু হৈ পৰিল আৰু তাৰ সহায় হ'ল যুক্তি বুদ্ধি-চাতুৰ্য্য। মধ্যযুগৰ শেষ সমাধি ঘটিল। "ৰোমান্টিক ৰিভাইভেল"ৰ যুগত অৱশ্যে পোন পতীয়াকৈ 'মানুহ' সাহিত্যৰ বিষয় বস্তু নাছিল। সেই কালৰ কবিসকলৰ সহানুভূতি আছিল প্ৰকৃতি, ফুল, ফল, গছ-পাত, নৈ, জুৰি, প্ৰেম সৌন্দৰ্য্য, অভিমান, পৰী-যাদুকৰী, গ্ৰীচ, ৰোমৰ প্ৰাচীন মনোৰম উপকথা, পাৰস্যউপন্যাসৰ

অলৌকিক ঘটনা আদি ৰহস্যঘন সত্ত্বা ইত্যাদিৰ প্ৰতি। অৱশ্যে সিবিলাকৰ মাজেৰে জীৱনৰ সুঁতী এটি প্ৰৱাহমান আছিল। ৱৰ্ড্‌চৱৰ্থে চে প্ৰকৃতিত "মানৱৰ নীৰৱ বিননি শুনিছিল"। কিন্তু সিয়ে আটাইকে সমানে গ্ৰাস কৰা নাছিল। অৱশ্যে ৰোমান্টিক কবিতাৰ নিজস্ব সৌন্দৰ্য্যও প্ৰচুৰ পৰিমাণে আছিল। কিন্তু দুখ-ক্লিষ্ট মানৱ সমাজৰ প্ৰতি সহানুভূতিশীল ছবি তাত আওপকীয়াকৈহে আছিল। পোনে পোনে লিখা হোৱা নাছিল।

কবি কীট্‌চে আনকি কল্পলোকত থাকিব-লৈকে লৈছিল। ইয়াত মানৱ জাতিৰ কৈশোৰৰ চপলতা, তীক্ষ্ণতনু-মন, চিন্তাহীন আনন্দ-উল্লাস আদৰ্শবাদ আদি আছে। কিন্তু বিশ্বৰ মহাবিপ্লৱৰ প্লাৱনে ইতিমধ্যে ঢৌৱাই অনা ঔদ্যোগিক, ৰাজনৈতিক, অৰ্থনৈতিক বিপ্লৱ বিলাকৰ বৰ্ত্তমানৰ ৰূপটোক পোনপতীয়াকৈ জনসমাজলৈ অনাৰ প্ৰয়াস নাছিল। লাহে লাহে মানৱ জাতিৰ প্ৰৌঢ়তাৰ বুদ্ধিৰ পৰিপূৰ্ণতা উদয় হ'ল। সাহিত্য-চিন্তা আদি সকলোতে "মানৱ" বিনা দ্বিধাই সোমাল; মানুহ বাস্তৱ' হ'ল, কল্পনাৰ প্ৰাধান্যতাৰ ঠাইত, সমাজত, সাহিত্যত বিদ্যা বুদ্ধি আৰু হিচাবৰ প্ৰাধান্যৰ আগমন হ'ল। সভা, সমিতি, বনুৱা ধৰ্ম্মঘট, 'ট্ৰেড্‌ ইউনিয়ন' শ্ৰমিক আন্দোলনত কাল্পনিক বিলাস-মৰ্ত্ততা থাকিব নোৱাৰে। সেইহে উনৈশ শতিকাৰ পৰা প্ৰাচ্য-পাশ্চাত্য সকলো সাহিত্যতে আমি বুদ্ধিমত্তাৰ প্ৰভাৱ বেছিকৈ দেখিবলৈ পাওঁ। ৰাস্কিন, কাৰ্লাইল, ম্যেথু আৰ্নল্ড আদিক আমি সাহিত্যিক হিচাবে অৱতীৰ্ণ হোৱা দেখিলেও প্ৰকৃততে তেওঁলোক দাৰ্শনিক সমালোচকহে। সেইবাবে আৰ্নল্ডে কবিতাৰ সংজ্ঞা দিবলৈ যাওঁতে "কবিতা জীৱনৰ সমালোচনা" বুলি ৱৰ্দচৱৰ্থতকৈ বেলেগ ভাৱে দিছে।

এনেদৰেই কবিতা, গদ্য-ৰচনা, নাটক, উপন্যাস গল্প সকলোতে বুদ্ধিমত্তাৰ বিকাশ দেখি-বলৈ পাওঁ। যি কি নহওক সাহিত্যত বুদ্ধিমত্তাৰ একোনীয়া দৰ্শন। ইয়াৰ সৃষ্টিৰ আদিতে নিৰ্ম্মানৰ কোনো মহৎ উদ্দেশ্য নাথাকে। জীৱনৰ স্নেহ প্ৰীতি, আৰু সত্যক বুজিবলৈ যি কল্পনা আৰু সহানুভূতিৰ অতীব প্ৰয়োজন তাৰ পৰিমান আধুনিক সাহিত্যত কম। গতিকে ইয়াক প্ৰেৰণা সাহিত্য (instinct literature) বুলিব'ল উপায় নাই—,ই হ'ল বৌদ্ধিক সাহিত্য (intellectual literature)। সমাজৰ সাময়িক ৰূপ আৰু অৱস্থাক অকনো আঁৰবেৰ নকৰি নগ্ন হিচাবে আধুনিক সাহিত্যত দেখুওৱা হয়। কিন্তু বুদ্ধিৰ অসীম শক্তিৰে শান্তিপূৰ্ণ অনুষ্ঠানক থকা সৰকাও কৰা হৈছে। যাৰ ফলত স্থায়ীত্ব একোৰে থাকিব পৰা সম্ভাৱনা নাই। অস্থিৰতা আৰু বুদ্ধিনিষ্ঠাৰ চৰম প্ৰকাশেই সাহিত্যক সৰ্ব্বতো প্ৰকাৰে গ্ৰহণীয় আৰু মনোগ্ৰাহী কৰিব নোৱাৰে। তদুপৰি বুদ্ধিমত্তাৰ আতিশয্যই সাহিত্যৰ অন্য কিছুমান গুণৰ ওপৰত বিস্তাৰ লাভ কৰিছে। ই সাহিত্যৰ আনন্দদায়ী সৰসতাক বিধ্বস্ত কৰে। পাঠক সকলে যোল অনাই উচ্চ ভাৱাপন্ন আৰু সজাগ নহ'লে, বুদ্ধিমত্তাই পাঠকক সমানে আনন্দ দান দিব নোৱাৰে। কাৰণ মিল্টনে কৈছিল

“কবিতা সৰল, ইন্দ্ৰিয় কৰ্ম্মী, আৰু মহান হব লাগে ( Poetry should be simple, sensous and sublime )। হোমাৰৰ ‘ইলিয়াদ ওদিচি,’ ব্যাসদেৱৰ ‘মহাভাৰত’ বাল্মিকীৰ “ৰামায়নত” এই সূত্ৰৰ সত্যতা প্ৰমাণিত হৈছে। কিন্তু আধুনিক কাব্য সাহিত্যত এই সংজ্ঞা বহুত সময়ত অৰ্থশূন্য যেন লাগে। বুদ্ধিয়ে কেৱল মনক হে স্পৰ্শ কৰিব পাৰে—আত্মা-অনুভূতিক নোৱাৰে। আত্মাত আনন্দ দিবলৈ কল্পনা আৰু বুদ্ধি দুয়োটাৰে সমন্বয়ত গঢ়ি উঠা মহান ভাৱ অনুভূতিৰ প্ৰয়োজন। কল্পনাক বাদ দি সাহিত্য হব নোৱাৰে। তাৰ পাছতে সমাজ, লিখকৰ নিজা ষ্টাইল, প্ৰকাশ ভঙ্গী, আদিৰ প্ৰয়োজন।

অথচ আজিৰ বস্তুবাদী আদৰ্শৰ মাজত কল্পনাক বাদ দিবলৈ ধৰা হৈছে। কিন্তু কল্পনা নহলে সাহিত্যৰ স্থায়িত্ব আৰু সামগ্ৰিক মূল্য কিমান ? সেইবুলি বাস্তৱক বৰ বেচিকৈ অধিকাৰ কৰি অতিপাত কল্পলোকত উটি ভাঁহি ফুৰিলেও সাহিত্য যুগ সৰ্ম্মত হ’ব নোৱাৰে। কাৰণ বৰ বেচি কল্পনাই বাস্তৱৰ ৰূপ-চিত্ৰ অঙ্কনত আঁৰ-কাপোৰ তৰিব পাৰে। গতিকেই আজিৰ সাহিত্যক বুদ্ধিমত্তাই ভীষন পৰীক্ষাৰ সন্মুখীন কৰি তুলিছে সন্দেহ নাই। প্ৰতক্ষ্য অভিজ্ঞতাৰ দ্বাৰা বস্তু এটাক জনাই হ’ল জ্ঞানৰ কাম। দৰ্শন শাস্ত্ৰই এই প্ৰত্যক্ষ অভিজ্ঞতাৰ দ্বাৰা প্ৰধানতঃ সকলো আলোচনা প্ৰতিস্থাপিত কৰে। কিন্তু সাহিত্য এই দৃষ্টিৰ পৰা কিছু বেলেগ। আৰ্ট আৰু সাহিত্য এক প্ৰকাৰৰ ভ্ৰমৰ ওপৰত প্ৰতিষ্ঠিত। কলেৰিজে বোধকৰোঁ সেইবাবেই ইচ্ছাকৃত ভাবেই অবিশ্বাসক পৰিহাৰ কৰা কথা—“Willing supense of disbelief’ৰ উল্লেখ কৰিছে—সঁচাকৈয়ে আৰ্টৰ প্ৰণালী বিজ্ঞান আৰু দৰ্শনতকৈ সুকীয়া নহয় জানো ? কিন্তু আধুনিক বুদ্ধি সাহিত্য এফালে দৰ্শন বা বিজ্ঞানৰ ফাললৈ গতি কৰিছে—আনহাতেদি জনসমাজৰ মাজলৈ গণ সাহিত্যৰ ভূমিকা লৈ আগবাঢ়িছে। গতিকে গণ-সাহিত্য আৰু বুদ্ধি সাহিত্যৰ মাজত বিৰাট ব্যৱধান হ’বলৈ বাধ্য।

দোষ-সাহিত্য ( Crimeliteraure )আৰু ফন্দী-সাহিত্য ( Detective literature ) বৰ্ত্তমান যুগৰ সৃষ্টি। ইয়াত মানুহৰ মনৰ অৱস্থাৰ বিভিন্ন ৰূপ দেখুওৱা হয়। উনৈশ শতিকাৰ শেহত আৰু বিংশ শতিকাৰ আদি ভাগত ফ্ৰয়দৰ মনোবিজ্ঞান সন্মত নানা থিয়ৰিৰ আৱিস্কাৰৰ পিছত এই শ্ৰেনীৰ সাহিত্যৰ প্ৰাধান্য বেছি হবলৈ ধৰে। এই শ্ৰেণীৰ সাহিত্য মানুহৰ ধী শক্তি আৰু অনুসন্ধিৎসু মনৰ সৰল খোৰাক। কিন্তু সাহিত্যই কেৱল ধী শক্তি আৰু অনুসন্ধিৎসাকে পৰিচালিত নকৰে ই সমগ্ৰ মানুহজনকে পৰিচালনা কৰে। হৃদয়, অনুভূতি, ইন্দ্ৰিয় আদি অন্য সত্বা সমূহকো নিয়ন্ত্ৰণ কৰিব পৰা শক্তি সাহিত্যৰ থাকিব লাগিব। তেতিয়াহে দ্বিধাশূন্য ভাৱে ই মানবীয় সাহিত্য হব পাৰিব।

সাহিত্যৰ বিভিন্ন বিভাগ সমূহ আলোচনা কৰিলে দেখা যায়—বুদ্ধিমত্তাই সৰসতা কমাই আনিবলৈ ধৰিছে আৰু ই একো একো শ্ৰেণীৰ বিশেষ বস্তু হৈ পৰিব ধৰিছে। কিন্তু কোনো যুগতে, কোনো সমাজতে সাহিত্যই সাৰ্ব্বজনীন ৰূপটো এৰি কোনো শ্ৰেণী বিশেষৰ